ASSAM
LEGISLATIVE ASSEMBLY
DEBATES



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS
UNDER SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION
OF INDIA

BUDGET SESSION

NO - 3

The 20th March 1995

PRICE : 56.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, the 20th March, 1995

The House met at 9 A.M. of the clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravorty, Speaker in the Chair.

STARRED

QUESTIONS AND ANSWERS

(To Which oral replies were given)

Mr. Speaker : The position of questions both oral and written for 20-3-95 are as follows :

Oral : Sl. No. 81 To 100

Transferred Sl. No. 81

Written : Sl. No. 195 To 244

Deferred Sl. No. 196

Transferred Sl. No. 255

Starred Question No. 81 was transferred.

NOW STARRED QUESTION NO. 82. Hon'ble Member Shri Dewan Jaynal Abedin

Re: Survey Settlement of Char Area.

Shri Dewan Jaynal Abedin asked :

* 82. Will the Minister of Revenue be pleased to state:

---

* Speech not corrected

(a) Whether settlement survey operation is going on in the char areas of Dhubri District ?

(b) Which are the villages going to be surveyed during the current year ?

(c) Whether the survey will be cadestral or noncadestral type ?

(d) What will be the status of patta holders in these char areas ?

Shri Mukut Sarma (Minister of Revenue) replied:

(a) Yes.

(b) Alomganj pt- IV, Sater Alga, Majerchar, Kuntirchar part-II, Dhubirchar, Gheger Alga pt-II, Chalakura char, Majerchar Chalkuara, Poyesti chalakura char, sing pt-II, Birs, pt-III, Chermanirchar, Satsia, Berurjhar, Monirchar Damumara, Borobhita, Taranga char, Monirchar Damumara, Borobhita,Taranga,Jhar, Monirchar, Damumara, Borobhila, Tarangajhar, Gunaipani and Charkatdanga pt-I under Souty Salmara circle of Dhubri Dist.

(c) Cadestral Survey

(d) The status will be determined on the basis of records accompanied with actual possession as provision of Assam land Revenue Regulation 1886 and Govt. Land policy.

* শ্রী দেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, 'পইণ্ট অৱ অর্ডাৱ' আজি ২০ তাৰিখে দেখা গৈছে ২৩ তাৰিখে 'চার্কোলেট' হ'ব লগা প্রশ্ন বিলাক দিছে। এইটো কেনেকৈ হ'বলৈ পালে ?

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ এই বিষয়ে 'বিজিনেছ এডভাইচৰী' কমিটিত আলোচনা কৰি ২৩ তাৰিখৰ প্ৰশ্ন বিলাক আজি দিয়া হৈছে।

* শ্ৰী দেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে কি প্ৰশ্নৰ উত্তৰত কৈছে পট্টাদাৰ সকলক ঠিক কৰা হ'ব। মাননীয় মন্ত্ৰী মহোদয়ে এইটো কথা জানে আৰু তেখেতৰ লগত চাৰ্কিট হাউচত বহু হেজাৰ মানুহৰ উপস্থিতিত আলোচনাও হৈছিল। দক্ষিণ শালমাৰা চাৰ্কোলত পট্টা খাৰিজ কৰিছে। এই খাৰিজ হোৱা পট্টা বিলাক আকৌ কেতিয়া বাহাল কৰা হ'ব। এই পট্টা বিলাকৰ পুনৰ বাহাল কৰাৰ সম্পৰ্কে এতিয়া কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

* শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো ঠিক যে ধুবুৰীত কিছু লোকৰ মাটিৰ পট্টা খাৰিজ কৰা হৈছিল। অধ্যক্ষ মহোদয়, আপুনি জানে যে মাটিৰ পট্টন দিবলৈ হ'লে মাটিত 'পজেশ্যন' থাকিব লাগে। যি লোক মাটিত নাই তেওঁলোকক পট্টন দিব নোৱাৰি। সেইখিনি সময়ত পৰীক্ষা কৰিবলৈ দিয়া হৈছিল। মাননীয় সদস্যই কৈছে মাটি থকা মানুহৰ পট্টা খাৰিজ কৰা হৈছে। যদি তেনে হৈছে, ব্যৱস্থা নোৱা হ'ব।

* শ্ৰী দেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাটিত থকা মানুহ, তেওঁলোকে এশ বছৰ ধৰি বহি আছে আনকি খাজনাওঁ দি আছে, তেনে মানুহৰ মাটি খাৰিজ কৰা হৈছে। এই সকলৰ পট্টা কেতিয়া বাহাল কৰা হ'ব, চৰকাৰে কি কৰিছে।

* শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈছো- চৰ এলেকাত খহনীয়া হয় মাটি তেওঁলোকৰ 'পজেশ্যন'ত নাথাকে, সেই বাবে মানুহক মাটিৰ পট্টন কেনেকৈ দিব পৰা যায়। মাননীয় সদস্যই কৈছে মাটি আছে খাজানা দি আছে, এইটো যদি হয় পৰীক্ষা কৰি দিম।

* শ্ৰী দেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাত এসময়ত প্ৰজাস্বত্বৰ আইন আছিল। সেই প্ৰজাস্বত্বৰ আইনৰ অধীনত তেখেতসকলৰ 'পাৰ্মেনেন্ট'পট্টা আছিল বৰ্ত্তমান চাৰ্ভে কৰাৰ সময়ত পট্টাদাৰ সকলৰ য়ি পুৰণি পট্টা আছিল সেই পট্টা খাৰিজ কৰা হৈছে। সেই খাৰিজ কৰা পট্টা বিলাক পুনৰ দিয়াৰ ব্যৱস্থা ল'বনে ? লগতে 'চি' প্ৰশ্নত আছিল চাৰ্ভে 'কেডেচট্ৰেল নে নন-কেডেচট্ৰেল'। যদি কেডেচট্ৰেল চাৰ্ভে আছিল তেন্তে বহুত বাইজে এই বিষয়ে কিয় আপত্তি কৰিব লগা হ'ল। এনে ধৰণৰ খেলিমেলিৰ সৃষ্টি কিয় হ'বলৈ পালে।

* Speech not corrected

* শ্রী মুকুট শর্ম্মা (মন্ত্রী)ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এসময়ত জমিদাৰী প্রথা আছিল। স্বাধীনতাৰ পিছৰ কালছোৱাত 'টেনেন্সি এক্ট' মতে গোৱালপাৰা 'টেনেন্সি এক্ট' খন লেণ্ড ৰেভিনিওৰ দায়িত্বলৈ অনা হ'ল তেতিয়া তাত জমিদাৰী প্রথা উঠি গ'ল। তাৰ পিচত ১৯৫৬ চনত তাত চার্ভে কৰা হ'ল যদিও লেণ্ড ৰেভিনিও কিমান কৰা হ'ব সেইটো ঠিক নহ'ল। ৰাজ্য চৰকাৰে এতিয়া ৰি-চেটেলমেণ্ট কৰি সেই সকলক লেণ্ডৰেভিনিও দিয়াৰ ব্যৱস্থা কৰি আছে।

* শ্রী গিয়াচুউদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ লগত জড়িত এটা গুৰুত্বপূর্ণ বিষয় মই উল্লেখ কৰি মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে গোৱালপাৰা জিলাত টেনেন্সি এক্ট চলি থকা সময়ত পট্টা বুলি কোনো বস্তু নাছিল। সেই সময়ত তাত খতিয়ান দিয়া হৈছিল। ১৯৬০ দশকত জমিদাৰী প্রথা উচ্ছেদ হোৱাৰ পিচত তাত চার্ভে হৈছিল আৰু সেই চার্ভে হোৱাৰ পিচত যিখিনি মানুহৰ মাটি দখল কৰি ভোগ কৰি আছিল সেই মানুহখিনিক জমিদাৰৰ ৰায়ত হিচাপে খতিয়ান দিয়া হৈছিল, পট্টা দিয়া হোৱা নাছিল। কিন্তু এইটো পট্টাৰ সমানেই বস্তু। ম্যাদি পট্টাৰ মানুহ এজনে সেই মাটিত যি স্বত্ব আৰু অধিকাৰ পায় তেনেকৈ খতিয়ান থকা মানুহজনেও সেই স্বত্বৰ কিম্বা অধিকাৰ পায়। এতিয়া আমাৰ প্রশ্ন হৈছে যি সকল মানুহে আগতে ফাইনেল খতিয়ান পাইছে তেওঁলোকক নিয়মমতে ম্যাদি পট্টা দিব লাগে। কিন্তু এতিয়া আমি এতিয়া এটা কথা দেখিবলৈ পাইছো যে আগৰ সেই কাগজ পত্র বিলাক বাতিল কৰি শ শ বিঘা মাটি খাচ ব্লক কৰা প্রক্রিয়া এটা চলি আছে। সেই বিষয়ত কি ব্যৱস্থা লোৱা হ'ব সেইটো মন্ত্রী মহোদয়ে অলপ বুজাই ক'ব লাগে।

* শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী গিয়াচুদ্দিন চাহাবে এটা ঠিক কথাই কৈছে। তাত আমি আগতে পট্টা দিয়া নাছিলো, তাত খতিয়ান দিয়া হৈছিল। তাত জমিদাৰী প্রথা উঠাই দিয়া হ'ল কিন্তু খতিয়ানবোৰ চলি থাকিল। আমাৰ আগৰ চার্ভে অপাৰেচনটোত এইবোৰ খতিয়ান হিচাবেই থাকি গ'ল, তাত লেণ্ড ৰেভিনিউ ধার্য্য কৰা নহ'ল। এতিয়া এই মানুহ খিনিক পট্টা দিয়াৰ ব্যৱস্থা কৰি লেণ্ড ৰেভিনিউ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই খিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে ব্রহ্মপুত্রৰ খহনিয়াৰ ফলত কিছুমান চৰ অঞ্চল কেতিয়াবা নাইকিয়া হৈ গৈছে আৰু কেতিয়াবা কিছুমান চৰ নতুনকৈ আবির্ভাৰ হৈছে। এতিয়া এটা সমস্যা হৈছে যে আমি খতিয়ানৰ ওপৰতে ভিত্তি কৰি পট্টা দিলেই নহ'ব। তেওঁলোকৰ পজেচনত মাটিও থাকিব লাগিব। মাটিৰ পজেচন থাকিলেহে পট্টা দিব পৰা হ'ব। গতিকে এই গোটেই কথাখিনি আমি ৰি-চেটেলমেণ্ট অপাৰেচনৰ সময়ত অবিভক্ত

গোৱালপাৰা জিলাৰ মাটিৰ ক্ষেত্ৰত চোৱা-চিতা কৰি এটা স্থায়ী ব্যৱস্থা ল'ব খুজিছো।

* শ্ৰী দেৱান জয়নাল আবেদিন ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী গিয়াচুদ্দিন চাহাবে যিটো কথা কৈছে সেইটো ১৯৬২-৬৪ চনতে চার্ভে কৰি মাটি ভোগ দখল কৰি থকা লোক সকলক ফাইনেল খতিয়ান দিয়া হৈছিল আৰু ৰেভিনিউ ফিক্স কৰা হৈছিল । কিন্তু এতিয়া তেনেকুৱা ফাইনেল খতিয়ান থকা লোক সকলৰ খতিয়ান কেন্সেল কৰা হৈছে । এই বিষয়ত কি ব্যবস্থা লোৱা হ'ব সেইটো মন্ত্ৰী মহোদয়ে স্পষ্টকৈ ক'ব লাগে । আৰু এটা কথা হ'ল - যিবিলাক গাওঁত চার্ভে চলি থকা বুলি মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে সেই গাওঁৰ বাহিৰে বাকি থকা গাওঁ বিলাকত চার্ভে হ'ব নে নহয় সেইটো ক'ব লাগে আৰু ফাইনেল খতিয়ান থকা লোক সকলৰ স্বত্ব অব্যাহত ৰাখি এই চেটেলমেণ্ট চার্ভে কৰা হ'ব নে নহয় সেইটোও ক'ব লাগে ।

* শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে খতিয়ান থকা লোক সকলক পট্টা দি এটা স্থায়ী ব্যবস্থা কৰাৰ কাৰণেই এই ব্যবস্থাটো কৰা হৈছে । যি সকল মানুহৰ খতিয়ান আছে মাটিও দখলত আছে তেওলোকক পট্টা দিয়াৰ ব্য ৱস্থা কৰা হ'ব। কিন্তু যি সকলৰ মাটি নাই কিন্তু খতিয়ান আছে তেওঁলোকক পট্টা দি কোনো লাভ নহ'ব । কিন্তু মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা ধৰণে কোনোবা মাটি থকা লোকৰ খতিয়ান যদি কেন্সেল কৰা হৈছে তেনেহলে সেই ক্ষেত্ৰত আমি নিশ্চয় ব্যৱস্থা লম ।

* শ্ৰী আলাউদ্দিন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, এই বিষয়টোত এটা স্থায়ী ব্যৱস্থা লব নে নলয় আৰু এই ক্ষেত্ৰত কিমান দিন সময় লাগিব সেইটো মন্ত্ৰী মহোদয়ে স্পষ্টকৈ ক'বনে ?

* শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কিমান দিন সময় লাগিব সেইটো মই এতিয়াই ক'ব নোৱাৰিম আমি যিমান পাৰো সোনকালে এটা স্থায়ী ব্যৱস্থা লোৱাৰ কাৰণে চেষ্টা কৰি আছো ।

* শ্ৰী নজমুল হক ঃ অধ্যক্ষ মহোদয়, যি সকল ফাইনেল খতিয়ান থকা লোকৰ খতিয়ান খাৰিজ কৰি দিয়া হৈছে তেওঁলোকে আকৌ নতুনকৈ পট্টা লবলৈ হলে বহুতো অসুবিধা আহি পৰিব। তেওঁলোকে টকা পইচা খৰচ কৰাকে ধৰি নানা হাৰাশাস্তিৰ সম্মুখীন হ'ব লাগিব । গতিকে এই ক্ষেত্ৰত এটা সু-ব্যৱস্থা লোৱাৰ কাৰণে মন্ত্ৰী মহোদয়ে চিন্তা কৰিবনে ?

* শ্ৰী আনোৱাৰ হুছেইন ঃ অধ্যক্ষ মহোদয়, এই মাটিবোৰ ১৯৫৬ চনতে চৰকাৰে অধিগ্ৰহণ কৰিছিল আৰু এনে ধৰণে আমাৰো ৩২ হাজাৰ বিঘা মাটি চৰকাৰে অধিগ্ৰহণ কৰি ১৯৬৯ - ৭০ চনত

চার্ভে কৰি খতিয়ানবোৰ দিছিল । এনে খতিয়ানৰ চার্টিফাইড কপি আমাৰ হাতত আছে । এই ক্ষেত্রত আমি মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰাত তেখেতে আমাক এচুৰেঞ্চ দিছিল এই খতিয়ানবোৰৰ ভিত্তিত স্থায়ী পট্টা দিয়া হ'ব বুলি । কিন্তু এতিয়া ফাইনেল খতিয়ান বিলাকো কেন্সেল কৰা হৈছে । এই ক্ষেত্রত মন্ত্রী মহোদয়ে কিবা ক'ব নেকি ?

* **শ্রী বদন বৰুৱা** ঃ অধ্যক্ষ মহোদয়, এই মাটিৰ এটা স্থায়ী বন্দোবস্তীৰ কাৰণে চার্ভে কৰা হৈছে বুলি মন্ত্রী মহোদয়ে কৈছে । এতিয়া মোৰ প্রশ্নটো হল যি সকল মানুহৰ মাটিও দখলত আছে আৰু খতিয়ানও আছে তেওঁলোকক পট্টা দিয়া হ'বনে নহয় সেইটো স্পষ্টকৈ ক'ব লাগে ।

* **শ্রী মুকুট শর্ম্মা** (ৰাজহ মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মোক একেলগে তিনিজন মাননীয় সদস্যই প্রশ্ন কৰিছে । মই কাৰ উত্তৰ দিম ?

মাননীয় অধ্যক্ষ ঃ আপুনি **শ্রী বদন বৰুৱাৰ** প্রশ্নটোৰ উত্তৰ দিয়ক ।

* **শ্রী মুকুট শর্ম্মা** (বাজহ মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য **শ্রী বদন বৰুৱাই** যিটো কথা কৈছে সেই ক্ষেত্রত মই ক'ব খোজো যে যি সকল লোকৰ মাটিও আছে আৰু খতিয়ানো আছে তেওঁলোকৰ ৰেভিনিউ আৰু পজেচন দুয়োটাৰে বন্দবস্তীৰ কাৰণে এইটো কৰা হৈছে।

* **শ্রী গিয়াচু উদ্দিন আহমেদ** ঃ অধ্যক্ষ মহোদয়, অবিভক্ত গোৱালপাৰা জিলাৰ ভূমি সমস্যাটো এটা জটিল আৰু ঐতিহাসিক সমস্যা। সেই কাৰণে মই অনুৰোধ কৰিব খুজিছো যে এই বিষয়টোত আধা ঘন্টাৰ বাবে এটা আলোচনা হ'লে ভাল হয়।

* **শ্রী চন্দ্র মোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি এটা ৰুলিং দি থৈছিল যে যি কোনো প্রশ্নৰ ৬ টাতকৈ বেছি পৰিপক্ক প্রশ্ন হ'ব নোৱাৰিব। মাননীয় অধ্যক্ষ মহোদয়, কিন্তু আমাৰ প্রশ্ন হৈছে যে কেতিয়াবা কিছুমান গুৰুত্বপূর্ণ প্রশ্ন ইয়াত উত্থাপন হয় যিবিলাক খৰচি মাৰি আলোচনা কৰাৰ প্রয়োজন থাকে সেইবোৰত যাতে অধ্যক্ষ মহোদয়ে ষ্ট্রিক্ট হৈ নাথাকে।

Mr. Speaker: Now Starred question No.83. Hon'ble member Shri Monsing Rongpi and Shri Babu Rongpi and Minister Revenue is to reply.

Re. Distribution of patta

---

* Speech not corrected

Shri Monsing Rongpi and
Shri Babu Rangpi asked

* 83. Will the Minister of Land Revenue be pleased to state:

Whether Government is aware that the problem of having patta is a major problem for the peasantry. What is the Government plan to distribute "Pattas" to the real holders of land in the state ?

Shri Mukut Sarma (Minister of Revenue) replied :

No. Land is allotted/settled to indigenous landless deserving family as per existing Land Policy and thereafter patta is issued.

* **Shri Haliram Terang** : May I know from the Hon'ble Minister, Revenue what is the government policy of distributing pattas ?

***Shri Mukut Sarma** (Minister): I think the Hon'ble Members are aware that our policy is to distribute land to those who are landless and at the same very poor and the land is in his possession for quite some time, we are giving preference to them to acquire Govt. land from the ceiling surplus or from other means. Khas land is given to the people under MNP scheme and under distribution of surplus land scheme under ceiling. This is the policy.

***Shri Haliram Terang** : Hon'ble Speaker, Sir, we will be very much happy if the Hon'ble Minister circulates the land policy once again before the August House.

---

* Speech not corrected

*Shri Mukut Sarma (Minister): I shall do this.

*Shri Haliram Terang: Will the Hon'ble Minister state under the Government present policy how many landless people have been provided pattas since last 3 years.

*Shri Mukut Sarma (Minister): Sir, I shall definitely give it, at present there is no figure available with me.

*Shri Samarendra Nath Sen: Mr.Speaker, sir, may I know from the Hon'ble Revenue Minister that Government previously committed to give pattas of the slum areas of Silchar Town but it has not been done. May I request the Hon'ble Minister to get it done expeditously so that people will be granted pattas.

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ফৰেষ্ট ৰিজার্ভ মানুহে দখল কৰিছে বে-আইনী ভাৱে সেইবিলাক উচ্ছেদ কৰিব লাগে। আৰু মাননীয় অধ্যক্ষ মহোদয় ৰিজার্ভ ফৰেষ্ট বিলাক ডি - ৰিজার্ভ কৰাৰ ব্যৱস্থা কৰিব নেকি।

* শ্রী মুকুট শর্ম্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগৰ মাটি দিয়াৰ অধিকাৰ ৰাজহ বিভাগৰ নাই। বন বিভাগৰহে।

* শ্রী গহীন চন্দ্র দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰিজার্ভ বা বে-দখল মাটি ক'ত কিমান আছে আৰু সেইবিলাক মাটি কোনে দখল কৰিছে তাৰ চোৱা-চিতাৰ ব্যৱস্থা কৰিব নেকি। অধ্যক্ষ মহোদয়, আগতে গ্রেজিং লেণ্ড চোৱা-চিতা কৰাৰ কাৰণে বেলেগ এচ. ডি. চি আৰু খেতি মাটি চোৱা-চিতা কৰাৰ কাৰণে বেলেগ এচ. ডি. চি আছিল। তেতিয়া হিচাব নিকাচ ঠিকে আছিল। এতিয়া বেদখলকাৰী ইমান বেচি হৈছে যে সেইবিলাক বাংলাদেশৰ মানুহনে অসমৰ মানুহ কবই নোৱাৰি। গতিকে গ্রেজিং লেণ্ড চোৱা-চিতা কৰাৰ কাৰণে বেলেগ এচ. ডি. চি কৰিব নেকি।

* শ্রী মুকুট শর্ম্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক চোৱা-চিতা কৰিবৰ কাৰণে ৰাজহ বিভাগৰ বিভিন্ন বিষয়া আৰু কর্মচাৰীক দায়িত্ব দিয়া আছে। মণ্ডলৰ পৰা আৰম্ভ কৰি গাওঁৰ

গাওঁবুঢ়ালৈকে সকলোৰে ৰিপোৰ্ট দিব লাগে। কিমান মাটি এনকৰ্চ কৰিছে সেই সকলো বিলাক ৰিপোৰ্ট দিব লাগে।

* শ্রী গহীন চন্দ্র দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া তেনেকুৱা খবৰ চৰকাৰৰ আছে নেকি।

* শ্রী মুকুট শর্ম্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰক নিশ্চয় জনাইছে। অৱশ্যে এতিয়া মোৰ হাতত তথ্য নাই। এনফৰ্চমেণ্টৰ কেঁচো আছে।

* শ্রী হলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মাটি বিতৰণ কৰিব সেইখিনিৰ মাটি-কালি কিমান জনাব নেকি। চৰকাৰে কিমানক পট্টা দিছে আৰু কিমানক দিব পৰা নাই বা দিয়া হোৱা নাই সেইবিলাকক কেনেকৈ দিব তাৰ এটা হিচাব এই চেচনতে দিব নেকি।

* শ্রী মুকুট শর্ম্মা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই চেচনতে দিব পৰা হ'লে ভাল পালোহেতেন। কিন্তু এই চেচনৰ ভিতৰত দিব পৰা নহ'ব।

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম-অৰুণাচল, অসম-নাগালেণ্ড আদিত সীমান্তত বেদখলকাৰীয়ে কিমান বেদখল কৰিছে তাৰ হিচাপ এটা মন্ত্রী মহোদয়ে দিব নেকি।

Mr. Speaker : If the Hon'ble Minister can collect the data he will definitely provide.He is not saying that he will not provide. If it is possible he will provide.

Now Starred question No. 84. Minister Agriculture will reply :

Re : Jute Cultivation

Shri Giasuddin Ahmed asked :

* 84/ Will the Minister of Agriculture be pleased to state.

(a) What is the area under jute cultivation in Assam since 1971 ?

(please give yearwise figure from 1971 to 1991)

---

* Speech not corrected

(b) What is the reason of veriation of the area under jute cultivation (if any)

Sayeda Anowara Taimur (Minister, Agriculture) replied:

(a) Year-wise figure relevant to jute cultivation since 1971 is placed in the floor of the house.(See the Annexure-I)

(b) Instability in price of raw jute may be regarded as the principal cause of variation in area under jute.

* শ্রী গিয়াচ উদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭০-৭১ চনত মৰাপাটৰ খেতি হৈছিল ১ লাখ ২৮ হাজাৰ ১১ হেক্টৰ মাটিত। সেই পৰিমাণ কমি কমি ১৯৯৩-৯৪ চনত হ'লগৈ ৭৬,১৯৭ হেক্টৰ। অস্বাভাৱিক ভাৱে মৰাপাটৰ খেতি কমি গৈছে আৰু তাৰ ফলত অসমৰ অর্থনৈতিক বিশেষভাৱে কৃষি অর্থনীতিত এটা বেয়া প্রভাৱ পৰিছে। এই সম্পর্কে চৰকাৰে অধ্যয়ন কাৰি আৰু জুটৰ খেতি কমার্চিয়েক ক্রপ জুট ইণ্ডাষ্ট্রী মর্ডানাইজ কৰিলে ডাঙৰ ডাঙৰ ইণ্ডাষ্ট্রী হ'ব পাৰে। এই কথাটো বিবেচনা কৰি এই সম্পর্কে এটা পৰিকল্পনা হাতত লবনে।

*চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো অতি গুৰুত্বপূর্ণ কথা । অসমত ভাল মৰাপাট খেতি হয়। জুট কোর্পোৰেচন অৰ ইণ্ডিয়াই সময় মতে প্রকিয়ৰমেণ্ট নকৰা বাবে আমাৰ খেতিয়কৰ লাভ নহয়। সেই কাৰণে যিটো খেতি কৰিলে খেতিয়কে বেচি দাম পায় সেই খেতিহে কৰে। এই ফিগাৰ টেবুলত দিয়া হৈছে। এই ক্ষেত্রত জুট কোর্পোৰেচন অৰ ইণ্ডিয়াৰ লগতে যোগাযোগ কৰা হৈছে। তেওঁলোকে সময় মতে নিকিনে। আপোনালোকে দেখিছে বহুত সময়ত মাজৰ মানুহে মৰাপাট কিনে। সেই কাৰণে খেতিয়কে মৰাপাতৰ খেতি কমায় অন্যান্য খেতি কৰিবলৈ ধৰিছে। আমাৰ চৰকাৰে জুট মিল কৰাৰ কাৰণে যোৰ দিছে। জুটৰ পৰা সূতা কল ক ৰাৰ কাৰণে উদ্যোগ বিভাগে সৰু-সুৰা মিল কৰিবলৈ লৈছে। যদি এই সৰু-সুৰু মিলবোৰ হয় যথেষ্ট লাভ হ'ব। ইয়াৰ বিদেশটো যথেষ্ট চাহিদা আছে। এইটো চৰকাৰে বিবেচনা কৰি আছে। যদি এনেকুৰা কৰা যায় তেতিয়াহ'লে জুটৰ যথেষ্ট উৎপাদন বাঢ়িব আৰু বেছি দামো পাব।

* শ্রী গিয়াচউদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্ন সেইটোৰেই। জুট ইণ্ডাষ্ট্রী যদি আধুনিকীকৰণ কৰা হয় বৈজ্ঞানিক পদ্ধতিৰে কৰিব লাগে। আগৰ মান্ধাতা যুগৰ দৰে কৰিলে

* Speech not corrected

নহ'ব। মোৰ প্ৰশ্নটো হৈছে অসমত কেনেকৈ মৰাপাট স্কীম আধুনিকীকৰণ কৰা হয়। ইয়াৰ উদ্যোগীক বিকাশৰ লগে লগে মৰাপাট খেতিয়ক সকলৰ উন্নতিৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি আৰু যদি লোৱা নাই কিমান দিন পিচত ল'ব।

*চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইটো ইণ্ডাষ্ট্রী মিনিষ্টাৰে ক'ব।

*মৌলানা আব্দুল জলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো গুৰুত্বপূর্ণ কথা,আগতেঅসমত মৰাপাটৰ খেতি যথেষ্ট পৰিমাণে হৈছিল, প্রায় সকলো খেতিয়কে কম বেছি পৰিমাণে মৰাপাটৰ খেতি কৰিছিল। কিন্তু এতিয়া এই খেতি কমি কমি একেবাৰে বেয়া অৱস্থা হৈছে। পাট সূতা শুৱালকুছি ইণ্ডাষ্ট্রীৰ কাৰণে ৭২ হেজাৰ কেজি বাহিৰৰ পৰা আনিব লগা হৈছে। মৰাপাট খেতিয়ক সকলে উপযুক্ত মূল্য নাপায়, এই কথাটো বাৰম্বাৰ আলোচনা হৈছে আৰু মন্ত্রী মহোদয়ে কেন্দ্রীয় চৰকাৰৰ লগতো যোগাযোগ কৰিছে। কিন্তু কথাটো নামানিলে। মৰাপাট খেতিয়ক সকল হতাশ হ'ল, ফলস্বৰূপে খেতি ইমান কমিল যে বাহিৰৰ পৰা আমদানি কৰিব লগা হয়, অসম চৰকাৰে উপযুক্ত মূল্য নেপায়। ইয়াৰ উপযুক্ত মূল্য পাব লাগে। এই বিষয়ে মন্ত্রী মহোদয়াই আশ্বাস দিব নেকি ?

*চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, এই আশ্বাস শ্রী গগৈ ডাঙৰীয়াই দিব। তেখেতে বহুত দিন আগৰ পৰাই বিধায়ক হৈ আছে। আমাৰ চলিহা ডাঙৰীয়াই থকা সময়ৰ পৰাই মৰাপাট নিকিনে। এই মাৰাপাটৰ উৎপাদন কথাটো আমাৰ যি সকল এম. পি.আছে ফাণ্ড দিব লাগে বুলি চিঞৰি আছে।

* মৌলানা আব্দুল জলিল ৰাগিবী ঃ অধ্যক্ষ মহোদয়, তেতিয়া হ'লে আমি মাননীয়া মন্ত্রী মহোদয়াৰ লগত দিল্লীলৈ যাওঁ।

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মৰাপাটৰ আধুনিকীকৰণৰ কথাটো আহিছে, চৰকাৰে বিশেষ ভাৱে কৃষি লোন দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

* চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ আঁচনি আছে, তাৰে পৰা সহায় দিছে। কৃষি লোনৰ কথাটো নহয়।

* শ্রী আলাউদ্দিন সৰকাৰ ঃ অধ্যক্ষ মহোদয়, এই কথাটো মৰাপাটৰ লগত জড়িত, কৃষক সকল যে মৰি গৈছে এই কথাটো নিশ্চিত ভাৱে জানে, জুট কৰপোৰেশ্বন অব ইণ্ডিয়া জড়িত নহয়। এই

ক্ষেত্রত চৰকাৰে কিবা ব্যবস্থা নিজাববীয়াকৈ ৰাখিছে নে নাই নাইবা ল'ব নে নাই। মন্ত্রী ডাঙৰীয়া নিজে স্পষ্ট ভাৱে সদনক জনাব লাগে।

* চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, আমাৰ কৃষি বিভাগে বেছি হোৱাটোত সহায় কৰে, বিক্রী কৰাৰ কথা নহয়।

* শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মৰাপাট উৎপাদন হয়, মৰাপাট খেতিয়ক আছে, তেওঁলোকে প্রকৃতার্থত উচিত মূল্য নেপায়। জে. চি. আই তেওঁলোকে মৰাপাটৰ উচিত মূল্য নিদিয়ে। ইয়াৰ ফলত এই খেতিয়কৰ পৰা মাজৰ মানুহে খুব কম দামত কিনি বাহিৰত যোগান ধৰে। এই খেতিয়ক সকলে যাতে মৰাপাটৰ উচিত মূল্য পায় তাৰ ব্যৱস্থা কৰিব নেকি, মন্ত্রী মহোদয়াই জনাব নে?

* চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, এইটো সম্ভৱ নহয়।

* শ্রী জয়নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়াৰ নিজৰ সমষ্টি দলগাওঁত ফকৰুদ্দিন আলি আহমেদ চাহাবে মৰাপাট কল স্থাপন কৰিছিল, এইটো কি হ'ল, জনাব নে?

* চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) ঃ অধ্যক্ষ ডাঙৰীয়া, এইটো ইণ্ডাষ্ট্রী মন্ত্রীয়ে উত্তৰ দিব।

Mr. Speaker: Now Starred question No 85. Questioner **Shri Alauddin Sarkar.**

Re: Improvement of Irrigation scheme:

*85. Will the Minister of Irrigation be pleased to state :

a) Whether the Department has taken any to construct, improve and repair the following scheme office of Golokganj Constituency under Gauripur Irrigation Division respectively-

(i) Goaluani L.I.S.

(ii) Gangadhar L.I.S.

(iii) Asstt. Executive Office, Agmoni (Irrigation) ?

* Speech not corrected

(b) What are the present position of those schemes ?

Shri Zehirul Islam (Minister Irrigation) replied:

(a) (i) Yes.

(ii) yes.

(iii) Yes.

(b) (i) Goaluani L.I.S.was administratively approved vide No.IGN(P)243/92/2 dt. 31-3-92 but the work has not yet been started due to non-sanction of the load by A.S.E.B.

(ii) The transformer of Gangadhar L.I.S. is out of order since April/94 and the matter has been taken up with A.S.E.B.

(iii) The action for Construction of office building of the Asstt. Executive Engineer has already been taken up.

* শ্রী আলাউদ্দিন সৰকাৰ ঃ মন্ত্রী মহোদয়ে, কৈছে ১.২.৩ হয়। মোক পত্র যোগে জনাইছে এই কেইটা কাম হাতত লোৱা হৈছে। দুবছৰ পাৰ হৈ গল। গোৱালো�ৱনিৰ ক্ষেত্রত বিদ্যুতৰ কথা কৈছে, গঙ্গাধৰৰ বহু দিন হৈ গল, অফিছটো মোৰ সন্মুখত আছে। মই ব্যক্তিগতভাৱে কৈছো অফিছ ঘৰটো মৰি গৈছে, জৰাজীর্ণ অৱস্থা, দেৱালখন দিব লাগে। কোনো ৰকমৰ কামত হাত দিয়া নাই । এই তিনিটা কাম চলিত বছৰৰ কিমান দিনৰ ভিতৰত আৰম্ভ কৰিব?

* শ্রী জেহিৰুল ইছলাম (জল সিঞ্চন মন্ত্রী) ঃ এ. এছ. ই বিৰ পৰা চেংচন পোৱা নাই। গোৱালোৱনিৰ ১২ কিঃমিঃ দূৰ আগমনিত ৩৩ কেভি চাব ষ্টেচনৰ কাৰণে চেষ্টা কৰি আছে। সেইটো হলে কামটো চালু হ'ব। এপ্রিল ১৯৯৪ চনত চালু আছিল পাৱাৰৰ অসুবিধাৰ কাৰণে সেইটো বন্ধ হৈ আছে।

Mr. Speaker: Now starred Question No 86. Questioner Shri Bhupen Roy.

---

* Speech not corrected

বিষয় ঃ **MNP** আঁচনিত মাটি প্রদান।

শ্রী ভূপেন ৰায়ে সুধিছে ঃ

* ৮৬/ মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ বালাজানী-চেঁচাপানী ৰাজহ গাঁওত থকা শৰণীয়া পথাৰত MNP আঁচনি যোগে ৮০০(আঠশ) পৰিয়ালক মাটি দিব বিচৰা কথাটো সঁচানে ?

(খ) যদি সচা, এই ক্ষেত্রত স্থানীয় ৰাইজৰ আপত্তি থকা কথাটো চৰকাৰ অৱগতনে?

(গ) প্রকৃতার্থত উক্তমাটি খিনি বসবাসৰ উপযোগীনে ?

শ্রী গোপীনাথ দাস (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) স্থানীয় ৰাইজৰ পৰা চৰকাৰে কোনো আপত্তি পোৱা নাই।

(গ) উপযোগী হয়।

* শ্রী ভূপেন ৰায় ঃ সেই ঠাইলৈ কিমান জনক অনা হৈছিল?

* শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ ৮৫৭টা পৰিয়াল অনা হৈছিল। তাৰ ভিতৰত ৩৮৫৩ জন ব্যক্তি ।

* শ্রী ভূপেন ৰায় ঃ সেই ঠাই আই নদীৰ সোমাজত। মন্ত্রী মহোদয়ে চাইছেনে?

* শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ এইটো ৰাজহ বিভাগৰ লগত জড়িত। তথাপি মই পুনৰ সংস্থাপন মন্ত্রী হিচাপে কও প্রপজেলত ঠাইখিনি উপযুক্ত বুলি কৈছে, সদস্য গৰাকীয়ে অনুপযুক্ত বুলি কৈছে। মই নিজে দেখা নাই। এই বিষয়ত ৰাজহ বিভাগৰ লগত যোগাযোগ কৰা হ'ব।

* শ্রী ফণীভূষণ চৌধুৰী ঃ ঠাইখিনি বাসস্থানৰ উপযোগী হয় নে নহয় বিধান সভা চলি থকা অৱস্থাত তদন্ত কৰি জনাবনে?

* শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ মাটি খিনি উপযুক্ত হয় নে নহয় ৰাজহ বিভাগৰ লগত যোগাযোগ কৰিম ।

* শ্রী দেৱান জয়নাল আবেদিন ঃ ৩৮৫৩ টা পৰিয়ালক আনি আই নদীৰ চাপৰিত পেলাই থৈছে। বেংতল কেম্পৰ পৰা আনি গান পইণ্টত বালিৰ চাপৰিত পেলাই থৈছে । খোৱা পানীৰ কোনো ব্যৱস্থা নাই । বাৰিষা নমাৰ লগে লগে মানুহ খিনি উফৰি যাব। কোকৰাঝাৰৰ কেম্পৰ প্রায় ১৯ হাজাৰ পৰিয়ালে আশংকা কৰিছে ২/১ দিনত মানুহখিনিক জবৰদস্তি আনি বিএচি এৰিয়াৰ বাহিৰত বসবাসৰ অনুপযোগী বালি চাপৰিত পেলাই দিয়া গৰ্হিত কাম কৰিছে। গতিকে এই মানুহখিনি বসবাসৰ উপযোগী ঠাইত পুনৰ সংস্থাপন কৰা হ'বনে।

* শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) ঃ সেই ঠাইখিনি উপযুক্ত নহয় তেন্তে উপযুক্ত ঠাইলৈ নিয়াৰ কাৰণে ৰাজহ বিভাগক অনুৰোধ কৰিম।

Mr. Speaker: Now starred Question No 87. Hon'ble Member Shri Gahin Chandra Das and Shri Nazmul Haque.

বিষয় ঃ কেৰাচিন তেলৰ যোগান।

শ্রী গহীন চন্দ্র দাস আৰু শ্রী নজমুল হকে সুধিছে ঃ

* ৮৭/ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত জনসংখ্যা ভিত্তিত কিমান কেৰাচিন তেলৰ প্রয়োজন ?

(খ) বর্ত্তমান কিমান তেল যোগান ধৰা হয় জনাবনে ?

(গ) এই যোগান ব্যৱস্থাটো কিহৰ মাধ্যমেৰে বিতৰণ কৰা হয় ?

ডাঃ অর্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত জনসংখ্যাৰ ভিত্তিত মাহে কমেও ৩০,০০০ (ত্রিশ হাজাৰ) মেট্রিকটন কেৰাচিন তেলৰ প্রয়োজন।

(খ) বর্ত্তমান ভাৰত চৰকাৰে অসমত মাহে ২০,৯৭৬ (বিশ হাজাৰ ন শ ছয়সত্তৰ) মেট্রিকটন কেৰাচিন তেলৰ যোগান ধৰে।

(গ) মাহে আৱণ্টন পোৱা কেৰাচিন তেলৰ শতকৰা ৭০ ভাগ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ মাধ্যমেৰে আৰু শতকৰা ৩০ ভাগ অনুজ্ঞাপত্রধাৰী খুচুৰা বিক্রেতা তথা হকাৰৰ জৰিয়তে বিতৰণ কৰা হয়।

* **শ্রী গহীন চন্দ্র দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে নিজে এজন ডাক্টৰ হৈও প্রকৃত দায়গনচিচ্ কৰিব পৰা নাই। কাৰণ এই যে কেৰাচিনৰ নাটনি হোৱা কথাটো আৰু বিতৰণত বেমেজালি আদি, এই বেমাৰটো আজিৰ নহয়। বর্ত্তমান চৰকাৰে কার্য্যভাৰ হাতত লোৱাৰ পৰাই চলি আহিছে। গতিকে এই বেমাৰটো ("Naga Ghao") মাননীয় ডাঃ মন্ত্রী ডাঙৰীয়াই ভালদৰে ট্রিটমেণ্ট কৰা নাই বা আন্তৰিকতাৰে কৰা নাই । ব্যৱস্থা লোৱা হ'ব বা পিছত কৰা হ'ব আদি কথা কৈ স্ল পইজন দি চলাই থোৱাৰ দৰে হৈছে আৰু এতিয়া এই বেমাৰটো পৰিণত হৈছে। গতিকে এই যে ৯ হাজাৰ মেট্রিকটন বর্ত্তমান কমকৈ দি থকা হৈছে, এই কম হোৱা খিনি পুৰণ কৰিবৰ কাৰণে বর্ত্তমান চৰকাৰে ব্যৱস্থা কৰিবনে?

Mr. Speaker: The word "Naga Gao" should be expunged.

ডাঃ অর্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে কেন্দ্রীয় চৰকাৰৰ লগত যোগযোগ কৰি থকা হৈছে। ইতি মধ্যে আমাৰ মাননীয় মুখ্য মন্ত্রী ডাঙৰীয়াই কেপ্টেইন সতীশ শর্ম্মা ডাঙৰীয়ালৈ ডি.অ' লেটাৰত এই অভাৱ পুৰণৰ বাবে প্রেৰণ কৰিছে । প্রয়োজনীয় তেল খিনি যাতে পাব পাৰে তাৰ বিষয়ে ইয়াত অনুৰোধ কৰা হৈছে।

* **শ্রী দেৱান জয়নাল আবেদিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় যোগান মন্ত্রী ডাঙৰীয়াই এটা কথা জানিব পাৰিছে নে যে অসমৰ বহুতো অঞ্চলত কেৰাচিন তেল ১৬ টকা লিটাৰত বিক্রি হৈ আছে? এইদৰে বাহিৰত বেছি দামত তেল বিক্রি কৰাবৰ কাৰণেই প্রায় ৩১টা দিপুত তেলৰ যোগান প্রায় বন্ধ হৈ গৈছে। এই বিষয়ে মন্ত্রী মহোদয়ে যদি বাতৰি পাইছে নিয়ন্ত্রণৰ কিবা ব্যৱস্থা হাতত লৈছে নে?

ডাঃ অর্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় , এই বিষয়ে আমাৰ নটিচত আহিছে আৰু ইয়াৰ বিষয়ে প্রয়োজনীয় ব্যৱস্থা লবলৈ নির্দ্দেশ দিয়া হৈছে।

---

* Speech not corrected

* শ্রী গিয়াচউদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জানিব পাৰো নে অসমত বিতৰণ হোৱা কেৰাচিন ক'ত উৎপাদন হয় ? অসমৰ বাহিৰত নে অসমৰ ভিতৰত ? অসমৰ মানুহৰ কাৰণে ৩০ হাজাৰ মেট্রিক টনৰ প্রয়োজন হয়, এই ৩০ হাজাৰ টন অসমত উৎপাদন হোৱা স্বত্তেও অসমৰ প্রয়োজন পুৰণ নোহোৱাকৈ কিয় বাহিৰলৈ পঠাব লগীয়া হয় ? আৰু এই বিষয়ে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি ব্যৱস্থা ল'ব নে ?

* ডাঃ অর্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো অৱশ্যে ইণ্ডাষ্ট্রী বিভাগৰহে প্রশ্ন হ'ব লাগিছিল তথাপি মই জনাব বিছাৰিছো যে, ২০ হেজাৰ মেট্রিক টন কেৰাচিন অসমতে প্রডাক্সন হয় আৰু বাকী খিনি নর্থ ইষ্ট ৰিজনৰ কাৰণে প্রয়োজন হয় । গতিকেই অসমৰ বাহিৰৰ পৰা প্রয়োজন পুৰাবৰ কাৰণে আমদানি কৰিবলগীয়া হয়।

* শ্রী গিয়াচউদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাবনে যে অসমত উৎপাদিত তেল অসমতে বিতৰণ কৰি অসমৰ মানুহৰ চাহিদা পুৰণ কিয় কৰিব নোৱাৰে ?

* ডাঃ অর্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা সর্ব ভাৰতীয় পলিচি, মই ইয়াৰ উত্তৰ অকলে দিব নোৱাৰিম ।

* শ্রী গিয়াচউদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বাইজৰ কাৰণে কিমান তেলৰ প্রয়োজন আৰু ক'ত কিমান উৎপাদন হয় জনাব নেকি ?

* শ্রী গহীন চন্দ্র দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিভাগীয় মন্ত্রী মহোদয়ে তেলৰ নাটনিৰ সন্দর্ভত সকলো কথাই জানে আৰু আজি শতকৰা ৫০ অংশ কেৰাচিন তেলেই বাহিৰত দামত বিক্রী হয় বা সুলভ মুল্যৰ দোকানীয়ে ব্লেক মার্কেটত বিক্রী কৰে এই কথা জানিও কিয় কঠোৰ ব্যৱস্থা গ্রহণ কৰা নাই । অধ্যক্ষ মহোদয়, এই দুর্নীতি আৰু কিমান দিন চলি থাকিবলৈ দিয়া হ'ব ? আৰু যদি কিবা সু-ব্যৱস্থা লৈছে কেনে ধৰণৰ ব্যৱস্থা লৈছে এই সদনতে জানিবলৈ দিব লাগে।

* ডাঃ অর্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৪ চনৰ এপ্রিলৰ পৰা ১৯৯৫ চনৰ জানুৱাৰী মাহলৈকে ১ লাখ ৮২ হেজাৰ লিটাৰ তেল ৪ লাখ ৯০ হেজাৰ ৬ শ টকাত বিক্রী কৰা হয় ।

---

* Speech not corrected

* শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়, আগতে ৪৪ হেজাৰ ৯ শ ২৭ মেট্রিক টন দিয়া বুলি কৈছে। প্রশ্নোত্তৰ প্রসংগত ৩০ হেজাৰ মেট্রিক টন বুলি কলে। দুয়োটা উত্তৰৰ মাজত পার্থক্য আছে। মন্ত্রী মহোদয়ৰ পৰা আমি ৰেট জানিব বিচৰা নাই, পৰিমাণহে জানিব বিছাৰিছো। শুদ্ধ উত্তৰটো মন্ত্রীয়ে দিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী ডাঙৰীয়াই যদি প্রকৃততে নেজানে বিচাৰ কৰি পিচত উত্তৰ দিম বুলি ক'ব লাগে, কিন্তু ভুলকে উত্তৰ দিয়ে কিয় ?

* শ্রী চন্দ্র মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যি খিনি খেলি মেলি তেলৰ ক্ষেত্রত চলি আছে, সেইটো যাতে ভৱিষ্যতে নহয় তাৰ বিষয়ে ব্যৱস্থা লবলৈ এই সদনতে এটা ৰিজলিউচন ল'ব লাগে।

মাননীয় অধ্যক্ষ ঃ কি ৰিজলিউচন লোৱা হ'ব এতিয়াই ক'ব নোৱাৰি। হাউচত ৰিজলিউচন লোৱাৰ এটা ৰোল আছে। নিয়ম অনুযায়ীহে কৰিব পাৰি। There is a procedure of making a resolution. If you can fulfil the condition you can make a resolution. Now stared question No. 88. Minster of Employment to reply.

Re : SITE FOR I.T.I.

Shri Mission Ranjan Das and
asked
Shri Rampyre Rabidas

* **88.** Will the Minister of Employment be pleased to state:

(a) Whether the Govt. has selected site for constructing the proposed I.T.I . in Karimganj District ?

(b) If yes, give the names of the proposed site and when its construction will be started ?

(c) If not state reasons thereof ?

(d) Whether new trades will be introduced in the present rented I.T.I at Karimganj if yes what will be these trades and if not state reasons thereof ?

Shri Silvius Condpan (Minister, Employment) replied :

(a) No.

(b) Does not arise .

(c) Final decision about selection of site could not be taken for not getting the estimates of land development cost and suitability report from P.W.D. The matter has been taken up with Public Works Department .

(d) Because of lack of infrastructural facilities in the hired building no new trades are proposed to be introduced at present.

* **Shri Misson Ranjan Das :** Hon'ble Speaker Sir, in Karimganj District we have given alternative proposal for a site but this Government is not selecting the site for construction of I.T.I. Now I ask the Hon'ble Minister whether the Government will select site for entire Karimganj District within 1995-96 within the next financial year.

* **Shri Silvius Condpan (Minister, Employment) :** Hon'ble Speaker Sir, regarding finalisation of site, the process has already been started as per the directive from the Govt. of India.

(Starred Question Nos 89 to 100 could not be taken up as the Question Hour was over. However the said Questions deemed

to have been on the table of the House with replies there to.)

বিষয়ঃ পানী উলিওৱাৰ ব্যৱস্থা ।

শ্রী মতী ৰুপম কুৰ্ম্মীয়ে সুধিছেঃ

* ৮৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চৰকাৰ এই বিষয়ে অৱগতনে যে যোৱহাট জিলাৰ মৰিয়নী সমষ্টিৰ নামচেচু নগাজান, খট পথাৰ - বঙালী গাওঁ হালোৱা পথাৰ এই বিস্তীর্ণ অঞ্চলৰ ২৫০ বিঘা মাটি সদায় পানীৰে উপচি থাকে, ফলত ৰাইজে খেতি কৰিব নোৱাৰে ?

(খ) এই অঞ্চলৰ বর্তমান থকা নলাটোৰে এই বিস্তীর্ণ অঞ্চলৰ পানী উলিয়াই নি জলোৎসাৰণ কৰাৰ দিহা কৰিব নেকি ?

শ্রী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) জলসিঞ্চন বিভাগত তেনে কোনো তথ্য নাই ।

(খ) জলোৎসাৰণ কৰাৰ কাম জলসিঞ্চন বিভাগে নকৰে ।

বিষয় ঃ কৃষি বিভাগৰ ট্রেক্টৰ ।

শ্রী হিতেন্দ্র নাথ গোস্বামীয়ে সুধিছেঃ

*৯০। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চৰকাৰী ট্রেক্টৰ কৃষি বিভাগে খেতিয়কক কি স্বত্বত যোগান ধৰে ?

(খ) যোৱহাট কার্য্যবাহী কৃষি অভিযন্তা কার্য্যলয়ত বর্ত্তমান মুঠ অক্ষম হৈ থকা ট্রেক্টৰ আৰু সক্ষম হৈ থকা ট্রেক্টৰ সংখ্যা কিমান । এই কার্য্যলয়ত কিমানজন লোক এই ট্রেক্টৰ সমূহৰ লগত পৰোক্ষ বা প্রত্যক্ষভাৱে নিযুক্তি পাই আছে ?

(গ) এই কার্য্যলয়ত নতুন মাটি চহাব বাবে প্রয়োজনীয় এখনো নাঙল (প্লাউ) সচল হৈ নথকাটো সঁচানে অক্ষম ট্রেক্টৰ আৰু নাঙল সমূহ সক্ষম কৰি তোলাৰ বাবে চৰকাৰৰ আঁচনি কি ?

* Speech not corrected

(ঘ) যোৱহাটত ২৬-৬-৯৪ আৰু ২৮-৭-৯৪ত কৃষি বিভাগৰ দ্বাৰা অনুষ্ঠিত ৬ টা নিম্ন সহায়কৰ পদৰ লিখিত আৰু মৌখিক পৰীক্ষাৰ চূড়ান্ত ফলাফলত আপত্তি দৰ্শাই জিলা নিয়োগ কার্য্যলয়ৰ এজন বিষয়াই ডি পি ওৱাই /এচি -১/২১৪৪-৪৯ দেটেড ১৭-৯-৯৪ চিঠিৰ যোগেদি কৃষি সঞ্চালককে ধৰি সংশ্লিষ্ট সকলোলৈকে দিয়া চিঠিখনৰ সন্দর্ভত চৰকাৰৰ মন্তব্য কি (চিঠিখনৰ প্রতিলিপি সদনত দাখিল কৰিব)।

চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কৃষি বিভাগে কৃষক সকলক ট্রেক্টৰ ভাড়াত দিয়ে।

এদিনৰ ভাড়া ৩৭২ টকা। আধা দিনৰ ভাড়া ২০০ টকা।

ইয়াৰ উপৰিও ডিজেল, মবিল, খেতিয়কে নিজে বহন কৰিব লাগে।

(খ) যোৱহাটৰ কৃষি অভিযন্তা কার্য্যালয়ত - যোৱহাটত ৩ খন আৰু গোলাঘাটত ৫ খন মুঠ ৮ খন সক্ষম ট্রেক্টৰ আছে। অক্ষম ট্রেক্টৰৰ ক্ষেত্রত যোৱহাটত ৫ খন আৰু গোলাঘাটত ৫খন মুঠ ১০ খন অক্ষম ট্রেক্টৰ আছে।

ট্রেক্টৰ সমূহৰ লগত পৰোক্ষভাৱে ৮ জন আৰু প্রত্যক্ষভাৱে ২৮ জন কর্ম্মচাৰী নিযুক্তি পাই আছে।

(গ) নাঙল সচল হৈ নথকাটো সঁচা নহয়। ১০ খন অক্ষম ট্রেক্টৰৰ ভিতৰত ২ খন একেবাৰে বেয়া। বাকী ৮ খন ভাল কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(ঘ) যোৱহাটত ৬ টা নিম্ন বর্গৰ সহায়ক পদৰ বাচনি সম্পর্কত নিয়োগ কার্য্যালয়ৰ DDJ/SC -1/ 94/ 2144/ 49 dtd . 17 .9 .94 নম্বৰৰ চিঠিৰ প্রতি চৰকাৰ অৱগত।

এই বিষয়ে বিভাগীয় অনুসন্ধান কৰি ব্যৱস্থা লোৱা হৈছে । যুটীয়া সঞ্চালক আৰু জিলা কৃষি বিষয়াৰ পৰা জবাবদিহি বিছৱা হৈছে । বিধি মতে ব্যৱস্থা লোৱা হ'ব । চিঠিখনৰ প্রতিলিপি সদনৰ মেজত দিয়া হ'ল । (See the Annexure-II)

Re: Ceiling Act.

Shri Holiram Terang and
Shri Babu Rongpi asked

* 91 .Will the Minister of Revenue be pleased to state :

(a) Whether the Ceiling Act has been implemented in the State ?

(b) How much land was found as ceiling surplus ?

(c) How much ceiling surplus land was distributed so far?

Shri Mukut Sarma (Revenue Minister) replied :

(a) Yes, except in 2 Hill Districts .

নোহোৱাকে চৰকাৰে পোনপটীয়াকৈ আৱণ্টন /পট্টন দিছে জনাবনে ?

শ্রী মুকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১) বৰহলা বিল (মীনমহল)

২) কালশিলা বিল ।

৩) চিঙাহলা বিল ।

৪) বৰচলা বিল ।

৫) সৰুচলা বিল ।

(খ) জলাশয় হিচাবে সংৰক্ষিত নহয়, গোচৰণীয়া পথাৰ হিচাবেহে সংৰক্ষিত

(গ) কেইটামান দিয়া হৈছে ।

* Speech not corrected

(ঘ) মুঠ ১৩৮ বিঘা ২ কঠা ৫লেচা মাটি মালিকক উভতাই দিয়া হৈছে।

(ঙ) ১৯৯৪-৯৫ ভিতৰত ভূমি উপদেষ্টা সমিতিত উত্থাপন নকৰাকৈ বিভিন্ন অনুষ্ঠান/ প্রতিষ্ঠান ১৫ বছৰ বা ততোধিক কাল দখলত থকা ব্যক্তিক ৭১৪ বিঘা ২ কঠা ১২ ১/২ লেচা মাটি চৰকাৰৰ অনুমোদন ক্রমে আৱণ্টন পট্টন দিয়া হয়।

বিষয়ঃ কৃষি বিকাশ কেন্দ্রৰ ব্যৱস্থা গ্রহণ।

শ্রী ৰেণুপমা ৰাজখোৱাই সুধিছেঃ

* ৯৩। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ অন্তর্গত কৃষি বিকাশ কেন্দ্রটো বন্ধ হৈ থকাৰ কথা চৰকাৰে জানেনে?

(খ) যদি জানে ইয়াৰ কিবা ব্যৱস্থা গ্রহণ কৰিছেনে ?

(গ) কৃষি বিকাশ কেন্দ্রত মাষ্টাৰ ৰোলত কাম কৰি থকা শ্রী অজিত কলিতা বর্ত্তমানে ক'ত কাম কৰি আছে ?

(ঘ) যোৱা ১৯৯৩ -৯৪ বছৰত প্রৱল ধুমুহা বতাহত কৃষি বিকাশ কেন্দ্রটো বিস্তৰ ক্ষতি সাধন হোৱাৰ পিছত মন্ত্রী মহোদয়াই ইয়াৰ মেৰামতিৰ বাবে প্রয়োজনীয় ধন দিয়াৰ পিচটো ইয়াৰ কোনো কাম হোৱা নাই এই কথা মহোদয়ৰ জ্ঞাতনে?

* চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) ১৯৯৩ চনৰ জানুৱাৰী মাহৰ পৰা টীয়ক সমষ্টিৰ অন্তর্গত থকা কৃষি বিকাশ কেন্দ্রটো চলি আছে।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্নমতে শ্রী অজিত কলিতাই টীয়ক কৃষি বিকাশ কেন্দ্রত কাম কৰা নাছিল। ১৯৮৮ চনত ১০ মাহৰ বাবেহে শ্রী কলিতাই যোৰহাট কৃষি কাৰখানাত কাম কৰিছিল। বর্ত্তমানে তেওঁ কৃষি বিভাগত কাম কৰি থকা নাই।

(ঘ) পৰিকল্পনাৰ ধন কৰ্ত্তন কৰা হেতুকে ১৯৯৩-৯৪ চনত কৃষি বিকাশ কেন্দ্ৰৰ মেৰামতিৰ কাম কৰা হোৱা নাছিল।

এই বছৰ ১,৫৫,৬৫০/- (এক লাখ পাচপন্ন হাজাৰ ছয়শ পঞ্চাশ টকা) মাত্ৰ মেৰামতিৰ বাবে ধৰা আছে, ধন পালে মেৰামতি কৰা হ'ব।

বিষয় ঃ মাটিৰ পট্টন।

শ্ৰী চন্দন কুমাৰ সৰকাৰে, সুধিছে :

*৯৪/ মাননীয় ৰাজহ আৰু ভূমি সংস্কাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰ অঞ্চলত কিমানজন ব্যক্তিক এতিয়ালৈকে ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ খাস মাটিৰ পট্টন দিয়া হৈছে জিলা ভিত্তিত এটি তালিকা সদনত জমা দিব নে?

(খ) অনুসূচীত জাতিৰ কিমান জন ভূমিহীন ব্যক্তিক ১৯৯১ চনৰ পৰা আজিলৈকে ভূমিমাটি (এন. আৰপি) দিয়া হৈছে মহকুমা ভিত্তিত এটি তালিকা সদনত দাখিল দিব নে?

(গ) যোগীঘোপা ৰেলৰে ব্ৰীজৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ কিমানজন ব্যক্তিক ক্ষতিপূৰণ দিয়া হৈছে জনাব নেকি?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) গুৱাহাটী মহকুমা আৰু গোৱালপাৰা জিলাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি চৰ অঞ্চলত এতিয়ালৈকে মাটি পট্টন দিয়া হোৱা নাই।

(খ) ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে ন্যুনতম চাহিদা আঁচনিৰ অধীনত কামৰূপ জিলাৰ গুৱাহাটী মহকুমাত ১৪৭ বিঘা ২ কথা ৪ লেচা মাটি ভূমিহীন অনুসূচীত জাতিৰ লোকক আবন্টন কৰা হ'ল। তালিকা লগত সংলগ্ন কৰা হ'ল। (See the Annexure-III)

(গ) যোগীঘোপা ৰেলৰে ব্ৰীজৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ বাবদ ২৩ জন লোকক ক্ষতিপূৰণ দিয়া হৈছে।

বিষয় ঃ পুনঃ সংস্থাপন।

শ্ৰী মুজিবুৰ ৰহমানে সুধিছে ঃ

* ৯৫/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলাৰ মৈৰাবাড়ী মৌজাৰ আজিলৈকে কিমান খন গাওঁ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত

* Speech not corrected

জাহ গৈছে? ইয়াৰ ফলত কিমান মানুহ ভূমিহীন হৈছে আৰু তাৰে কিমান পৰিয়াল আৰু মানুহৰ পুনঃ সংস্থাপন কৰা হৈছে।

(খ) নগাওঁ জিলাৰ বৰবিলৰ গৰাখহনীয়াত ক্ষতিগ্রস্ত হোৱা মানুহৰ সংখ্যা কিমান? এই মানুহ খিনিক ক্ষতিপূৰণ দিয়াৰ কি ব্যৱস্থা কৰা হৈছে?

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) বিতং তথ্য সংগ্রহ কৰি থকা হৈছে।

বিষয় ঃ M.N.P. আঁচনিৰ ৰাস্তা।

ডাঃ কমলা কলিতাই সুধিছে ঃ

* ৯৬/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ছয়গাওঁ ৰাজহ চক্রৰ ১৯৯২-৯৩, ১৯৯৩-৯৪ চনৰ M.N.P. আঁচনিৰ হিতাধিকাৰী সকলক মাটি আৰু টকা দিয়া হ'ল নেকি?

(খ) যদি হৈছে, তেন্তে কেতিয়া দিয়া হ'ল তেওঁলোকৰ নাম জনাব?

(গ) যদি দিয়া হোৱা নাই, তেন্তে কিয় দিয়া নাই?

* শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ছয়গাওঁ ৰাজহ চক্রৰ ১৯৯২-৯৩ চনৰ M.N.P. আঁচনিৰ সাধাৰণ শ্রেণী আৰু জনজাতীয় শ্রেণীৰ হিতাধিকাৰী সকলক মাটিৰ আৱন্টন পত্র আৰু আর্থিক সাহায্য দিয়া হৈছে। অনুসূচীত জাতিৰ হিতাধিকাৰী সকলৰ তালিকা সংশ্লিষ্ট বোর্ডৰ পৰা আনুমোদন নোপোৱাৰ বাবে মাটিৰ আৱন্টন পত্র আৰু আর্থিক সাহার্য্য দিয়া হোৱা নাই। ১৯৯৩-৯৪ চনৰ বাবে বিতৰণ কৰা হোৱা নাই।

(খ) আনুসূচীত জাতিৰ বাহিৰে সাধাৰণ শ্রেণী আৰু জনজাতীয় শ্রেণীৰ হিতাধিকাৰী সকলক ইং ২১/৯/৯৪ তাৰিখে বিতৰণ কৰা হৈছে। হিতাধিকাৰী সকলৰ তালিকা সদনৰ মেজত ৰখা

হ'ল। (See the Annexure-IV)

(গ) ১৯৯২-৯৩ চনৰ আনুসূচীত জাতিৰ হিতাধিকাৰী সকলৰ তালিকা সংশ্লিষ্ট বোৰ্ডৰ পৰা অনুমোদন নোপোৱাৰ বাবেহে তেওঁলোকৰ মাজত মাটি আৰু আৰ্থিক সাহায্য বিতৰণ কৰা হোৱা নাই।

Re : Tea Garden Labour Shot Dead.

Shri Babu Rongpi
Shri Dipendra Rongpi asked

* 97. Will the Minister of Lobour be pleased to state :

(a) Whether it is a fact that two tea garden labourers were shot dead in eha Tea Garden in Jorhat dist.on 18th January, 1995?

(b) How the incident happened?

(c) Is any enquiry being made?

(d) Whether any compensasion was offered to the victims families?

Shri Dileswar Tanti (Minister, Lobour) replied :

(a) Yes, two persons were killed in police firing in Deha Tea Estate in Jorhat Dist. on 18/1/95.

(b) The workers were on strike on the day of incident and had as sembled in the premises of the labour club to hold meeting.While the Manager, Deha Tea Estate, Mr. Rajendra Pathak was passing by in his car towards his bunglow, some people assembled in the aforesaid meeting tried to stop him on the spot failing which they started pelting stones towards the car. The Manager of panic did not stop and instead of proceedig towards the bunglow man aged to go out of the garden. Some people started pushing towards the manager's bunglow where

the Manager's wife was alone. Some one managed to inform Lahdoigarh police outpost over telephone. A police party consisting of seven persons led by the incharge of Lahdoigarh police out-post rushed to the Garden. As soon as the police party arrived some people started pelting stones reportedly attacked with bows & arrows etc. This police party had to resort to firing killing two persons.

(c) Yes, the Deputy Commissioner, Jorhat has ordered a magistarial enquiry in the matter. The Magistarial enquiry is in progress.

(d) Yes, The Deputy Commissioner, Jorhat granted relief at the rate of Rs.5000/- each to the next to kins of the deceaseds. The management of Deha Tea Estate also in accordance with the terms of conciliation dated 20/1/95 granted relief to both the victim families at the rate of Rs. 5000/- each.

বিষয় ঃ ভূমকি জলসিঞ্চন আঁচনি।

শ্রী সুৰেন স্বর্গীয়াৰীয়ে সুধিছে ঃ

* ৯৮/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বজালী মহকুমাৰ জলসিঞ্চন বিভাগৰ কার্য্যবাহী অভিযন্তাৰ অধীনত ভূমকি জলসিঞ্চন আঁচনিৰ মূল বান্ধটো ধ্বংসপ্রাপ্ত হোৱাৰ উপক্রম হৈছে-এই বিষয়ে চৰকা অৱগতনে?

(খ) যদি অৱগত- বান্ধটো মেৰামতি কৰাৰ বাবে চৰকাৰে কিমান টকা ধার্য্য কৰিব নেকি ?

(গ) ১৯৯৫-৯৬ বিত্তীয় বছৰত বান্ধটো সম্পূর্ণ মেৰামতি কৰি পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব নেকি

(ঘ) যদি নকৰে-তাৰ কাৰণ কি জনাবনে?

শ্রী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মূল বান্ধটোৰ বিস্তৃত মেৰামতিৰ প্রয়োজনৰ বিষয়ে জলসিঞ্চন বিভাগ অৱগত।

* Speech not corrected

(খ) বান্ধটো মেৰামতিৰ বাবে ৫৪,২০ লাখ টকা ধার্য্য কৰা হৈছে।

(গ) বড়ো স্বায়ত্ব শাসিত পৰিষদৰ পৰা প্রয়োজনীয় বিত্তীয় আবন্টন সাপেক্ষে বান্ধটো ১৯৯৫-৯৬ চনত সম্পূর্ণ মেৰামতি কৰি পানী যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ লক্ষ্য ৰখা হৈছে।

(ঘ) ওপৰৰ উত্তৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

বিষয় ঃ চৰকাৰী মাটি প্রদান।

শ্রী ভৃগু কুমাৰ ফুকনে সুধিছে ঃ

* ৯৯/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) তেজপুৰৰ শ্রী সতীশ দাস নামৰ এজন ব্যক্তিক ভূমিহীন নামত কিমান বাৰ আৰু কিমান পৰিমানৰ চৰকাৰী মাটি দিয়া হৈছিল?

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) তেজপুৰৰ শ্রী সতীশ দাস নামৰ লোকজনক তিনিবাৰ মাটি দিয়া হৈছিল। প্রথমবাৰ চাৰি বিঘা আঠ লেচা চিলিং উদ্ধৃত মাটি ১৯৭৬ চনত আৱন্টন কৰা হয়। পুনৰ ১৯৮৭ চনত তিনি বিঘা ধর্ম্মানুষ্ঠানৰ পৰা অধিগৃহীত মাটি পট্টন দিয়া হয়। তৃতীয়বাৰ সাত বিঘা এক কঠা আঠ লেচা ধর্ম্মানুষ্ঠানৰ পৰা অধিগৃহীত মাটি ১৯৯০ চনত পট্টন দিয়া হয়। ধর্ম্মানুষ্ঠানৰ পৰা ধর্ম্মানুষ্ঠান ভূমি অধিগ্রহণ আইন (The Assam State Acquisition of lands belonging to Religious or Charitable Institution of public Nature Act, 1959) ১ অধীনত মাটি অধীগ্রহণ কৰা হৈছিল।

বিষয় ঃ অগ্নিকাণ্ডত দোকান ভস্মিভূত।

শ্রী বদন বৰুৱাই সুধিছে ঃ

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সচাঁ।

---

* Speech not corrected

(খ) ৫ খন ভস্মিভূত দোকানৰ ক্ষয়-ক্ষতিৰ আনুমানিক মূল্য ৪,৪০,০০০.০০ (চাৰি লাখ চল্লিশ হাজাৰ) টকা আছিল।

(গ) উক্ত দোকানকেইখনৰ চৰকাৰী মাটিত অৱস্থিত হোৱা হেতুকে অসম সাহায্য নিয়মাৱলী অনুসৰি সাহায্য পোৱাৰ যোগ্যতা নাই।

(ঘ) হয়। হাজো মৌজাৰ উখুৰা গাওঁৰ মঃ ইদু আলিৰ পুত্ৰ আলিমুদ্দিন আহমেদৰ মৃত্যু হয়।

(ঙ) অগ্নিকাণ্ডৰ কাৰণ সম্পৰ্কে অনুসন্ধান চলি আছে।

UNSTARRED QUESTIONS AND ANSWERS

Re:Minimum Wages.

Shri Sasha Kamal Handique asked:

195. Will the Minister, Labour be pleased to state :

(a) When the Minimum Wages for Tea Workers will be published ?

(b) When the Minimum Wages Board for tea workers submitted its reports of the Government?

(c) Whether there are any policy of the Government for declaring the minimum wages for private transport workers ?

(d) If so, when the minimum wages will be declered ?

Shri Dileswar Tanti (Minister Labour replied).

(a) Question of publication has not arisen, as the minimum wages has not been fixed yet.

(b) In view of the replies at (a) above, the question doesnot arise.

(c) It is not a matter of policy, but there are provisions of Law

which provide fixation of Minimum Wages for private Transport Workers.

(d) Question of declaring wages does not arise. It would be notified as soon as recommenations of the Minimum Wages Board is recieved.

(Unstarred Question No. 196 was deferred)

বিষয় ঃ ২৮/ ২/ ৯৪ ইং তাৰিখৰ সঞ্চালকৰ চিঠি ।

শ্ৰী জীউৰাম বড়োই সুধিছে ঃ

১৯৭/ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মীন বিভাগলৈ অসমৰ ভৈয়ামৰ অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ কল্যাণ বিভাগৰ সঞ্চালক মহোদয়ে পঠোৱা ইং ২৮/ ২/ ৯৮ তাৰিখৰ স্মাৰক নং ডি ডব্লিউ উ ১০৬ / ৯৪/ ১৯০৪৩ চিঠিখনৰ বিষয়ে অৱগত নে ?

(খ) যদি অৱগত ইয়াৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল ?

(গ) মহোদয়ৰ বিভাগে বিশ্ব বেংকৰ পৰা সাহায্য পোৱাটো সঁচা নেকি ?

(ঘ) যদি সঁচা হয় কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰী চিলবিউছ কন্দপান (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ভৈয়ামৰ অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কল্যাণ বিভাগৰ সঞ্চালক মহোদয়ে পঠোৱা ইং ২৮/ ২/ ৯৪ তাৰিখৰ স্মাৰক নং ডি ডব্লিউ উ ১০৬/ ৯৪/ ১৯০৪৩ চিঠিখন মীন বিভাগৰ হাতত পৰা নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) এই পৰ্য্যন্ত মীন বিভাগে বিশ্ব বেংকৰ পৰা কোনো সাহায্য পোৱা নাই ।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ অসমত মাছৰ উৎপাদন

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

১৯৮/ মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯২-৯৩, ১৯৯৩-৯৪ আৰু ৯৪-৯৫ চনৰ বছৰ কেইটাত অসমত কিমান মাছ উৎপাদন হৈছিল, জনাবনে?

(খ) উক্ত বছৰ কেইটাত উৎপাদিত হোৱা মাছ অসমৰ জনসাধাৰণৰ বাবে যথেষ্ট আছিল নেকি ?

(গ) যদি নাই, তেনেহলে উক্ত বছৰ তিনিটাত অসমৰ বাহিৰৰ পৰা বিভাগে নতুবা বেচৰকাৰী অনুষ্ঠান বা ব্যক্তিয়ে কিমান টকাৰ মাছ বাহিৰৰ পৰা আমদানি কৰিছে জনাবনে ?

(ঘ) বছৰি অসমত কিমান মাছৰ উৎপাদন আৰু উক্ত প্রয়োজনীয় মাছ অসমতেই উৎপাদন কৰাৰ বাবে চৰকাৰে কি আঁচনি গ্রহণ কৰিছে জনাবনে ?

শ্রী চিলবিউছ কন্দপান (মীন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩, চনত এক লাখ চল্লিশ হাজাৰ মেট্রিক টন, ১৯৯৩-৯৪ চনত এক লাখ একাৱন্ন হাজাৰ ছয়শ চিয়াল্লিশ দশমিক আঠাৱন্ন মেট্রিক টন আৰু ১৯৯৪-৯৫ চনৰ জানুৱাৰী মাহলৈকে এক লাখ বিশ হাজাৰ মেট্রিক টন মাছ অসমত উৎপাদন হৈছে।

(খ) চাহিদা অনুপাতে যথেষ্ট নাছিল।

(গ) মীন বিভাগে অসমৰ বাহিৰৰ পৰা মাছ আমদানি নকৰে। সংগ্রীহিত তথ্য মতে বেচৰকাৰী অনুষ্ঠান বা ব্যক্তিয়ে অসমৰ বাহিৰৰ পৰা ১৯৯২-৯৩ চনত প্রায় ৩৮ কোটি টকা আৰু ১৯৯৩-৯৪ চনত প্রায় ৫১ কোটি টকা আৰু ১৯৯৪-৯৫ চনৰ জানুৱাৰী মাহলৈকে প্রায় ৪৯ কোটি টকা অর্থাৎ উক্ত তিনিটা বছৰত মুঠ ১৩৮ কোটি টকাৰ মাছ আমদানি কৰিছে।

(ঘ) বছৰি অসমত দুই লাখ একৈশ হাজাৰ মেট্রিক টন মাছৰ প্রয়োজন হয়। উক্ত প্রয়োজনীয় মাছ অসমতেই উৎপাদন কৰাৰ বাবে চৰকাৰে নিম্নলিখিত আঁচনি সমূহ গ্রহণ কৰিছে ঃ

১) অসমৰ প্রতিখন জিলাত " মীন পালক উন্নয়ন সস্থা " স্থাপন কৰা হৈছে। এই সস্থাৰ দ্বাৰা যিকোনো সম্প্রদায়ৰ লোকক প্রশিক্ষণ দি বেংকৰ ঋণৰ জৰিয়তে বা অবিহনে চৰকাৰী ৰাজ

সাহায্যৰ জৰিয়তে পুখুৰী সংস্কাৰ সাধন কৰি বা নতুন পুখুৰী খান্দি বৈজ্ঞানিক পদ্ধতিৰে মাছ পালনৰ ব্যৱস্থা কৰা হৈছে।

২) পতিত জলাশয় সমূহৰ উন্নতি সাধন ঃ

ৰাজ্যখনৰ প্ৰতি জিলাতে এনেয়ে পৰি থকা জলাশয় সমূহৰ উন্নতি সাধন কৰি এই আঁচনিৰ জৰিয়তে অধিক মাছ উৎপাদনৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে। এই আঁচনিৰ অধীনত ২০ বিঘা বা তাৰ উপৰৰ পৰিত্যক্ত জলাশয়ৰ উন্নয়নৰ দ্বাৰা অধিক মাছ উৎপাদনৰ ব্যৱস্থা লোৱা হৈছে। এই বিষয়ত ৰাজহ বিভাগে ২০ বিঘা বা তাৰ উপৰৰ জলাশয় সমূহ মীন মহললৈ পৰিবৰ্ত্তন কৰিবলৈ প্ৰয়োজনীয় নিৰ্দ্দেশ জাৰী কৰিছে।

৩) অসমৰ প্ৰাকৃতিক জলাশয় যেনে, বিল আদি উন্নতি সাধনৰ বাবে " অসম মীন উন্নয়ন নিগম স্থাপন কৰা হৈছে। মীন উন্নয়ন নিগমে বিশ্ব খাদ্য আঁচনি"ৰ জৰিয়তে বিল সমূহৰ সংস্কাৰ সাধন আৰু উন্নতি সাধন কৰি অধিক মাছ উৎপাদনৰ ব্যৱস্থা লৈছে।

৪) চৰকাৰে আঠ বছৰীয়া পৰিকল্পনাবে বিশ্ব বেংকৰ পৰা মীন উন্নয়নৰ বাবে ৩০ কোটি টকাৰ ঋণ বিছাৰিছে। আৰু ১৯৯৫-৯৬ চনত ইয়াৰে ৫ দশমিক ৪৯ কোটি টকাৰ প্ৰাৰম্ভিক আঁচনিৰ অধীনত ২০০ হেক্টৰ জলভাগৰ বিপৰীতে ৮০০ টা মীন পুখুৰী, ৩০০ হেক্টৰ জলভাগৰ ১৫০ টা সমূহীয়া পুখুৰী আৰু ৫০০০ হেক্টৰ জলভাগৰ ৫০ টা বিল ফিছাৰী স্থাপনৰ কাৰিকৰী ব্যৱস্থা লোৱা হৈছে।

Re : LAND PURCHASE BY A.S.K.S.

Shri Samarendra Nath Sen asked :

199. Will the Minister of Revenue be pleased to State :

(a) Is it a fact that there is one "ARUNACHAL SAMAJ KALYAN SAMITI", Srikona in Cachar District ?

(b) Is it a fact that the Samiti Purchased about 3400 bigha of lands from Late Ramendra Mohan Das and others ?

* Speech not corrected

(c) Is it a fact that out of the said lands the Government acquired 2329 bighas and the Samiti filed civil Rule No 2691/92 before the Hon'ble Guwahati High Court against the Government and the Government expressed there willingness to settle up the matter by offering residual portion of the acquired lands to the Samiti ?

(d) Is it a fact that accordingly a Joint Survey was held both by the Samiti and the Settlement Staff of the Government and about 600 bighas of land were found available for settlement to the Samiti ?

(e) Is it a fact that the Settlement Officer, Silchar vide his Memo No. CSO-159/93-94/P III dated 3-2-94 sent specific proposal to the Government for settlement of 600 bighas to the Samiti ?

(f) If so, what is the reasons for not yet granting settlement of said lands to the "ARUNACHAL SAMAJ KALYAN SAMITI"?

Shri Mukut Sarma (Minsiter of Revenue) replied :

(a) Yes.

(b) The Samiti purchased land measuring 3180 bigha 8 Katha 4 Chatak from Ramendra Mohan Das and others.

(c) Land measuring 2329 Bighas 9 Katha 6 Chatak was acquired by the Govt.

Civil Rule No. 2691/92 was filed by the Samiti against the Govt.

* Speech not corrected

No such Govt. commitment was made to Honourable Gauhati High Court. But Deputy Commissioner, Cachar was asked to examine as to whether land can be alloted to members of the Samiti @ 2 bighas each.

(d) Survey was made.

(e) Yes.

(f) As per existing land policy, the maximum limit of area of land that can be settled with an individual in town is 5.50 ares (approximately 2 kathas) only. But total member of Samiti is 220 and they are demanding 600 bighas in town which is contrary to the land policy. Moreover maximum number of members are from Meghalaya and not from the State. Again a High Court case is pending.

বিষয় ঃ খৰাং বতৰত ফচল বিনষ্ট ।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

২০০/ মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ বিভিন্ন অঞ্চলত খৰাং বতৰত আৰু বানপানীত কৃষকৰ ফচল বিনষ্ট হোৱাটো চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, ক্ষতিপূৰণৰ বাবে ৰবি শষ্যৰ বিধান যোগান ধৰা হৈছেনে ?

(গ) যদি যোগান ধৰা হৈছে, কিমান টকাৰ কি কি বিধান যোগান ধৰা হৈছে (জিলা ভিত্তিত জনাব) ?

(ঘ) যদি যোগান ধৰা হোৱা নাই, তাৰ কাৰণ কি ?

* Speech not corrected

চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) বানপানীত ক্ষতি হোৱা ক্ষেতিৰ ক্ষতিপূৰণৰ বাবে অকল ধেমাজী জিলাত চৰকাৰে খাৰিফ বতৰত ১ (এক) লাখ টকা অনুদান দিয়ে । ক্ষতিপূৰণৰ বাবে ৰবি শষ্যৰ বিধান দিয়া হোৱা নাই।

(গ) প্রশ্ন নুঠে ।

(ঘ) অনুদান নোপোৱাৰ বাবে যোগান ধৰা হোৱা নাই ।

Re : Allotment of Govt. land to the Telecom Deptt,

Shri Rampyre Rabidas asked :

201. Will the Minister of Revenue be pleased to state :

(a) Whether Govt. has alloted Govt. Khas land to the Tele-communication Department for setting up their proposed Office Complex at Ramkrishna Nagar in Karimganj District ?

(b) If yes, how many bighas and when ?

(Mentioning Mouza & Dag No.)

(c) If not, why? State clearly what are the hindrances, which made it delay ?

(d) Whether Government will direct the Karimganj distric

* Speech not corrected

authority to expedite the process of handing over the land to the Tele Communication Department in public interest ? If yes, please enclose a copy of the letter containing such direction.

Shri Mukut Sarma (Minister of Revenue) replied :

(a) Yes.

(b) 5 (five) bighas ceiling surplus land covered by old Dag No 107 (Kha), New Dag No 63 in Mouza Kalinagar part III on 1-12-94.

(c) Does not arise.

(d) Possession of land has already been handed over on 5th Dec.' 94 to Tele-communication Department.

Re : Supply of concessional rice.

Shri Kali Ranjan Deb asked :

202 Will the Minister of Food & Civil Supplies be pleased to state :

(a) Whether concessional rate rice @ Rs. 2/- per K.G. is being supplied to all the deserving families in the State of Assam regularly, since the date of its inception?

(b) What is the total requirement of rice per month for this purpose and total nos. of families benefited in the state (District wise figure may be shown separately.)

(c) How much quantity has actually been lifted by the GPSS of Cachar district during the period from January 1994 to January 1995 and what was the allotment for each GPSS (month wise

allotment and lifting of each GPSS may be shown separately for above period)

Dr. Ardhendu kr. Dey (Minister, Food & Civil Supplies) replied :

(a) 4 Lakh poorest families among the poor are supplied.

(b) 6400 MT rice per month are required and 4 (four) lakhs families have been benefited under the scheme (Subdivision wise list is placed on the table of the House).

(c) 6390.55 Quintals of rice were lifted by the GPSS in Cachar District during January '94 to January "95 (statement showing GPSS wise lifting and allocation position is placed on the table of the House).

বিষয় ঃ ভূমিহীন পৰিয়ালক পট্টা প্ৰদান ।

শ্ৰী চিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে ঃ

২০৩/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পূৱ গুৱাহাটী সমষ্টিত কিমান ভূমিহীন পৰিয়ালক চৰকাৰী ভূমিৰ পট্টা দিয়া হ'ল (বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যলয়ত)

(খ) এনে পট্টাদাৰ সকলৰ তালিকা যুগুত কৰোতে স্থানীয় বিধায়কৰ পৰামৰ্শ লোৱা হৈছিল নে? যদি লোৱা নাছিল তেন্তে কিয় লোৱা হোৱা নাছিল ?

(গ) এনে পট্টা বিতৰণ কৰোতে মাটিৰ মূল্যৰ প্ৰিমিয়াম কি ভিত্তিত নিৰ্ণয় কৰা হ'ল ? দুখীয়া ভূমিহীন পৰিয়ালবোৰৰ বাবে এনে মূল্যৰ নিৰিখ যথেষ্ট উচ্চহাৰৰ হৈছে চৰকাৰে ভাবেনে?

(ঘ) প্ৰকৃত দুখীয়া পৰিয়ালৰ এনে নিৰিখৰ পৰা ৰেহাই দিয়া হ'বনে ?

---

* Speech not corrected.

(ঙ) উক্ত সমষ্টিৰ অন্তৰ্গত কোনো কোনো চৰকাৰী বিভাগক ইতিমধ্যে পট্টন দিয়া ভূমিত নতুনকৈ কোনো কোনো বিশেষ ব্যক্তিক পট্টন দিয়া হৈছে নেকি ? যদি দিয়া হৈছে তেন্তে ব্যক্তি সকলৰ নাম সদনত দাখিল কৰিবনে ?

*শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ কার্য্যকাল চোৱাত পূৰ গুৱাহাটী সমষ্টিৰ মুঠ ২৭৮ টা ভূমিহীন পৰিয়ালক বাসস্থানৰ ঘৰ নির্মাণৰ বাবে পট্টন দিয়া হয় ।

(খ) পট্টনৰ প্রস্তাৱ সমূহ বৃহত্তৰ গুৱাহাটীৰ বিশেষ ভূমি উপদেষ্টা সমিতিৰ অনুমোদন ও চৰকাৰৰ অনুমোদন ক্রমে পট্টনৰ ব্যৱস্থা লোৱা হৈছিল ।

(গ) চৰকাৰৰ ভূমি নীতিৰ ভিত্তিত মাটিৰ মূল্য নির্ণয় কৰা হৈছে । তদুপৰি মাটিৰ মূল্যৰ প্রিমিয়াম নির্দ্ধাৰণ কৰাৰ ক্ষেত্রত প্রত্যেক অঞ্চলৰে চলিত বজাৰ মূল্যলৈ লক্ষ্য ৰাখি ভূমিহীন পৰিয়ালবোৰৰ ওপৰত যাতে মূল্যমানৰ হেচা অধিকভাৱে নপৰে তাৰ প্রতি লক্ষ্য ৰাখিহে বজাৰ মূল্যতকৈ যথেষ্ট কম হাৰত মূল্য নির্দ্ধাৰণ কৰা হৈছে ।

(ঘ) প্রশ্ন নুঠে।

(ঙ) (১) উলুবাৰী মৌজাৰ চহৰ খাৰঘুলী গাওঁৰ ৰেডক্রচ চোচাইটিৰ নামত আৱণ্টন দিয়া মাটি।

(২) উক্ত মৌজাৰ ও গাওঁৰ অসম ৰাজ্যিক গৃহ নির্মাণ পৰিষদৰ নামত আৱণ্টন দিয়া মাটি আৰু ,

(৩) উক্ত মৌজাৰ চহৰ শৰণীয়া ২য় খণ্ডৰ গড়কাপ্তানি বিভাগৰ নামত আৱণ্টন দিয়া মাটি ইয়াৰ লগত সংলগ্ন তালিকাত উল্লেখ কৰা ব্যক্তিসকলৰ নামত পট্টন দিয়া হয়।

পট্টন দিয়া তালিকা এখন ইয়াৰ লগত সংলগ্ন কৰি দিয়া হ'ল।

(See the Annexure - V)

বিষয় ঃ ফার্মৰ শস্য উৎপাদন

শ্রী নগেন শর্ম্মাই সুধিছে ঃ

* Speech not corrected

২০৪/ মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাত সঠামৌত কৃষি বিভাগৰ এখন ফার্ম থকাটো সত্যনে ?

(খ) যদি সত্য, বর্ত্তমান উক্ত ফার্মখনত কি কি শস্য উৎপাদন হয় ।

(গ) ১৯৯১ চন, ১৯৯২ চন, ১৯৯৩ চন, আৰু ১৯৯৪ চনত উৎপাদিত শস্যৰ পৰিমাণ আৰু হিচাপ তালিকা উল্লেখ কৰিবনে ?

চৈয়দা আনোৱাৰ টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় সত্য ।

(খ) সঠামৌত থকা ফার্মখনত মূলতঃ ধান আৰু গুজিতিল (Nizer)উৎপাদন কৰা হয়।

(গ) বিভিন্ন চনত উৎপাদিত শস্যৰ পৰিমাণ ,আয়ৰ হিচাব তলত দিয়া ধৰণে উল্লেখ কৰা হয় -

চন	শস্যৰ নাম	পৰিমাণ (কু)ঃ	আয় (টকা)
১৯৯১-৯২	(ক) ধান	১১২.৬০	৮০,১৭ ৯.০০
	(খ) গুজিতিল	৩.৩০	
১৯৯২- ৯৩	(ক) ধান	১০৪.৩০	৪৫, ৯৮৫.০০
	(খ) গুজিতিল	৩.৪৫	
১৯৯৩ -৯৪	(ক) ধান	১৭৪.৫০	৭৫,৮৩৫.০০
	(খ) গুজিতিল	০.৮০	
১৯৯৪-৯৫	(ক) ধান	৩৮.৬৬	২২ ,৩৯৭.০০
	(খ) গুজিতিল	৫.০ (আনুমানিক)	

Re:Relief and Rehabilitation of surrenders Bodo Militants.

Shri Karendra Basumatary asked:

205/ Will the Minister Relief and Rehabilitation be pleased to state :

(a) How many Bodo Militant surrenders have been so far provided with relief &rehabilitation after the signing of" Bodo Accord " in entire Assam including Martyrs' families during Bodoland agitation as ex-gratia payment as declared by the Government?

(b) AList of the benificiaries in detail may be kindly furnished?

Shri Gopinath Das (Minister of State) replied:

(a) 458. Bodo surrenders have been provided with relief and rehabilitation and 50 Martyrs families have been paid ex-gratia .

(b) List furnished.

(See the Annexure - VI)

বিষয় ঃ জমিৰ পট্টা প্রদান

শ্রী মধু সুদন তেওয়াৰী জিজ্ঞাসা কৰছেনঃ

২০৬/ মাননীয় ৰাজহ বিভাগেৰ মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি ঃ

(ক) ১৯৫০ হইতে ১৯৫৫ ইং পর্য্যন্ত বাগানের প্রদত্ত মাটিতে ও সরকারী মাটিতে সরকার কর্ত্তৃক পুনর্বাসন দেওয়া বাস্তহারা তোকের বসবাস করিলছেন, সরকার অবগত আছেন কি ?

(খ) যদি অৱগত তবে তাহাদের জমির পাট্টা প্রদান করার ব্যবস্থা গ্রহণ করা হইতেছেনা কেন ?

* Speech not corrected

(গ) পাট্টা প্রদান করিলে সরকারের রাজস্ব আদায় হইবে তাই অতি সত্তর পাট্টা প্রদান করার ব্যরস্থা গ্রহণ করা হইবে কি?

শ্রী মুকুট শর্ম্মা (ৰাজহ বিভাগের মন্ত্রী) য়ে উত্তৰ দিচ্ছেন ঃ

(ক) হ্যাঁ ।

(খ) কয়েকটি জিলায় দেওয়ার ব্যবস্থা চলছে।

(গ) ব্যৱস্থা চলছে।

বিষয় ঃ ৰাজহ কার্য্যালয় ।

শ্রী পানী ৰাম ৰাভাই সুধিছে ঃ

২০৭/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ৰৰমা সমষ্টিৰ মধ্য বাস্কা মৌজাক সামৰি ৰাজহ চক্র এটিৰ প্রয়োজনৰ বিষয়ে চৰকাৰ অৱগতনে।

(খ) ৰাইজে বাগানপাৰাক মধ্যস্থান হিচাবে লৈ ৰাজহ চক্র দাবী কৰাটো মন্ত্রী মহোদয় অৱগতনে।

(গ) যদি অৱগত এই বিষয়ত কি ব্যৱস্থা লৈছে জনাবনে ?

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰৰমা সমষ্টিৰ মধ্যবাস্কা মৌজাক সামৰি ৰাজহ চক্র এটা গঠনৰ প্রস্তাৱ সম্পৰ্কে চৰকাৰ অৱগত ।

(খ) অৱগত ।

(গ) নতুন ৰাজহ চক্র গঠনৰ বিষয়ত চৰকাৰৰ নীতি-নিয়ম আছে আৰু উচ্চ ক্ষমতা সম্পন্ন সমিতিৰ অনুমোদন সাপেক্ষেহে নতুন ৰাজহ চক্র গঠন কৰা হয়। যিহেতু প্রস্তাৱিত নতুন ৰাজহ চক্র গঠনৰ প্রস্তাৱটো চৰকাৰে নির্ধাৰণ কৰা নিয়মাৱলীৰ ভিতৰত নপৰে, সেয়েহে উক্ত ৰাজহ চক্র গঠনৰ প্রস্তাৱটো বিবেচনা কৰা নাই।

* Speech not corrected

বিষয় ঃ ক্ষতিগ্রস্থ লোকক সাহায্য ।

শ্রী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

২০৮/ মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বৰ্ত্তমানৰ চৰকাৰে কার্য্যভাৰ গ্রহণ কৰাৰ পাছত আজিৰ তাৰিখলৈ সন্ত্রাসবাদী কার্য্যকলাপ, বোমা বিস্ফোৰণ ,আৰক্ষীৰ গুলি চালনা, দলীয় সংঘর্ষ, দুর্ঘটনা, অনাবৃষ্টি, বানপানী, ধুমুহা ইত্যাদিৰ দ্বাৰা ক্ষতিগ্রস্থ লোকসকলক সাহায্য প্রদানৰ বাবে কিমান টকা মনজুৰ কৰা হৈছে ? (জিলা ভিত্তিত তালিকা দাখিল কৰিব)

(খ) কেৰল ধেমাজি জিলাৰ বাবে কিমান টকা দিয়া হৈছে ?

শ্রী গোপীনাথ দাস (ৰাজ্যিক বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানৰ চৰকাৰে কার্য্যভাৰ লোৱাৰ পৰা এতিয়ালৈকে পুনৰ সংস্থাপন বিভাগৰ পৰা সন্ত্রাবাদী কার্য্যকলাপ, বোমা বিস্ফোৰণ ,আৰক্ষীৰ গুলি চালনা , দলীয় সংঘর্ষ আৰু দূর্ঘটনা আদিৰ দ্বাৰা ক্ষতিগ্রস্থ লোকসকললৈ মুঠ ২১,১৪,১৩,৪৫৮ টকা (একৈশ কৌটি, চৌধ লাখ, তেৰ হাজাৰ চাৰিশ আঠাৰন্ন) আৰু ৰাজহ বিভাগৰ পৰা অনাবৃষ্টি, বানপানী, ধুমুহা ইত্যাদিৰ দ্বাৰা ক্ষতিগ্রস্থ লোকসকললৈ মুঠ ৩৩, ৩৮,৩০,২০৪ টকা (তেত্রিশ কৌটি, আঠত্রিশ লাখ , ত্রিশ হাজাৰ দু শ চাৰি) মনজুৰী কৰা হৈছে । (জিলাভিত্তিত মনজুৰী ধনৰ তালিকা গাঠি দিয়া হ'ল ।)

(খ) কেৰল ধেমাজি জিলাৰ বাবে সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ পৰা মুঠ ৩৩,০৬,০০০টকা আৰু ৰাজহ বিভাগৰ পৰা মুঠ ১,৪৬,৪৯,০০০ টকা মনজুৰী দিয়া হৈছে ।

বিষয় ঃ খৰমুজা উন্নয়ন খণ্ডৰ মাটি আৱণ্টন ।

শ্রী নজমুল হকে সুধিছে ঃ

২০৯/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ১০/১/৯৫/ তাৰিখত অনুস্থিত গোৱালপাৰা মহকুমা ভূমি উপদেষ্টা সমিতিয়ে আবণ্টন দিয়া

নব প্রবাসী ফার্মিং চেণ্টাৰৰ নামত ২৮ বিঘা ৩ কঠা আৰু খৰমুজা উন্নয়ন খণ্ডৰ নামত ২
বিঘা ১ কঠা মাটি সম্পৰ্কে ৰাইজৰ গুৰুতৰ অভিযোগ চৰকাৰে পাইছেনে?

(খ) উক্ত অবৈধ আৱণ্টন ততালিকে বাতিল কৰি দিয়াৰ বাবে উচ্চ ক্ষমতা সম্পন্ন বিষয়াৰ দ্বা
তদন্তৰ ব্যৱস্থা কৰা হ'বনে ?

(গ) উক্ত মিটিঙত আবণ্টন দিয়া খৰমুজা উন্নয়ন খণ্ডৰ মাটি জনজাতি আৱেষ্টনীৰ অন্তর্ভূক্ত হো
স্বত্তেও কেনেকৈ আৱণ্টন দিয়া হ'ল জনাবনে ?

(ঘ) গোৱালপাৰা মহকুমা ভূমি উপদেষ্টা সমিতি খন ভঙ্গ কৰি নতুন সমিতি গঠন কৰি দিবনে

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা মহকুমা ভূমি উপদেষ্টা সমিতিৰ ১০/১/৯৫ তাৰিখৰ বৈঠকত নব প্রবাসী ফার্
চেণ্টাৰৰ নামত ২৮ বিঘা ৩ কঠা মাটি আৱণ্টনৰ বাবে অনুমোদন কৰা সম্পৰ্কে চৰকা
ৰাইজৰ অভিযোগ পাইছে, কিন্তু খৰমুজা উন্নয়ন খণ্ডৰ নামত ২০ বিঘা ১ কঠা মাটি আবণ্ট
বাবে অনুমোদন সম্পৰ্কে চৰকাৰে ৰাইজৰ অভিযোগ পোৱা নাই ।

(খ) ৰাইজৰ অভিযোগ মর্ম্মে উক্ত বিষয়টোৰ ওপৰত তদন্তৰ ব্যৱস্থা কৰা হৈছে ।

(গ) উক্ত মিটিঙত খৰমুজা উন্নয়ন খণ্ডৰ নামত আবণ্টনৰ বাবে অনুমোদন কৰা প্রস্তাৱটোৰ ম
জনজাতি আৱেষ্টনীৰ অর্ন্তভূক্ত নহয়।

(ঘ) গোৱালপাৰা মহকুমা ভূমি উপদেষ্টা সমিতিখন ভঙ্গ কৰি নতুন সমিতি গঠন কৰাৰ বা
চৰকাৰে সদ্যহতে প্রস্তাৱ লোৱা নাই ।

বিষয় ঃ সংঘর্ষত ক্ষতিগ্রস্ত পৰিয়াল।

শ্রী ক্ষীৰেন বৰগয়াৰীয়ে সুধিছে ঃ

২১০/ মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ৭.৮.৯ অক্টোবৰ ১৯৯৩ তাৰিখে বঙ্গাইগাওঁ জিলাত আৰু কোকৰাঝাৰ জিলাত হোৱা সংঘ

* Speech not corrected

কিমানটা পৰিয়াল ক্ষতি হৈছিল?

(খ) বৰ্ত্তমানলৈকে কিমানটা আশ্রয় শিবিৰত কিমানটা পৰিয়াল আশ্রয় লৈ আছে? (আশ্রয় শিবিৰৰ তালিকা সহ সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল)।

(গ) ক্ষতিগ্রস্ত প্রতি পৰিয়ালক কিমান Relief Grant দিয়া হ'ল?

(ঘ) এতিয়ালৈকে কিমানটা পৰিয়ালক RG দিবলৈ বাকী আছে আৰু কেতিয়া দিয়া হ'ব?

(ঙ) ক্ষতিগ্রস্ত কিমানটা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হ'ল? ক'ত ক'ত দিয়া হ'ল?

(চ) পুনৰ সংস্থাপন নোপোৱা পৰিয়ালৰ সংখ্যা কিমান?

(ছ) এইবোৰ পৰিয়ালক কেতিয়া আৰু ক'ত ক'ত পুনৰ সংস্থাপন দিয়া হ'ব?

শ্রীগোপীনাথ দাস (ৰাজিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯৩ চনৰ অক্টোবৰ মাহত ঘটা সংঘর্ষত বঙ্গাইগাওঁ জিলাত ১৫৪৪ টা আৰু কোকৰাঝাৰ জিলাত ৩৯০৪ টা পৰিয়াল ক্ষতিগ্রস্ত হৈছিল।

খ) বঙ্গাইগাওঁ জিলাত ২ টা আশ্রয় শিবিৰত ৭৫২ টা পৰিয়াল আৰু কোকৰাঝাৰ জিলাত ৭ টা আশ্রয় শিবিৰত ৩০০০ টা পৰিয়াল আশ্রয় লৈ আছে। (শিবিৰৰ তালিকা গাঠি দিয়া হ'ল) (See Annexure - VIII)

গ) ক্ষতিগ্রস্ত প্রতিটো পৰিয়ালক ক্ষতিৰ পৰিমাণ অনুযায়ী সর্বোচ্চ ১০,০০০ টকা লৈকে পুনৰ সংস্থাপন সাহায্য দিয়া হৈছে।

ঘ) কোকৰাঝাৰ জিলাত ৯৮২ টা আৰু বঙ্গাইগাওঁ জিলাত ২০২ টা পৰিয়ালক পুনৰ সংস্থাপন সাহায্য দিবলৈ বাকী আছে। এইসকলক শিবিৰৰ পৰা স্থানান্তৰিত কৰাৰ লগে লগে দিয়া হ'ব।

ঙ) এতিয়ালৈকে ২৫১৩ টা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হৈছে। কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাত। (জিলা ভিত্তিত তালিকা দিয়া হ'ল) (See Annexure -IX)

---

* Speech not corrected

(চ) ৩৭৫২ টা।

(ছ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ শ্রী ৰতন কুমাৰ ভট্টাচার্য্যৰ বদলিকৰণ।

মোঃ মুহিবুল হকে সুধিছে ঃ

২১১/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জলসিঞ্চন সংমণ্ডল, গৌৰীপুৰত শ্রী ৰতন কুমাৰ ভট্টাচার্য্য বিষয়াজনে কোন তাৰিখে চাকৰিত Join কৰিছে আৰু সর্বমুঠ কিমান বছৰৰ পৰা তাত আছে জনাবনে?

(খ) উক্ত বিষয়াজনে নিযুক্তি পোৱা তথা Join কৰাৰ পিছত সর্বমুঠ কেইবাৰ transferহৈছিল, আৰু কি কি কাৰণত তেখেতৰ transfer order বাতিল কৰা হৈছিল জনাবনে?

(গ) উক্ত বিষয়াজনে প্রায় ১৭ বছৰতকৈ অধিক কাল তথা নিযুক্তি পোৱা দিনৰে পৰা চৰকাৰে কি স্বার্থত বদলী বিহীন ভাৱে একে ঠাইতে ৰাখিছে, ইয়াৰ এটা প্রতিবেদন সদনত দাখিল কৰিবনে ?

শ্রী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) শ্রী ৰতন কুমাৰ ভট্টাচার্য্যই কণিষ্ঠ অভিযন্তা হিচাবে ২৬-৮-৭৬ তাৰিখে ধুবুৰী সংমণ্ডল (জলসিঞ্চন)ৰ কামত যোগদান কৰে আৰু তেতিয়াৰ পৰাই উক্ত সংমণ্ডলত আছে ।

(খ) শ্রী ভট্টাচার্য্যক তিনিবাৰ বদলিৰ আদেশ দিয়া হৈছিল আৰু তিনিও বাৰে স্থানীয় ৰাইজৰ আবেদন মর্ম্মে বদলিৰ আদেশ স্থগিত কৰা হয় ।

(গ) স্থানীয় ৰাইজৰ আবেদন আৰু ৰাজহুৱা কামৰ স্বার্থত বদলিৰ আদেশ স্থগিত কৰা হৈছিল।

Re: Fund for Fishery Department

Shri Parimal Suklabaidya asked:

* Speech not corrected

212. Will the Minister of Fisheries be pleased to state :

(a) How much fund has been alloted to fishery department under Cachar district during the time of present Government ?

(b) How they have utilised the money ? (Give details)

(c) Please also mention the name of the benefisheries scheme wise?

Sri Silvius Condpan (Minister of Fishery) **replied**:

(a) Rs 18,94,584/- has been alloted to the Fishery Department in Cachar District from 1991- 92 to 1994-95(till 14-3-95 Details enclosed in Annexure-X)

(b) Money was utilised for different works including disbursement of cash and kind subsidy to beneficiary under different schemes.

(c) List is not available at present. It will be placed before the floor when it will be made available.

বিষয় ঃ ৰিপোর্ট প্রকাশৰ দাবী

শ্রী প্রণব কুমাৰ নাথে জিজ্ঞাসা করেছেন ঃ

২১৩/ মাননীয় মান ৰিভাগের মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি ঃ

(ক) বিগত ১২ ইং আগষ্ট ৯৪ইং কৰিমগঞ্জ থেকে "নববার্তা প্রসঙ্গ" পত্রিকায় প্রকাশিত জিলার মৎস্য জীৰিদের বরাদ্দ নিয়ে পুকুরচুরি ম্যাজিষ্ট্রেট পর্য্যায়ে তদন্ত শেষঃ উপযুক্ত পদক্ষেপ একান্ত জরুরী এ বিষয়ে সরকার অবহিত আছেন কি ?

(খ) যদি আছেন তাহলে দোষি বিভাগিয় অধিকারিক ও কর্ম্মচারীদের বিরুদ্ধে কি কি শাস্তি মূলক ব্যবস্থা নিয়েছেন বিশদ বিবরণ সহ সদনর মেঝে দাখিল করিবেন ? যদি না কেন ?

* Speech not corrected

(গ) মেজিষ্ট্রেট বৈশ্য কর্ত্তৃক তদন্ত করার রিপর্ট প্রকাশ করতঃ কপি সদনের মেঝে দাখিল করিবেন কি?

(ঘ) মেজিষ্ট্রেট বৈশ্য কর্ত্তৃক তদন্ত করার রিপর্ট তৎকালিন জিলা উপায়ুক্তের নিকট দাখিল করা হলে তাহা জিলা উপায়ুক্ত গৌহাটিতে বিভাগীয় উর্দ্ধতন কর্ত্তৃপক্ষের নিকট পাঠিয়েছেন এ ব্যাপারে গৌহাটির উর্দ্ধতন কর্ত্তৃপক্ষ কি কি পদক্ষেপ নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল করিবেন?

শ্রী চিলবিউছ কন্দপান (মীন বিভাগের মন্ত্রী) উত্তর দিছেন ঃ

(ক) হ্যাঁ । সরকার এই বিষয়ে অবহিত।

(খ) বর্ত্তমানে বিষয়টি সরকারের পরীক্ষাধীন আছে এবং বিভাগীয় ভাবে তদন্ত করে বিহিত ব্যবস্থা নেওয়া হবে।

(গ) সরকারী বিধি অনুসারে করিমগঞ্জ মহকুমা কল্যাণ বিষয়া তথা কার্য্যবাহী দণ্ডাদীশ শ্রী বৈশ্যের তদন্ত রিপোর্ট চূড়ান্ত নয়। উক্ত তদন্তের উপর ভিত্তি করে বিভাগীয় ভাবে তদন্তের প্রয়োজন। উক্ত রিপোর্ট বর্ত্তমানে প্রকাশ করার প্রশ্ন উঠেনা।

(ঘ) বিভাগীয়ভাবে তদন্ত করার ব্যবস্থা করা হচ্ছে। তদন্তের পর দোষী কর্ম্মচারীদের উপর বিধি অনুসারে শাস্তি দেওয়া হবে।

Re : UNEMPLOYED YOUTH IN B.A.C.

Smti. Pramila Rani Brahma asked :

214. Will the Minister of Employment be pleased to state :

(a) What is the number of unemployed educated youth in the B.A.C.?

(b) Whether the Government has adopted any policy to solve the educated unemployed problem?

(c) If yes, how?

Shri Silvius Condpan (Minister, Employment) replied:

(a) The number of educated applicants registered in Kokrajhar, Gossaigaon and Udalguri Employment Exchanges as 31st December, 1994 was 18,252.

(b) Yes, Government has adopted many job oriented schemes for solving the educated unemployed problem.

(c) As scope for creation of wage paid jobs is very limited, the Government has emphasised on generation of Self-employment through various schemes under different Departments e.g. SEEUY, PMRY, JRY, ITDP, IRDP etc..

বিষয় ঃ D.T.W. আঁচনিৰ মঞ্জুৰী ।

শ্ৰী ফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

২১৫/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত কিমানটা D.T.W. আঁচনি মঞ্জুৰ কৰা হৈছে ? (মঞ্জুৰ কৰা D.T.W. আঁচনিৰ তালিকা সমষ্টি ভিত্তিত সদনৰ মেজত দাখিল কৰিব)

(খ) বঙ্গাইগাওঁ জিলাত বৰ্ত্তমান চৰকাৰৰ দিনত এটাও D.T.W. আঁচনি মঞ্জুৰ নোহোৱা কথাটো সঁচানে ?

শ্ৰী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত মুঠতে ৮৭ টা ভূগৰ্ভস্থ নলী-নাদ আঁচনি D.T.W. মঞ্জুৰ কৰা হৈছে (সমষ্টি ভিত্তিত আঁচনিৰ তালিকা এখন সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See Annexur-XI)

---

* Speech not corrected

(খ) সঁচা।

বিষয় ঃ ক্ষতিপূৰণ ব্যৱস্থা ।

শ্রী ধ্রুৱ কুমাৰ সেনে সুধিছে ঃ

২১৬ / মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯২ চনৰ অযোধ্যাৰ ঘটনাৰ পৰিপ্রেক্ষিতত অসমত যি সকল মানুহ মৃত্যু, অগ্নিসংযোগ, গৃহহাৰা, লুট-পাত আদি হৈছিল সেই সকল মানুহৰ বাবে চৰকাৰে সাহায্য দিয়াৰ যি প্রতিশ্রুতি দিছিল সেই মতে সম্পূর্ণ দিয়া হৈছে নে?

(খ) যদি দিয়া হোৱা নাই, তেনেহলে অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রী গোপীনাথ দাস (ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মৃত ব্যক্তিৰ পৰিয়ালক চৰকাৰী প্রতিশ্রুতি মতে দিবলগা সাহায্য সম্পূর্ণ কৰা হৈছে কিন্তু অন্যান্য ক্ষতিগ্রস্ত সকলৰ ক্ষেত্রত সম্পূর্ণ হোৱা নাই।

(খ) ব্যৱস্থা গ্রহণ কৰা হৈ আছে।

বিষয়ঃ চৰকাৰী মাটি পট্টনৰ বিনিময়ৰ মূল্য ।

মৌলানা আব্দুল জলিল ৰাগিবীয়ে সুধিছে ঃ

২১৭/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰী মাটি কাৰোবাক পট্টন দিলে সেই মাটিৰ কিবা মূল্য পট্টাধাৰীয়ে আদায় কৰিব লগা হয়নে আৰু যদি হয় তেন্তে কিমান, এই নিয়ম অসমত কেতিয়াৰ পৰা প্রৱর্ত্তন কৰা হ'ল ?

(খ) এইটো অসম চৰকাৰৰ সিদ্ধান্তনে ৰাজহ বিভাগৰ নিজাববীয়া সিদ্ধান্ত ?

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) পট্টন পাব পৰা মাটি যদি গাওঁ অঞ্চলত সাধাৰণ খেতিৰ বাবে হয়, তেনেহলে কোনো প্রিমিয়াম

দিব নালাগে । যদি তেনে মাটি নগৰ অঞ্চলত অৱস্থিত হয় আৰু গুৱাহাটী মহানগৰীৰ পৰা ১০ কিঃ মিঃ ৰ ভিতৰত হয় আৰু অন্যান্য চহৰৰ ক্ষেত্ৰত যদি ৩ কিঃমিঃ ৰ ভিতৰত হয় তেনেহলে পট্টাদাৰে মাটিৰ মূল্য প্ৰিমিয়াম হিচাবে আদায় দিব লগা হয়। এই নিয়ম অসমত বহু পূৰ্বৰ পৰাই প্ৰচলিত হৈ আহিছে ।

(খ) এইটো অসম চৰকাৰৰ সিদ্ধান্ত ।

বিষয়ঃ ঘেহুঁৰ আৱণ্টন ।

শ্ৰী মুনীন মহন্তই সুধিছে ঃ

২১৮/ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ কাৰণে আমাৰ ৰাজ্যৰ বাবে কেন্দ্ৰীয় খাদ্য ভাণ্ডাৰৰ পৰা প্ৰতি মাহে তথা ঘেহুঁৰ পৰিমাণ কিমান ?

(খ) ৰাজ্যখনলৈ আবণ্টিত উক্ত ঘেহুঁৰ ৰাজ্যখনত মহকুমালৈ চাকিমিলৰ বাবে কিমান আবণ্টন দিয়া হয় আৰু মডাৰ্ণ বা ৰ'লাৰ ফ্লাৰাৰ মিলবিলাকক কিমান আৱণ্টন দিয়া হয় ?

(প্ৰত্যেক মহকুমাত ১৯৯৪ চনত কিমানভাৰে আৱণ্টন দিয়া হৈছে তাৰ এখন তালিকা আৰু মডাৰ্ণ চাকিমিল বা ৰ'লাৰ বিলাকক কিমান দিয়া হৈছে ১৯৯৪ চনত তাৰ এখন তালিকা মিল সমূহৰ নাম, ঠিকনা সহ সদনৰ মেত্ৰত দিব)

(গ) মডাৰ্ণ চাকিমিল, ৰ'লাৰ ফ্লাৰাৰ মিল বা চাকিমিল সমূহৰ পৰা সমবায় সমিতিয়ে বা পাইকাৰী গ্ৰাহক সমবায় সমিতি সমূহে মূৰামূৰি সময়ত আৱণ্টন কৰাৰ বাবে এমুঠি আটাও যে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে সুলভ মূল্যত বাইজে নাপায় এই সম্পৰ্কে চৰকাৰ অৱগতনে ?

(ঘ) যদি অ ৱগত, মধ্যভোগী মিল সমূহৰ নামত আৱণ্টন দিয়াৰ পৰিবৰ্ত্তে প্ৰতি মহকুমালৈ চাউল, চেনী, কেৰাচিনৰ দৰে ঘেহুঁৰ আৱণ্টন দিয়াৰ নীতি গ্ৰহণ কৰিবনে যাতে ক্ৰেতা বাইজে নিজে চাকি মিলত বনাই আটা পাব পাৰে ?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

---

* Speech not corrected

(ক) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাবে কেন্দ্ৰীয় খাদ্য ভাণ্ডাৰৰ পৰা বৰ্ত্তমান প্ৰতি মাহে ৩০,০০ (ত্ৰিশ হাজাৰ) মেট্ৰিকটন ঘেহুঁৰ আৱণ্টন পোৱা হয়।

(খ) বৰ্ত্তমান চাকি মিলৰ বাবে প্ৰায় ৪৭০০ মেট্ৰিকটন আৰু মডাৰ্ণ চাকি মিল আৰু বোলাৰ ফ্লাৰাৰ মিলৰ বাবে প্ৰায় ১৫,০০০ মেট্ৰিকটন ঘেহুঁৰ আৱণ্টন দিয়া হয়। (১৯৯৪ চনত দিয়া আৱণ্টনৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল)।

(গ) নহয় ।

(ঘ) প্ৰশ্ন নুঠে ।

বিষয়ঃ ঘেহুঁ আৰু নিমখৰ চাহিদা ।

ডঃ জয়নাথ শৰ্ম্মাই সুধিছে ঃ

২১৯/ মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যখনত ঘেহুঁ আৰু নিমখৰ চাহিদা প্ৰতি মাহত কিমান ?

(খ) কেৰাচিন তেলৰ এনে চাহিদা কিমান ?

(গ) এই তিনিওবিধ সামগ্ৰী কি ধৰণে, ক'ৰ পৰা, কাৰ দ্বাৰা আহৰণ কৰা হয় আৰু বিতৰণৰ ব্যৱস্থা কি ?

(ঘ) কোন কোন জিলাত ১৯৯৪-৯৫ চনৰ প্ৰতি মাহত ঘেহুঁৰ আৱণ্টন কোনে কোনে পাইছে ?

(ঙ) উক্ত সময়ছোৱাত ৰাজ্যখনলৈ কিমান নিমখ কোন কোন মাহত কোনে কোনে আনিছে ?

(চ) কেৰাচিন তেলৰ আৱণ্টন কোন জিলাত কিমান পৰিমাণ (১৯৯২-৯৫ চনত) মাহে মাহে দিয়া হৈছে ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত ঘেঁহু আৰু নিমখৰ চাহিদা প্ৰতি মাহত ক্ৰমে প্ৰায় ৪৩,০০০ মেট্ৰিকটন আৰু ১৬৭২০ মেট্ৰিকটন।

---

* Speech not corrected

(খ) কেৰাচিন তেলৰ চাহিদা প্ৰতি মাহে ৩০,০০০ মেট্ৰিকটন।

(গ) এই তিনিও বিধ সামগ্ৰী (ঘেঁহু, নিমখ আৰু কেৰাচিন ,তলত উল্লেখ কৰা ধৰণে আহৰণ আৰু বিতৰণ কৰা হয় ।

ঘেঁহু ঃ প্ৰতি মাহে কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱণ্টণ পোৱা ঘেঁহু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে বিতৰণ কৰা হয় ।

নিমখ ঃ Nominee পদ্ধতিৰে প্ৰতি তিনি মাহৰ মূৰে মূৰে অসম চৰকাৰৰ অনুমোদিত তালিকাৰ অৰ্ন্তভুক্ত অনুজ্ঞাপত্ৰ ধাৰী আমদানী কাৰী সকলৰ যোগে ভাৰতৰ পশ্চিম /দক্ষিণ উপকুলৰ পৰা নিমখ আহৰণ কৰা হয় আৰু তেনে মুঠ নিমখৰ ৪০% ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে ৫০% মুকলি বিক্ৰীৰ জৰিয়তে বিতৰণ কৰা হয় ।বাকী ১০% নিৰ্দ্দিষ্ট সময়ৰ বাবে Rolling Reserve হিচাবে ৰখা হয় ।

কেৰাচিন ঃ কেৰাচিন প্ৰতি মাহে ভাৰতীয় তেল নিগমৰ পৰা পোৱা হয় ।তাৰে ৭০% ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু ৩০% অনুজ্ঞাপত্ৰধাৰী খুচুৰা বিক্ৰেতাও হকাৰৰ জৰিয়তে বিতৰণ কৰা হয়।

(ঘ) তথ্য সমূহ সদনৰ মেজত দাখিল কৰা হ'ল ।

(ঙ) তথ্য সমূহ সদনৰ মেজত দাখিল কৰা হ'ল ।

(চ) তথ্য সমূহ সদনৰ মেজত দাখিল কৰা হ'ল ।

বিষয় ঃ কাঠফলা শ্ব'মিলৰ শ্ৰমিকৰ সংখ্যা

শ্ৰী বদন বৰুৱাই সুধিছে ঃ

২২০/ মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত কিমান কাঠফলা শ্ব'মিল আছে, আৰু সেই শ্ব'মিল বোৰত থকা শ্ৰমিকৰ সংখ্যা কিমান ?

খ) কাঠৰ কুন্দাৰ অভাবত কিমান শ্ব'মিল বন্ধ হৈ আছে , আৰু তাৰ ফলত কিমান শ্ৰমিকে বন্ধ

মিল বিলাকৰ পৰা কোনো ক্ষতি পূৰণ পোৱা নাই ?

(গ) অসমৰ কোনখন জিলাত কিমান শ্ব'মিল আছে আৰু প্ৰতিটো শ্ব'মিলত কিমান শ্ৰমিক আছে সেই তথ্য প্ৰতিটো শ্ব'মিলৰ বিপৰীতে দিব ?

শ্ৰী দিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যিহেতু ২৩/৩/৯৫ ইং তাৰিখত প্ৰশ্নোত্তৰৰ দিন ২০/৩/৯৫ তাৰিখলৈ আগুৱাই দিয়া হ'ল সেয়ে সম্পূৰ্ণ তথ্য কৰিব পৰা নহ'ল । তথ্য সংগৃহীত কৰি অন্য পৰৱৰ্ত্তী সদনৰ মেজত দাখিল কৰা হ'ব ।

(খ) ঐ।

(গ) ঐ।

Re: WAGES OF TEA GARDEN LABOURS :

Shri Mission Ranjan Das asked :

221. Will the Minister, Labour be pleased to State :

(a) Whether there is still difference in Wages of Tea Garden Labourer of Brahmaputra Vally and Barak Valley ?

(b) If not, when it is removed ?

(c) If yes, what is the difference and why this discrimination is not removed yet, state reasons there of ?

Shri Dileswar Tanti (Minister, Labour) replied:

(a) Yes, there is still difference in wages of Tea Gardens Labourers of Brahmaputra Valley & Barak Valley.

---

* Speech not corrected

(b) It has not been removed.

(c) Yes, the difference of rates are given below in the Table - A.

The difference in wages is due to the narrow margin between the sale price and cost of production is also low in the Barak Valley compared to Assam Valley. Not only the production is low in Barak Valley, but the quality of tea produced is also of a low standard.

So the difference of wages had been there since long past and could not be removed. (See the Annexure - XII)

বিষয়ঃ পর্য্যটনৰ বিকাশ ।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

২২২/ মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে অসমৰ পর্য্যটনৰ বিকাশৰ বাবে কি ব্যৱস্থা চৰকাৰে গ্রহণ কৰিছে, জনাবনে ?

(খ) বিদেশী পর্য্যটক অসমলৈ প্রৱেশ কৰাৰ ক্ষেত্রত থকা বাধা নিষেধৰ ওপৰত অর্থাৎ R.A.P. - উঠাই লোৱাৰ বাবে কেন্দ্রীয় চৰকাৰৰ লগত অসম চৰকাৰে যোগাযোগ কৰিছে, নে নাই ?

(গ) যদি কৰিছে, তেনেহলে কেন্দ্রীয় চৰকাৰে এই ক্ষেত্রত কি সিদ্ধান্ত গ্রহণ কৰিছে, জনাবনে ?

(ঘ) ১৯৯৫-৯৬ চনত পর্য্যটনৰ বিকাশৰ বাবে কি আঁচনি গ্রহণ কৰিছে, জনাবনে ?

(ঙ) গুৱাহাটীৰ পৰা উমানন্দলৈ ROPE WAY - ৰ বাবে কেন্দ্রীয় চৰকাৰৰ ওচৰত আঁচনি দাখিল কৰিছে নেকি ? যদি কৰিছে, কিমান টকাৰ আঁচনি আৰু এই আঁচনিটোৰ কাম কেতিয়াৰ

পৰা আৰম্ভ হ'ব, জনাবনে ?

শ্রী মুকুট শর্ম্মা (পর্য্যটন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) চৰকাৰ গঠন হোৱাৰপৰা এতিয়ালৈকে নিম্ন উল্লেখিত আঁচনিসমূহ গ্রহণ কৰিছে।

১)	পর্য্যটিক স্থান উন্নয়ন	-	ডিগবৈ, পবিতৰা, মদনকামদেৱ, শিৱসাগৰ, গুৱাহাটী, বৰদলূনি ।
২)	পর্য্যটিক নিৱাস	-	তিনিচুকীয়া আৰু জোনাই।
৩)	তীর্থযাত্রীৰ কুটীৰ	-	হাজো, বিশ্বনাথ ঘাট, কামাখ্যা।
৪)	ৰাষ্ট্রীয় ঘাইপথ পর্য্যটকৰ সুবিধা।	-	বোকাখাট, জাগীৰ'দ, বিশ্বনাথ, মৰান, জখলাবন্ধা ।
৫)	অন্যান্য	-	জলক্রীড়া, চুইমিং পুল, গ'ল্‌ফ কোর্চ।

(খ) হয় কৰিছে।

(গ) কেন্দ্রীয় চৰকাৰে R.A.P সম্পূর্ণকৈ উঠাই দিয়া নাই। কিছুমান সৰলীকৰণ কৰিছে। কমপক্ষে ৪ জনীয়া পর্য্যটিক দল হলে ১০ (দহ) দিনলৈকে অসমৰ গুৱাহাটী, কাজিৰঙা, মানাহ, জাতিংগা আৰু শিৱসাগৰ পৰিভ্রমন কৰিবলৈ অনুমোদন জনাবলৈ অসম চৰকাৰৰ গৃহ পাৰপত্র বিভাগে নতুন দিল্লীৰ আৱাসীক আয়ুক্ত (Residential Commissioner) আৰু কলিকতাস্থ বাণিজ্যিক উপদেষ্টা আৰু সঞ্চালন সঞ্চালকক (Trade Adviser and Director of Movement) কতৃত্ব প্রদান কৰিছে ।

(ঘ) ১৯৯৫-৯৬ চনৰ বাবে নির্ধাৰণ কৰা আঁচনিসমূহৰ ভিতৰত -

১)	পর্য্যটিক স্থান উন্নয়ন	-	বশিষ্ঠ, খাচপুৰ ,ৰামনগৰ, চাপানালা, জাতিংগা ।
২)	তীর্থযাত্রী নিবাস	-	সূর্য্যপাহাৰ, বৰদোৱা, মহামায়া ।

* Speech not corrected

৩) ৰাষ্ট্ৰীয় পথৰ সুবিধা - কালাইন গৌৰীপুৰ ।

৪) পৰ্য্যটক নিবাস - চিলাপথাৰ ।

৫) নৌকা বিহাৰ - হাজো,তেজপুৰ ,হাফলং ।

(ঙ) ১৯৮৮-৮৯ চনতে ১'০৭ কোটি টকাৰ আঁচনি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল । কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে অনুমোদন পোৱা নাই ।

Re: Shortage of Capital in the ITI .

Shri Monsing Rongpi asked :

223. Will the Minister of Employment be pleased to state :

(a) Whether it is a fact that the Industrial Training Institute (ITI), are going to stop due to shortage of Capital?

(b) What are the number of students admitted in different trades in the last five years?

(c) What steps Government propose to regularise the ITI's?

Shri Slvius Condpan (Minister Employment) replied :

(a) NO, But it is a fact that due to shortage of fund some of the ITI's didnot admit trainees in all the trades and three ITI's namely Tinsukia, Bongaigaon and Tezpur didnot admit any trainees at all during the current session.

(b) Trainees admitted in last five years are furnished as per statement enclosed. (See Annexure - XIII)

(c) Govt. has already released Rs. 10 lakhs to tide over the financial difficulties and steps have been taken to release additional fund to normalise situation in the ITI's.

বিষয়ঃ দৰবৰ তালিকা ।

শ্রী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২২৮/ মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ বাগিছাৰ চিকিৎসালয় সমূহত প্রচলিত দৰবৰ তালিকাখন, অসম চৰকাৰে কোন চনত অনুমোদন জনাইছিল জনাবনে ?

(খ) শ্রম বিভাগৰ চিকিৎসা সম্পর্কীয় উপদেষ্টা বোর্ড (Medical Advisory Board) খন কেতিয়া গঠন কৰা হৈছিল আৰু ১৯৯২ চনৰ পৰা ১৯৯৪ চনৰ ডিচেম্বৰ মাহলৈকে উক্ত বোর্ডৰ কেইটা বৈঠক বহিছিল ?

(গ) উক্ত বোর্ডৰ সভাত বাগিছা চিকিৎসালয় সমূহত প্রচলিত থকা দৰবৰ তালিকাৰ বিষয়ে আলোচনা কৰা হৈছিলনে ? যদি হৈছিল উক্ত আলোচনা সিদ্ধান্ত কি আৰু বর্ত্তমানে কোন পর্য্যায়ত আছে ?

শ্রী দিলেশ্বৰ তাঁতী (শ্রম মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ চাহ বাগিছাৰ চিকিৎসালয় সমূহত প্রচলিত দৰবৰ তালিকা খন শেহতীয়াকৈ (Latest) ১৯৮৫ চনত অনুমোদন জনাইছিল ।

(খ) শ্রমবিভাগৰ চিকিৎসা সম্পর্কীয় উপদেষ্টা বোর্ডখন ৯-৮-৯১ চনত পুনৰ গঠন কৰা হয়। ইয়াৰ পিচত শেহতীয়াকৈ ৯-৮-৯৪ চনত এই বোর্ডখন পুনৰ গঠন কৰা হয়। ১৯৯২ চনৰ পৰা ১৯৯৪ চনলৈকে এই বোর্ডৰ অধীনত দুখন বৈঠক বহিছিল আৰু দুখন শাখা কমিটিৰ বৈঠক বহিছিল।

(গ) উক্ত বোর্ডৰ সভাত বাগিছা চিকিৎসালয় সমূহত প্রচলিত দৰবৰ তালিকাৰ বিষয়ে আলোচনা কৰা হৈছিল। উক্ত আলোচনাত চৰকাৰী শ্রমবিভাগৰ বিষয়াৰ উপৰিও চাহবাগিছাৰ মালিক

সন্থাৰ ফালৰ পৰা চিকিৎসক প্ৰতিনিধি আৰু শ্ৰমিক সন্থাৰ প্ৰতিনিধিৰ মাজত দৰবৰ তালিকাৰ খচৰা প্ৰস্তুত কৰাৰ ওপৰত আলোচনা কৰা হয়। এই আলোচনামৰ্ম্মে ১৩-৯-৯৫ চনৰ Medical Advisory Board ৰ বৈঠকত উক্ত দৰবৰ তালিকাখন গৃহীত কৰা হয়। এই গৃহীত তালিকাখন আইনগত ভাৱে বলৱত কৰাৰ ব্যৱস্থা কৰা হৈছে।

(Unstarred Question No 225 was transferred)

বিষয় ঃ পুজিৰ আবন্টন।

শ্ৰী ৰুপম কুৰ্ম্মীয়ে সুধিছে ঃ

২২৬/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ মৰিয়নী সমষ্টিৰ গজপুৰীয়া, লো-জনীয়া গজপুৰীয়াৰ গভীৰ নলী নাদৰ আচঁনিৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) এই আঁচনি কাৰ্য্যকৰী কৰণৰ অৰ্থে এতিয়াও পুজিৰ আবণ্টন নিদিয়াৰ কাৰণে এই বিষয়ত অকণো আগবাঢ়িব পৰা নাই সঁচানে ?

(গ) এই আঁচনি কাৰ্য্যকৰী কৰাৰ দিশত ইতিমধ্যে কিবা ব্যৱস্থা লৈছে নেকি?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয় ,অৱগত ,এই আঁচনিৰ বাবে প্ৰয়োজনীয় প্ৰশাসনীয় অনুমোদন ইতিমধ্যে দিয়া হৈছে।

(খ) সঁচা, সংশ্লিষ্ট মহকুমা পৰিকল্পনা পৰিষদে এই আঁচনিৰ বাবে কোনো পুজিৰ আৱণ্টন ৯৪-৯৫ বিত্তিয় বছৰত কৰা নাই।

(গ) হয়, লোৱা হৈছে।

Re: Total Number of Tea Garden Labour .

Shri Holiram Terong and Shri Dipendra Rangpi asked:

227: Will the Minister Labour be pleased to state:

(a) How many Tea Labours of the tea state are there in the state?

(b) How many of them are parmanent labourer?

(c) What is the number of the tea garden labourers in the last five years?

Shri Dileswar Tanti(Minister, labour) replied:

(a) Thereare 685391 Nos of tea Labourersof the Tea Estate in the statein 1994.

(b) There are 529415Nos of parmanentLabourers of the Tea Estate in the state in 1994.

(c) The number of the tea Garden Labourers in -

1989	-	670882
1990	-	671425
1991	-	678185
1992	-	713095
1993	-	713195

বিষয়ঃ চৰৰ জৰীপ ।

শ্রী মুজিবুৰ ৰহমানে সুধিছে ঃ

২২৮/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ আৰু শোনিতপুৰ জিলাৰ মাজৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজত কিমান সংখ্যক চুৰ আছে ? আগতে নগাওঁ জিলাৰ যিবিলাক গাওঁ ব্ৰহ্মপুত্ৰত জাহ গৈছে আৰু বৰ্ত্তমান চৰ হিচাবে ওলাই পৰিছে সেই চৰবিলাক নগাওঁ জিলাৰ লগত পুনৰ সংযোজন কৰা হ'ব নেকি ?

(খ) নগাওঁ আৰু শোনিতপুৰৰ মাজৰ ব্ৰহ্মপুত্ৰৰ চৰ বিলাক জৰীপ কৰাৰ কি ব্যৱস্থা লোৱা হৈছে ? জৰীপৰ পিছত সেই চৰ বিলাক আগৰ স্বত্ব থকা মানুহ বিলাকক সংস্থাপিত কৰিব নেকি ? উক্ত চৰ বিলাকত কেতিয়াৰ পৰা পট্টা দিয়াৰ কাম আৰম্ভ হ'ব ?

শ্রী মুকুট শর্ম্মা (বাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিতং তথ্য সংগ্রহ কৰি থকা হৈছে ।

(খ) বিতং তথ্য সংগ্রহ কৰি থকা হৈছে ।

Re: Persons of living below provertyline.

Shri Kali Ranjan Deb asked:

229. Will the Minister of Revenue be pleased to state .

(a) How many persons of katigora Constituencyin Cachar District living below provertyline have got one Bigha of land and a cash of Rs.2500/- under M.N.P during the year 1992,1993 and1994?

(b) Whether all the recipients of such land and cash have since constructed their dwelling houses?

(c) If such recipients of land and cash have not yet properly utilised such land and money, what steps, the Govt .have taken for proper utilisation of such land and money, given to those persons?

---

* Speech not corrected

Shri Mukut Sarma (Revenue Minister)replied:

(a) Forty persons in the year 1991-92,thirty-four persons in the year 1992-93,twenty-five persons in the year 1993-94 have got Bigha of land and grant assistance of @Rs 2500/- paid to each familyof Katigora Constituency under the M.N.P house site scbeme .

(b)&(c)Report will the supplied later on.

Re: Cause of the Disease .

Shri Sasha Kamal Handique asked:

230. Will the Minister of Labour be pleased to state :

(a) Wheather it is a fact that several hundred tea garden workersof the state died in "GASTRO ENTRITIES"?

(b) What was the cause of the disease?

(c) What stop Government is going to propose to prevent much occurances ?

Shri Dileswar Tanti (Minister Labour)replied:

(a) Yes A total number of 123 workers are reported to have died in Gastro-Entrities.

(b) Gastro -Entrities is a water borne disease.It is reported that contaminated drinking water &food-stuff and Lack of proper hygiene etc.are some of the cuases of the disease.

(c) Precautionery/prefentive measures have been taken up such as health education imparted through volunteers,to use boiled water, reporting to the Hospitals at an early stage,improvement of personal and general hygiene and strict steps to prevent sale of spurious liquor ,open sale of sweet,and contaminated meat&fish etc., in the nearby markets of the tea Garden. DistrictAdministration HealthDepartment,LabourDepartment, Managemet Associations,Workers'Unions have been given instructions to keep strict vigil over the situation.The managements of the gardens have been asked to ensure immediate and regular disinfection of all water sources in appropriate manner under the guidance and advice of competent P.H.C. experts.

বিষয় ঃ জলসিঞ্চন আঁচনি ।

শ্রী পানী ৰাম ৰাভাই সুধিছে ঃ

২৩১/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰৰমা সমষ্টিৰ ৰৰ শিমলাগুৰি বুঢ়াদিয়া জলসিঞ্চন আঁচনিটো কার্য্যক্ষম হৈ থকা নাই নেকি ?

(খ) যদি নাই, কি ব্যৱস্থা লৈছে জনাবনে ?

*শ্রী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) প্রয়োজনীয় ব্যৱস্থা লোৱা হৈ আছে ।

বিষয় ঃ আসবাব পত্র কয়।

শ্রী রামপ্যারে রবিদাস জিজ্ঞাসা করছেনঃ

* Speech not corrected

২৩২/ মাননীয় জলসঞ্চিন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) বরাক উপত্যকায় কাছাড়, করিমগঞ্জ ও হাইলাকান্দি জিলায় অৱস্থিত বিভিন্ন সেচ বিভাগের Divisional office গুলিতে বিগত ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ এবং ১৯৯৪-৯৫ আর্থিক বছর গুলিতে কি কি আসবাব পত্র ও Stationery goods ক্রয় করা হয়েছে?

(প্রতিটি সামগ্রীয় দাম সহ তালিকা দেবেন)

খ) যোগানকারীদের নাম, ঠিকানা ও যোগানের তারিখ ও মূল্য জানাবেন কি?

শ্রী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগের মন্ত্রী)য়ে উত্তৰ দিছেন ঃ

(ক) ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ এবং ১৯৯৪-৯৫ সময় গুলিতে যে গুলা আসবাব পত্র বা অফিসের প্রয়োজনীয় সামগ্রী কাছাড়, করিমগঞ্জ ও হাইলাকান্দি জিলায় কিনা হইয়াছিল সে গুলোর দাম সহ তালিকা সদনের মেঝেতে দাখিল করা হ'ল।

(খ) যোগানকারীদের নাম, ঠিকনা ও যোগানের তারিখ ও মূল্য সহ তালিকা সদনের মেঝেতে দাখিল করা হ'ল।

বিষয় ঃ কৃষি পামৰ সংখ্যা।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

২৩৩/ মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কিমান খন কৃষি পাম আছে?

(খ) এই কৃষিপাম সমূহত কিমান জন কৃষি শ্রমিকক নিয়োগ কৰা হৈছে?

(গ) ১৯৯১ চনৰ মার্চ মাহত শ্রম বিভাগে কৃষি শ্রমিকৰ নিম্নতম মজুৰি সম্পর্কত জাৰি কৰা অধিসূচনা মতে শ্রমিক সকলক মজুৰি / মৰগীয়া বানচ আদি দি থকা হৈছেনে?

(ঘ) যদি হৈছে কোকলাবাৰীৰ (বৰপেটা জিলা) কৃষি পামত নিয়োজিত শ্রমিক সকলক কোন তাৰিখৰ পৰা মজুৰি আৰু মৰগীয়া বানচ আদি দিয়া হৈছে?

* Speech not corrected

(ঙ) যদি শ্রম বিভাগৰ অধিসূচনা মতে, মজুৰি / মৰগীয়া বানচ আদি দিয়া হোৱা নাই তদন্ত কৰি আদায় দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রী মতী চৈয়দা আনোৱাৰ টাইমুৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত ৭১ খন কৃষি পাম আছে।

(খ) এই কৃষি পাম সমূহত সর্বমুঠ ৫৬৭ জন শ্রমিকক নিয়োগ কৰা হৈছে।

(গ) হয়, হৈছে।

(ঘ) কোকলাবাৰী কৃষি পাম খন কেন্দ্রীয় চৰকাৰৰ পাম নিগমৰ অধীনত হোৱা কাৰণে উক্ত কৃষি পামৰ কোনো ধৰণৰ তথ্য আমাৰ হাতত নাই। গতিকে, উক্ত পামৰ তথ্য খিনি সংগ্রহ কৰাৰ পিচতহে জনাব পৰা যাব।

(ঙ) তেনে ধৰণৰ আপত্তি কৃষি বিভাগলৈ অহা নাই।

বিষয় ঃ ৰাজহ আৰু ভূমি সংস্কাৰ সম্পর্কে চৰকাৰৰ নতুন নিয়ম।

শ্রী জীউ ৰাম বড়োই সুধিছে ঃ

২৩৪/ মাননীয় ৰাজহ আৰু ভূমি সংস্কাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ৰাজহ আৰু ভূমি সংস্কাৰৰ বাবে নতুনকৈ কি কি নিয়ম নীতি গ্রহণ কৰা হৈছে?

(খ) এই ক্ষেত্রত ট্রাইবেল ব্লক আৰু বেল্টৰ বাবে কেনে ব্যৱস্থা গ্রহণ কৰা হৈছে?

(গ) অনুষ্ঠান প্রতিষ্ঠান সমূহক মাটি আৱণ্টন দিয়াৰ বিনিময়ত প্রিমিয়াম লোৱাৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰা হৈছে কি কি ভিত্তিত কিমান পৰিমাণৰ প্রিমিয়াম লোৱা হয় অনুগ্রহ কৰি জনাবনে?

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে ইতিপূৰ্ব্বে চলি থকা ১০ বিঘা পৰ্য্যন্ত খেতি মাটিৰ ওপৰত খাজনা ৰেহাই দিয়াৰ নীতি পৰিহাৰ কৰে আৰু তাৰ পৰিৱৰ্ত্তে কেৱল ৩ (তিনি) বিঘা পৰ্য্যন্ত খেতি মাটি থকা প্ৰতিটো ভূমিহীন পৰিয়ালক খাজনা ৰেহাই দিয়াৰ নীতি গ্ৰহণ কৰিছে। তাৰোপৰি চৰকাৰে ৰাজহ আদালতৰ জৰিয়তে স্থানীয় ভাৱে নামজাৰি গোচৰ, বাটৰাৰা গোচৰ আৰু একচনা মাটিক ম্যাদীকৰনকে লৈ অন্যান্য ভূমি ৰাজহ সম্পৰ্কীয় গোচৰৰ খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। অসম ভুমি-ধাৰণৰ সৰ্ব্বোচ্চ সীমা নিৰ্ধাৰণ অধিনিয়ম,১৯৫৬ (Assam Fixation of Ceiling on Land Holding Act,1956) ১৯৯১ চনত সংশোধন কৰি উক্ত অধিনিয়মৰ চ (১) ধাৰামতে চৰকাৰে পুনৰ বিচাৰ কৰাৰ সময় সীমা বান্ধি দিয়া হয়। আগতে আইন পুনৰ বিচাৰৰ বাবে সময় সীমা নাছিল। ইয়াৰ উপৰি ১৯৯৩ চনত পুনৰ আইন সংশোধন কৰি সময় সীমা আকৌ সীমিত কৰা হয়। তাৰোপৰি চৰকাৰে পট্টা পাচ- বুক প্ৰৱৰ্ত্তন কৰিছে।

(খ) ভুমি সংস্কাৰৰ আইন সমূহ পাৰ্ব্বত্য জিলা দুখনৰ বাহিৰে সমগ্ৰ অসমতে প্ৰযোজ্য।

(গ) অনুস্থান প্ৰতিষ্ঠান সমূহক মাটি আৱণ্টন দিয়াৰ বিনিময়ত প্ৰিমিয়াম লোৱাৰ ব্যৱস্থা নাই। কিন্তু অনাচৰকাৰী অনুস্থান প্ৰতিষ্ঠান সমূহৰ নামত মাটি পট্টন হ'লে তেনে অনুস্থান প্ৰতিষ্ঠানৰ পৰা পট্টন দিয়া মাটিৰ নিৰ্দ্ধাৰিত প্ৰিমিয়াম আদায় লোৱা হয়।

বিষয় ঃ সুপ্ৰকান্দি লঙ্গাঁই জলেসেচ বিভাগের সরক মেৰামতি ও সেতু বন্ধন।

শ্ৰী প্ৰণৰ কুমাৰ নাথ জিজ্ঞাসা কৰছেনঃ

২৩৫/ মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) কৰিমগঞ্জ জিলার সুপ্ৰকান্দি NH-44 থেকে লঙ্গাঁই নদী পৰ্য্যন্ত Irrigation বিভাগের সড়কটি সংস্কার এবং সেতু নিৰ্মাণের জন্য বৰ্ত্তমান অৰ্থ বছৰে বিভাগিয় কৰ্ত্তৃপক্ষ কি কোন ৰূপ কাৰ্য্যকৰী পদক্ষেপ নিয়েছেন? যদি হয় কি কি- যদি না কেন?

(খ) বিভাগীয় কৰ্ত্তৃপক্ষ ও জনগনের সুবিধাৰ্থে বৰ্ত্তমান অৰ্থ বছৰেই অৰ্থ মঞ্জুৰ কৰত সড়কটি ও সেতু নিৰ্মাণের জন্য ব্যৱস্থা গ্ৰহন কৰৰেন কি?

* Speech not corrected

শ্রী জেহিরুল ইছলাম (জলসিঞ্চন বিভাগের মন্ত্রী)য়ে উত্তৰ দিছেন ঃ

ক) না। পরিকল্পনা বর্হিভূত মেরামতি শিতানে আর্থিক স্বল্পতার জন্য এখন পর্য্যন্ত কোন কার্য্যকরী পদক্ষেপ নেওয়া সম্ভৱ হয় নাই।

খ) উপরে উল্লেখিত শিতানে প্রয়োজনীয় অর্থের আবণ্টন পেলে কাজ হাতে নেওয়া সম্ভৱ হইবে।

বিষয় ঃ জলসঞ্চিন মাচুল।

শ্রী মৌলানা আব্দুল জলিল ৰাগিবীয়ে সুধিছে ঃ

২৩৬/ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) জলসঞ্চিন বিভাগৰ ফালৰ পৰা খেতিয়কলৈ পানী যোগান ধৰাৰ বিনিময়ত বিঘা প্রতি নতুন মাচুল লগোৱা কথাটো সঁচানে?

খ) যদি হয় তেন্তে বিঘা প্রতি কিমান টকা ধার্য্য কৰা হৈছে? পানী যোগানৰ এনে মাচুল ভাৰতবর্ষৰ অন্যান্য ৰাজ্যত প্রৱর্ত্তিত কৰা হৈছেনে, কেৱল অসমতে প্রৱর্তন কৰা হ'ল?

গ) এই নতুন জলসিঞ্চন মাচুল অসম চৰকাৰৰ সিদ্ধান্তনে, জলসিঞ্চন বিভাগৰ নিজাববীয়া সিদ্ধান্ত?

ঘ) জলসিঞ্চন বিভাগৰ ফালৰ পৰা পানী যোগান ধৰিব নোৱাৰা খেতিৰ ওপৰত ও কৰ লগোৱা কথাটো সঁচানে, যদি সঁচা হয় তেন্তে তাৰ কাৰণ কি?

শ্রী জেহিৰুল ইছলাম (জলসঞ্চিন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) সঁচা।

খ) শষ্য অনুসৰি বিঘা প্ৰতি ধাৰ্য্যকৰা মাচুল / কৰ এনে ধৰণৰ ঃ

১)	খাৰিফ	১৮.৭৫	টকা
২)	ঘেহুঁ আৰু অন্যান্য ৰবি শষ্য	৩৭.৫০	টকা
৩)	আগতীয়া আহু আৰু আহু	৫০.০০	টকা
৪)	মৰাপাট	১০.০০	টকা
৫)	কুহিয়াৰ	১৪.৮০	টকা

এই মাচুল / কৰ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত বহু বছৰৰ পৰাই প্ৰৱৰ্তিত হৈ আছে, কেৱল অসমতে নহয়।

গ) অসম চৰকাৰৰ সিদ্ধান্ত।

ঘ) পানী যোগান ধৰিব নোৱাৰা খেতিৰ ওপৰত কৰ লগোৱাৰ ব্যৱস্থা নাই।

বিষয়ঃ খৰাং পীড়িত অঞ্চল।

শ্ৰী মুনিন মহন্তই সুধিছে ঃ

২৩৭/ মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) মৰিগাঁও জিলাত ১৯৯৪ চনটোত খৰাং জনিত পৰিস্থিতি সম্পৰ্কে চৰকাৰ অৱগতনে?

খ) যদি অৱগত, মৰিগাঁও জিলাক খৰাং পীড়িত অঞ্চল হিচাবে ঘোষণা কৰাৰ ব্যৱস্থা লবনে?

গ) খৰাঙৰ কবলত পৰা জিলাৰ কৃষক সকলক সাহায্য দিবৰ বাবে মৰিগাঁও জিলাত ডিজেল তেল যোগান, ৰবি শস্যৰ বীজ, বাদামৰ বীজ আৰু অন্যান্য কীট নাশক ঔষধ আদি যোগান ধৰিছিল নেকি?

ঘ) যদি যোগান ধৰা হৈছিল, যোগান ধৰা সামগ্রী সমূহৰ নাম আৰু পৰিমাণ কিমান?

* Speech not corrected

ঙ) এই সামগ্রী সমূহ জিলা কৃষি বিষয়াৰ কার্য্যালয়ৰ পৰা কেনেদৰে বিতৰণ কৰা হ'ল?

(যি সকলৰ নামত কঠিয়া, ডিজেল তেল আদি বিতৰণ কৰা হ'ল সেই উপভোক্তা সকলৰ নাম ঠিকনা সদনৰ মেজত দাখিল কৰিব)

চৈয়দা আনোৱাৰ টাইমূৰ (কৃষি বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত।

খ) এই বিষযে কৃষি বিভাগৰ পৰা ব্যৱস্থা লোৱা নহয়।

গ) জিলাৰ উপায়ুক্ত পাম্প মেৰামতি আৰু ডিজেল তেল কিনাৰ বাবে ৫০,০০০ টকা দিয়া হয়। ৰবি শস্যৰ বীজ খৰাঙৰ কাৰণে দিয়া হোৱা নাই।

ঘ) প্রশ্ন নুঠে।

ঙ) প্রশ্ন নুঠে।

চ) প্রশ্ন নুঠে।

বিষয় ঃ আর্থিক সাহার্য্যৰ পৰিমাণ।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

২৩৮/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ১৯৯২-৯৩, ৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত সাহার্য্য ও পুনৰ সংস্থাপনৰ শিতানত সর্বমুঠ কিমান টকা আছিল আৰু উক্ত চন কেইটাত কিমান টকা খৰচ হ'ল, জনাবনে? (জিলা ভিত্তিত খৰচৰ তালিকা এখন মেজত দিব)

খ) চৰকাৰৰ মতে অগ্নিকাণ্ড, ধুমুহা আদিত ক্ষতিগ্রস্থ হোৱা প্রতিজন ব্যক্তিক সাহার্য্যৰ পৰিমাণ আৰু পুনৰ সংস্থাপনৰ বাবে প্রতিটো পৰিয়ালৰ কিমান টকাৰ আর্থিক সাহার্য্য দিয়া হয় জনাবনে?

* Speech not corrected

গ) বৰ্ত্তমান চৰকাৰৰ মতে দিয়া প্ৰতিজন ব্যক্তিৰ ও প্ৰতিটো পৰিয়ালক দিয়া পুনৰ সংস্থাপনৰ আৰ্থিক সাহায্যটো বৰ্ত্তমান সময়ত যথেষ্ট হোৱা বুলি চৰকাৰে ভাৱেনে?

ঘ) যদি নেভাৱে, তেনেহলে বৰ্ত্তমানে চলি থকা চৰকাৰী খন সংশোধন কৰি বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯২-৯৩, ৯৩-৯৪ আৰু ৯৪-৯৫ চনত প্ৰাকৃতিক দুৰ্য্যোগ সাহায্য শিতানত প্ৰতি বিত্তীয় বছৰত ৩০ কোটিকৈ সৰ্বমুঠ ৯০ কোটি টকা ধাৰ্য্য কৰা হৈছিল আৰু উক্ত চন কেইটাৰ ১৯৯২-৯৩ চনৰ পৰা ৯৪-৯৫ চনৰ ফেব্রুৱাৰী মাহলৈকে ১৯৯০-৯১ চনৰ ১৯'৭০ কোটি ৰাহি ধন সহ সৰ্বমুঠ খৰচৰ পৰিমাণ ৮২'৪০ কোটি টকা হয়। (জিলা ভিত্তিত খৰচৰ তালিকা সদনৰ মেজত দিয়া হ'ল)

খ) চৰকাৰৰ সাহায্য নিয়মাৱলী মতে সাহায্যৰ পৰিমাণ তলত দিয়া হ'ল।

ক) পাৰিতোষিক সাহায্য,

পৰিমাণ ঃ

১) ৬০০ গ্ৰাম চাউল প্ৰতিজন প্ৰাপ্তবয়স্কলৈ।

২) ৪০০ গ্ৰাম চাউল প্ৰতিজন নাবালকলৈ ১২ বছৰ বয়স পৰ্য্যন্ত।

৩) ১০ গ্ৰাম ডাইল প্ৰতিজন ব্যক্তিলৈ।

৪) ৩০ গ্ৰাম নিমখ।

৫) সৰিয়হৰ তেল ৩০ গ্ৰাম বা।

৬) ৬০০ গ্ৰাম চিৰা আৰু ৪০০ গ্ৰাম

চিৰা প্ৰাপ্তবয়স্ক আৰু নাবালকৰ বাবে।

৭) ১০০ গ্ৰাম গুড়।

খ) শিবিৰত থকা অৱস্থাতো ওপৰৰ নিৰিখ মতে দিয়া হয়। তাৰোপৰি সাহার্য্যৰ অন্যান্য সামগ্রী (Item) সমূহ।

১)	প্রাপ্তবয়স্ক লোক, বিকলাঙ্গ, মাউৰা শিশুৰ বাবে	১)	প্রাপ্তবয়স্ক ২ টকাকৈ নাবালক ১ টকাকৈ
২)	কাপোৰ, বাচন বর্ত্তন যাৰ ঘৰ-দুৱাৰ উটাই লৈ যায়	২)	১০০ টকা কিনাৰ বাবদ আৰু ১০০ টকা প্রতিটো পৰিয়াললৈ
৩)	মৃত ব্যক্তিৰ পৰিয়াললৈ এক কালীন সাহার্য্য	৩)	১০,০০০ টকা সাহায্য
৪)	যি বিলাকৰ হাত ভৰি বা চকু নাইকীয়া হৈছে।	৪)	২,৫০০ টকা প্রতি ব্যক্তি

পুনৰ নির্ম্মাণৰ বাবে ঃ

ক)	সম্পূর্ণৰূপে নষ্ট হলে	ক)	স্থানান্তৰ কৰি পুনৰ নির্ম্মাণৰ বাবে প্রতিটো পৰিয়াললৈ ১৫০০ টকা।
		খ)	কেৱল পুনৰ নির্ম্মাণ কৰিলে ১০০০ টকা।
খ)	আংশিক নষ্ট হলে	ক)	মেৰামতিৰ বাবে ৫০০ টকা প্রতি পৰিয়াললৈ।

গ) হয়।

ঘ) ওপৰৰ (গ) উত্তৰৰ পৰিপ্রেক্ষিত প্রশ্ন নুঠে।

বিষয় ঃ চিকিৎসালয়ৰ বিধি উলংঘা।

---

* Speech not corrected

শ্রী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

২৩৯/ মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) বাগিছা সমূহৰ Group Hospital আৰু Central Hospital কিবা পার্থক্য আছেনে ?

খ) এই দুইবিধ চিকিৎসালয় কিমান বিছনাযুক্ত হ'ব লাগে ?

গ) চিকিৎসা বিধিয়ে এই চিকিৎসালয়ত ঢুকি পায়নে ?

ঘ) চিকিৎসালয়ৰ বিধি উলংঘাৰ বাবে কিমানজন পৰিচালকক শাস্তি বিহাৰ, জেল জৰিমনা কৰাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে ? ১৯৯২, ৯৩ আৰু ৯৪ চনৰ সংখ্যা বেলেগকৈ জনাবনে ?

শ্রী দিলেশ্বৰ তাঁতী (শ্রম মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) অসম বাগিছা শ্রমিক বিধিৰ ৩৫ নং দফা অনুসৰি চিকিৎসা উপদেষ্টা বোর্ডৰ অনুমোদন মর্ম্মে বাগিছা কর্ত্তৃপক্ষই সমষ্টিগত ভাৱে প্রতিস্থা কৰা চিকিৎসালয়েই হল গ্রুপ হাস্পতাল। আন হাতে একে মালিকানাৰ অন্তর্গত কেইবাখনো বাগিছাৰ মাজত কেন্দ্রীয় ভাৱে সেই মালিক পক্ষই নিজাবীয়া কৈ তেওঁলোকৰ নিজা বাগিছাৰ শ্রমিক কর্ম্মচাৰীৰ সুচিকিৎসাৰ বাবে যি আবাসিক হাস্পতালৰ ব্যৱস্থা কৰে, সেয়াই Central Hospital হ'ল। গ্রুপ হাস্পতালৰ অন্তর্গত বিভিন্ন মালিকানাধীন বাগিছাৰ শ্রমিক কর্ম্মচাৰীক বিভিন্ন বিভাগত থকা বিশেষজ্ঞ সকলৰ অর্ন্তগত চিকিৎসা কৰিবলৈ বাগান হাস্পতাল ডাক্টৰৰ পৰামর্শ অনুযায়ী উন্নত চিকিৎসাৰ বাবে প্রেৰণ কৰে। কিন্তু Central Hospital প্রধানতহে নির্দ্দিষ্ট মালিকানাধীন বাগিছাৰ শ্রমিক কর্ম্মচাৰী আদিয়ে বাগান হস্পিতালত থাকিবলগীয়া সুবিধাৰহে চিকিৎসা পায়, কিন্তু বিধিমতে গ্রুপ হস্পিতালত থকা সুবিধা সমূহ Central Hospital ত নাথাকে।

খ) বিধি অনুসৰি একোখন গ্রুপ হাস্পতালত কমেও ১০০ (এশ) খন বিচনাৰ ব্যৱস্থা থাকিব লাগে। Central Hospital বিলাক বাগান হস্পিতালৰ বুলি ধৰা হয়। কিন্তু Garden Hospital ত থাকিব লগা ১৫ খন বিচনাতকৈ কম থাকিব নালাগে।

গ) গ্রুপ হাস্পতালত Plantations Labour Act, 1951 আৰু Assam Plantations Labour Rules,1951 প্রজোয্য হয়। Central Hospital বিলাক যিহেতু Garden Hospital বিলাকৰে বৃহত নামান্তৰ মাথোন, সেয়েহে এই দুই শ্রেণীৰ

* Speech not corrected

হস্পিতেলত উক্ত আইন আৰু বিধি প্রযোজ্য।

ঘ) চিকিৎসা - বিধি উলংঘা কৰাৰ বাবে অসমত ১৯৯২ চনৰ পৰা ১৯৯৪ চনলৈকে মুঠ ২৭ জন পৰিচালকক আইন মতে শাস্তি বিহা বা জেল জৰিমনা কৰাৰ ব্যৱস্থা লোৱা হৈছে। সেই অনুযায়ী ১৯৯২ চনত ১২ জন, ১৯৯৩ চনত ৮ জন আৰু ১৯৯৪ চনত ৭ জন পৰিচালকক শাস্তি বিহা হৈছে।

Re: Crop Insurance Scheme.

240. Will the Minister of Agriculture be pleased to state:

a) Whether any Crop Insurance Scheme has been introducedin Assam?

b) If so, what is total amount of fund alloted for the purpose?

c) How many cultivators have been benefitted under the Scheme? (please give names and full addresses of the beneficiaries).

Sayeda Anowara Taimur, (Minister, Agriculture replied:

a) Yes, a Crop Insurance Scheme has been introduced in Assam w.e.f. Rabi 1986-87 season.

b) The total amount of fund alloted for this scheme since inception is as follows:-

State Govt. allocation	=	Rs.	119.80 Lakhs
Central Govt. contribution	=	Rs.	30.00 Lakhs
Total upto 1993-94	=	Rs.	149.80 Lakhs

c) Total number of cultivators have so far been benefitted under the scheme w.e.f. Rabi season 1986-87 to Rabi season 1993-94 stands at 19,207 Nos.

The names and addresses of the beneficiaries are maintained by the G.P.S.S/Loan disbursing branches of respective Banks. Banks are not required to furnish names and addresses of farmers or names of villages while furnishing declaration under the comporation of India. The Comprehensive crop Insurance scheme operates on an area-approach basis like a group Insurance scheme only through the mechanisim of crop loans. However, we have taken necessary steps to collect the names and full addresses of the cultivators actually benefitted from the scheme, (copies of letters are unclosed herewith for kind infotmation) The required lists will be placed immediately on receipt of the same from the respective Banks.

বিষয় ঃ কোষ্ঠ ৰোগীৰ মাটি।

শ্ৰী মতী ৰূপম কুৰ্ম্মীয়ে সুধিছে ঃ

২৪১/ মাননীয় ৰাজহ আৰু ভূমি সংস্কাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) যোৰহাট জিলাৰ মৰিয়নী সমষ্টিৰ চেলেং অঞ্চলৰ ৰজাবাৰী অঞ্চলত মাটি বৃটিশ কালৰে পৰা কোষ্ঠৰোগী সকলক দিয়া হৈছিল চৰকাৰ অৱগত নে?

খ) সেই লোকসকলৰ মাটি আজি পৰিমিতো মাটিৰ পট্টন অধিকাৰ দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে সেয়ে এই লোক সকলক ইয়াৰ পট্টন দিয়াৰ ব্যৱস্থা কৰিবনে? যদি কৰে কেতিয়া কৰিব জনাবনে?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

* Speech not corrected

ক) হয়, অৱগত।

খ) সেই অঞ্চলৰ মাটি জৰীপ হোৱাৰ পিচতহে কোষ্ঠৰোগী সকলক মাটিৰ পট্টন দিয়াৰ সম্পৰ্কে পৰীক্ষা কৰা হ'ব।

বিষয় ঃ বাসুদেৱ সত্ৰৰ মাটি অধিগ্ৰহণ।

শ্ৰী শশকমল সন্দিকৈ য়ে সুধিছে ঃ

২৪২/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নলবাৰী জিলাৰ বতাহগিলা মৌজাৰ বালিকৰিয়া গাঁওৰ বাসুদেৱ সত্ৰৰ ১৯৮৮ চনত ৬০ বিঘা মাটি অধিগ্ৰহণ কৰাটো সত্যনে?

খ) উক্ত মাটিত পুৰুষানুক্ৰমে ভোগ দাখিল কৰা ৰায়ত সকলক পট্টন দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

শ্ৰী মুকুট শৰ্ম্মা (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) নলবাৰী জিলাৰ বতাহগিলা মৌজাৰ বালিকৰিয়া গাওঁৰ বাসুদেৱ সত্ৰৰ মুঠ মাটি ৫৮ বিঃ ২ কঃ ৬ লেচাহে অধিগ্ৰহণ কৰা হৈছিল।

খ) প্ৰশ্ন নুঠে। কাৰণ তাত নথিভুক্ত ৰায়ত নাই।

বিষয় ঃ চিলিংৰ মাটি।

শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ

২৪৩/ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চিলিং উদ্ধৃত মাটিৰ পৰিমাণ কিমান?

খ) ১৯৯০ চনলৈ আৰু ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ চিলিং উদ্ধৃত কিমান মাটি বিতৰণ কৰা হৈছে?

গ) চিলিং উদ্ধৃত মাটি যি সকলৰ মাজত বিতৰণ কৰা হৈছে সেই সকল কৃষকক পট্টা দিয়া হৈছেনে?

ঘ) যদি হোৱা নাই পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে?

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ৬,১২,৩৮০'০০ একৰ।

খ) ১৯৯০ চনলৈ চিলিং উদ্ধৃত মাটিৰ বিতৰণৰ পৰিমাণ ৪,২৯,৫৪৮'৯৭ একৰ।

১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ বিতৰণ কৰা মাটিৰ পৰিমাণ ৬২,০১১'৯৯ একৰ।

গ) চিলিং উদ্ধৃত মাটি যি সকলৰ মাজত কৰা হৈছে সেই সকলক পট্টা দিয়াৰ কাম চলি আছে।

ঘ) প্রশ্ন নুঠে।

বিষয়ঃ ভূমি নামজাৰীৰ ব্যৱস্থা।

শ্রী প্রণব কুমাৰ নাথে জিজ্ঞাসা কৰেছেন ঃ

২৪৪/ মাননীয় ৰাজহ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জানাবেন কি ঃ

ক) বর্ত্তমান সরকার করিমগঞ্জ জিলায় নতুন ভাৱে ভূমি নামজারী ফাইনেল খতিয়ান, ফাইনেল পাট্টা দেওয়াৰ জন্য কি কি ব্যৱস্থা নিয়েছেন - বিশদ বিবরন সদনের মেঝে দাখিল করিবেন?

খ) জিলায় স্থানীয় জনগনের সুবিধার্থে শিঘ্রই ভূমি নামজারীর ব্যৱস্থা করতঃ ফাইনেল খতিয়ান ও পাট্টা দেওয়ার জন্য বিভাগিয় বিজ্ঞপ্তি জারী করার ব্যৱস্থা করবেন কি? যদি হয় কখন— — যদি না কেন?

শ্রী মুকুট শর্ম্মা (রাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ভূমিনীতি অনুসারে করিমগঞ্জ জিলার পূর্ব্বের চিরস্থায়ী বন্দোবস্তি এলাকায় বর্ত্তমান ভূমি

বন্দবস্তির প্রক্রিয়া গত ১-৭-৭৯ তারিখ হইতে চলিয়াছে। এই বন্দোবস্তি প্রক্রিয়া শেষ হলে ম্যাদি পাট্টা প্রকৃত দখল কারী রাইয়তকে/ টেনিওরধারীকে/পূর্ব্বের স্বত্বাধিকারীকে দেওয়া হ'বে। ভূমি বন্দোবস্তির সময়ে বৃহৎ সংখ্যক নামজারী বিভিন্ন স্তরে কার্য্যকরী করা হ'বে।

খ) যেহেতু ভূমি বন্দোবস্তির প্রক্রিয়া চলিয়াছে সেজন্য নতুন ভাবে সরকারী বিজ্ঞপ্তি জারি করার আর প্রশ্ন উঠেনা।

(Deferred unstarred Question No. 23 of 16-3-95)

বিষয় ঃ মাটিৰ পট্টন ।

শ্রী শশকমল সন্দিকৈ য়ে সুধিছে ঃ

২৩/ মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিধান সভাত প্রতিশ্রুতি দিয়া অনুসৰি একেৰাহে ১৫ বছৰ চৰকাৰী ভূমিত বসবাস কৰা কিমান জন ভূমিহীন লোকক মাটিৰ পট্টন দিলে ?

(জিলা অনুসৰি তালিকা দাখিল কৰিব আৰু মাটিৰ শ্রেণী উল্লেখ কৰিব)

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিধান সভাত প্রতিশ্রুতি দিয়া অনুসৰি একেৰাহে ১৫ বছৰ চৰকাৰী ভূমিত বসবাস কৰা কিমান জন ভূমিহীন লোকক মাটিৰ পট্টন দিয়া লোকৰ সংখ্যা জিলা ভিত্তিত তলত উল্লখ কৰা হ'ল ।

	জিলাৰ নাম	পৰিয়ালৰ সংখ্যা	মাটিৰ শ্রেণী
১/	তিনিচুকীয়া	২০৫২	বাৰী, বস্তি ,লাহীতলী, শালিত্তলী, ফৰিং, জলদৰা, বেঃঠাই।
২/	যোৰহাট	৯৪৩৯	চিলিং চৰকাৰী, গো-ৰিজার্ভ, খাচ মাটি।
৩/	গোলাঘাট	৯১৬	

* Speech not corrected

৪/	মৰিগাওঁ	১৩৬	শালিতলী, ফৰিং, বাওঁ।
৫/	কামৰূপ (বৃহত্তৰ গুৱাহাটী)	৪৫৩	চৰকাৰী মাটি
৬/	গোৱালপাৰা	৪৫	বাৰী, ভেটি।
৭/	ধুবুৰী (ধুবুৰী মহকুমা)	নাই	
৮/	কোকৰাঝাৰ	নাই	
৯/	বঙ্গাইগাওঁ	১৮	
১০/	বৰপেটা	২৩১	
১১/	নলবাৰী	৩০৭	খেতি শ্রেণী, বাৰী, ভেটি।
১২/	দৰং	৬৬৫	শালি, বাৰী, লাহী, ফৰং আদি।
১৩/	লক্ষীমপুৰ (উত্তৰ লক্ষীমপুৰ মহকুমা)	৫০৫	জলদুৱা, লাহী, বাৰী, শালি, ফৰিং আদি
১৪/	কাছাৰ	২৫৬	
১৫/	হাইলাকান্দি	৭৫৬	সাইল, চাৰা, বাৰী, আছৰা, পতিত আদি।
১৬/	কৰিমগঞ্জ	৩১৬	চিলিং চৰকাৰী, খাচ মাটি।
১৭/	শোণিতপুৰ	৪২৮	

১৮/	ধেমাজি	৬৩৫৭	বাৰী, খেতি শ্রেণী, ফৰিঙতি, বেঃ ঠাই।
১৯/	ডিব্রুগড়	১০৪০ ২৩,৯২০	

শিৱসাগৰ আৰু নগাওঁ জিলাৰ পৰা কোনো তথ্য পোৱা নাই । কিন্তু তথ্য সংগ্রহ কৰি থকা হৈছে । তাৰোপৰি, গোলাঘাট, কামৰূপ, ধুবুৰী, বঙ্গাইগাওঁ, বৰপেটা লক্ষীমপুৰ কাছাৰ শোণিতপুৰ আৰু ডিব্রুগড় জিলাৰ পৰা সম্পূর্ণ তথ্য পোৱা নাই ।

Mr. Speaker: Question Hour is over Now ZERO HOur MATTER.

***শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কুৱেচন আৱাৰত মাননীয় যোগান মন্ত্রী মহোদয়ে ৩০ হেজাৰ টনৰ কথা কৈছে আৰু মাননীয় বিধায়ক শ্রী নগেন শর্ম্মা ডাঙৰীয়াই কৈছে ৪০ হেজাৰ টন । নগেন শর্ম্মা ডাঙৰীয়াৰ তথ্যটো যদি সত্য হয় তেতিয়া হ'লে –

***ডাঃ অর্ধেন্দু কুমাৰ দে (যোগান মন্ত্রী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০ হেজাৰৰ অধিক হ'ব বুলি কোৱা হৈছে ।

***শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ** আপুনি নিজে কৈ আছে ।

মাননীয় অধ্যক্ষঃ এই বিলাক কথা হৈ গৈছে ।

***শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষৰ চকীৰ মর্য্যদা ৰক্ষা কৰি আছে আৰু আমি কি ৰক্ষা কৰি আছো ।

মাননীয় অধ্যক্ষ ঃ সদনৰ মর্য্যদা সদায়ে থাকিব ।

***শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ধৰণৰ হলে আমি যিহকে তিহকে কৈ থাকিম । আপোনালোকে মন্ত্রী সকলকহে সুৰক্ষা দি থাকে।

মাননীয় অধ্যক্ষ ঃ অপোনালোকে ক'ব । - আপোনালোকে হডিচত লাগক মোৰ লগত লাগি থাকিলে একো নহ'ব ।

---

* Speech not corrected

*শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয, সদনৰ মর্য্যদা ৰক্ষা কৰি মন্ত্রী মহোদয়ে কৈছে যে ৩০ হেজাৰৰ বেছি হ'ব কিন্তু আমি কৈছো যে ৪০ হেজাৰ হ'ব । গতিকে মন্ত্রী মহোদয়ে ৰিলেভেণ্ট ৰেকর্ড চাই আচল তথ্যটো সদনত দিব লাগে ।

Mr Speaker : We are adopting this also. I have received as many as 8 Zero Hour notices for 20.3.95 in the name of the following Hon'ble Member's :

2. Shri Mission Ranjan Das.

3. Shri Mission Ranjan Das,

4. Shri Zoii Nath Sarmah.
Sri Hiterdra Nath Goswami

5. Shri Hitesh Deka.

6. Shri Sashakamal Handique

7. Shri Gohin Chandra Das

8. Shri Ramendra Narayan Kalita
As per Rules, I have selected only

9. Zero Hour notices for raising before the House today.

1. I now, call upon the Hon'ble Member Shri Hitendra Nath Goswami to raise his Zero Hour Motion which was published in" Sandhya Batori"

---

* Speech not corrected

*শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, "হোমিওপেথিক ছাত্রৰ প্ৰতি চৰকাৰী অনীহাত ক্ষোভ" ১৫ মার্চ তাৰিখৰ সান্ধ্য বাতৰি কাকতত প্ৰকাশিত হোৱা বাতৰি মাননীয় বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। হোমিওপেথিক আৰু আয়ুৰ্বেদিক চিকিৎসালয়ত অসমীয়া ৰাইজৰ যথেষ্ট মূল্য আছে। অসমত থকা ৩ খন চিকিৎসালয়ৰ কাৰণে ১৯৯২ চনত কেন্দ্রীয় চৰকাৰে এটা নির্দেশনা জাৰী কৰিছিল ।

১৯৯৫ চনত অসম চৰকাৰৰ বিভাগটোৱে কোনো ব্যৱস্থা নোলোৱাত কেন্দ্রীয় চৰকাৰৰ ওচৰত হোমিওপেথিক কলেজৰ ছাত্র সকলে বিষয়টো দাখিল কৰিব বিচাৰিছে । যি সকল ছাত্রই শিক্ষা গ্রহণ কৰিছে তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰৰ গতি কৰিছে । উক্ত ছাত্র-ছাত্রী সকলৰ ক্ষেত্রত ৩ টা বছৰ ভৱিষ্যত অন্ধকাৰ যথেষ্ট চৰকাৰে যথেষ্ট ভূমিকা গ্রহণ নকৰিলে ইয়াৰ পৰিপ্রেক্ষিতত ছাত্র-ছাত্রী সকলে ৬-২-৯৫ তাৰিখৰ পৰা অনির্দ্দিষ্ট কাললৈ ধর্ম্মঘট কৰিবলৈ বাধ্য হ'ল । মাননীয় অধ্যক্ষ মহোদয়,শুনিলে আচৰিত হ'ব, অসমৰ তিনিটা চিকিৎসালয়ৰ অৱহেলাৰ ফলত কেন্দ্রীয় হোমিওপেথিক পৰিষদৰ স্বীকৃতি বাতিল হৈ যোৱাৰ ফলত অসম চৰকাৰে কোনো গুৰুত্ব দিয়া নাই । প্রকৃততে যিখিনি সা-সৰঞ্জাম প্রকৃততে যিখিনি সা-সুবিধা দিব লাগে সেই খিনি নোপোৱাৰ ফলত আন্দোলনৰ কার্য্যসূচী লবলগীয়া হৈছে । সেই কাৰণে মই মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আর্কষণ কৰিছো । কিন্তু এটা কথা ঠিক ৬ মার্চত কেন্দ্রীয় চৰকাৰে অসম চৰকাৰক হোমিওপেথিকৰ কাৰণে এটা সুকীয়া বিভাগ খুলিবলৈ কোৱা সত্বেও কিয় অৱহেলা কৰিছে আজিৰ সদনত জনাব লাগে । হোমিওপেথিক আৰু আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ কাৰণে নতুনকৈ বিভাগ খুলি তাৰ লগত সংগতি ৰাখি এটা সুকীয়া সঞ্চালকালয় খুলিবলৈ ব্যৱস্থা লয় আৰু যিটো হোমিওপেথিক পৰিষদৰ স্বীকৃতি সেইটো যাতে বাতিল হৈ নাযায় তাৰ কাৰণে মই মন্ত্রী মহোদয়ৰ ওচৰত বিষয়টো উত্থাপন কৰিলো ।

*ডাঃ ভূমিধৰ বর্ম্মন (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো মই অলপ আগতে পাইছো মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি কথাৰ কাৰণে মই ছাত্রসকলৰ লগত আলোচনাও কৰিছিলো আৰু বিভাগীয় চেক্রেটাৰীৰ লগত আলোচনাও কৰিছিলো । ই এন্সট্রাকচাৰটো আগৰে পৰা বেয়া মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাজেটত যিখিনি টকা থাকে সেই টকাৰে আমি একো কৰিব নোৱাৰো । টকাটো খুব কম । এতিয়া অৱশ্যে আমি কিছু কৰিব পাৰিম বুলি কৰিছো । স্বীকৃতিটো বাতিল নহবৰ কাৰণে আমি চেষ্টা কৰিছো ।গোটেই ৰেৰ্কডটো আনিব নোৱাৰিলো কাৰণ গাড়ীত অহাৰ আগে আগেহে মই

* Speech not corrected

পাইছো।বাতিল নহ'বৰ কাৰণে গোটেইখিনি কৰিছো। কেন্দ্রীয় মন্ত্রীৰ ওচৰত আমি প্রপজেলটো দাখিল কৰিছো ।

* শ্রী জয় নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এ. আই. এইচ সঞ্চালকালয়ৰ পৰা এপ্রোভেল লাগে । মন্ত্রী মহোদয়ে এইটো বাদ দিছে।

*ডাঃ ভূমিধৰ বর্ম্মন (স্বাস্থ্য মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ষ্টেটত তেওঁলোকে চাকৰি পাৰিব। অৱশ্যে চেণ্ট্রলত নোৱাৰে।

শ্রী জয় নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে ইণ্ডিয়ান মেডিকেল কাউনচিলৰ এপ্রোভেল নহলে এই হোমিওপেথিক বা আন ডাক্তৰ সকলে কোনো ধৰণৰ প্রেকটিচ কৰিব নোৱাৰে আৰু কৰিলেও সেইটো বে-আইনি হ'ব এতিয়া তেখেত সকলে আন্দোলন কৰিছে, চৰকাৰে তেওঁলোকক বে- আইনি কাম কৰিবলৈ দিব নেকি? গকিকে চৰকাৰে এই সম্পর্কত কেন্দ্রীয় চৰকাৰৰ লগত কেনে ভাৱে যোগাযোগ কৰিছে বা কি যোগাযোগ কৰিছে এই বিষয়ে দিটেইলচ সদনত জনাব লাগে।

*ডাঃ ভূমিধৰ বর্ম্মন (স্বাস্থ্য মন্ত্রী) ঃ এই সম্পর্কত আমি যোগাযোগ ইতিমধ্যে কৰিছো।

*শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ এলোপেথিক বা হোমিওপেথিক ডাক্টৰেই হওক তেওঁলোকে আই. এম. চিৰ এপ্রোভেল নিদিলে প্রেকটিচ কৰিব নোৱাৰে। আনহাতেদি ইউ. পি বিহাৰ আদি ৰাজ্যত ১২ খন ১৫ খন হোমিওপেথিক চিকিৎসালয় আছে তেওঁলোকে কিন্তু এই ক্ষেত্রত কোনো বাধা পোৱা নাই আৰু তেওঁলোকে নিজৰ নিজৰ প্রাপ্য খিনি আদায় কৰি লৈছে। গতিকে আমাৰ ৰাজ্যত মাত্র তিনিখন কলেজ আছে এই ক্ষেত্রত যাতে ভৱিষ্যতে অনুমোদন বাতিল কৰা নহয় সেই সম্পর্কত কি ব্যৱস্থা লৈছে, মই স্বাস্থ্য মন্ত্রী থাকোতে এই বিষয়ে গম পাইছিলো এইটো নিচেই সৰু কথা, দিল্লীত গৈ এই বিষয়টো আলাপ কৰিব লাগে। মন্ত্রী মহোদয়ে আমাক আশ্বাস দিব লাগে যাতে ভৱিষ্যতে এই অনুমোদন বাতিল কৰা নহ'ব।

*ডাঃ ভূমিধৰ বর্ম্মন (স্বাস্থ্য মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্রত কেইটামান কথা প্রয়োজন হয়, যেনে ঘৰ বা বিল্ডিংটো কোনে ধৰণৰ হব লাগে, ষ্টাফ কেনে পর্য্যয় হ'ব লাগে ইত্যাদি বহু কথা আছে। কিন্তু এই সম্পর্কত প্রয়োজনীয় টকাখিনি আমি এতিয়ালৈকে পোৱা নাই।

* Speech not corrected

তথাপিতো আমি চেষ্টা এৰা নাই, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীক যোগাযোগ কৰিছো আৰু আশা কৰিছো ভৱিষ্যতে বাতিল নহ'ব।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীঃ এই বিষয়টো ১৯৯২ চনত উত্থাপিত হৈছিল আৰু আজি ১৯৯৫ চনতো ওলাইছে, আজি তিনি বছৰে স্বীকৃতি নহ'ল আৰু এতিয়াও বাতিল কৰা কথাটো ওলাই আছে। ইউ.পি বিহাৰত কিন্তু বাতিল কৰিব পৰা নাই গতিকে মন্ত্ৰী মহোদয়ে আমাক আশ্বাস দিব লাগে যাতে ভৱিষ্যতে বাতিল কৰা নহয়। এই ক্ষেত্ৰত ভাবো আমাৰ বাজেটৰ পৰাই কিছু টকা-পইচা খৰচ কৰি পৰ্য্যায় ক্ৰমে এটা এটাকৈ ষ্টেজ শেষ কৰিব পাৰো আৰু তেতিয়া স্বীকৃতি পোৱাত অসুবিধা নহ'ব, এই বিষয়ে চৰকাৰে চিন্তা কৰি ব্যৱস্থা ল'ব নেকি?

*ডাঃ ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) ঃ ব্যৱস্থা লম।

Mr Speaker : Now I request the hon'ble member Shri Badan Barua to raise his Zero Hour motion which was published in 'Ajir Batori' dated 17-3-95 under caption" মাৰাত্মক ভুলেৰে পৰিপূৰ্ণ পাঠ্যপুথি প্ৰত্যেক শাস্তিৰ দাবী।

*শ্ৰী বদন চন্দ্ৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৭ মাৰ্চ তাৰিখে আজিৰ বাতৰি কাকতত এটা সাংঘাতিক গুৰুত্বপূৰ্ণ বিষয় প্ৰকাশ পাইছে। বাতৰি কাকতত ওলোৱা 'কেপশ্যন'টো এনে ধৰণৰ মাৰাত্মক ভুলেৰে পৰিপূৰ্ণ পাঠ্যপুথি, প্ৰত্যেক শাস্তিৰ দাবী' তাত প্ৰকাশ হোৱা মতে দৰং জিলাৰ প্ৰাথমিক শিক্ষা বিভাগে প্ৰচলন কৰা কেইখনমান পাঠ্য পুথিত অভিলেষ সংখ্যক ভুল থকাত শিক্ষক অভিভাৱক সকল উদ্বিগ্ন হৈ পৰিছে। পাঠ্য পুথি সম্পৰ্কীয় বিভিন্ন বিতৰ্ক চলি থকা সময়তো কোমলমতিয়া শিশু সকলক বিপথে চলোৱাৰ সম্ভাৱনা থকা এই পুথিসমূহৰ বিৰুদ্ধে সৰৱ প্ৰতিবাদ উঠোৱাৰ পাচতো সংলিষ্ট মনে কোনো ব্যৱস্থা নোলোৱাতো দূৰ্ভাগ্য জনক কথা বুলি মন্তব্য কৰিছে। উল্লেখ যোগ্য যে দৰং জিলাৰ উপহুপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সৰেন্দ্ৰ নাথ আৰু খাৰুপেটিয়াৰ স্বত্যয়ন বুক নামৰ প্ৰতিষ্ঠান এটাই প্ৰকাশ কৰা প্ৰাথমিক বিদ্যালয়ৰ কেইবাখনো পাঠ্য পুথি আৰু সহায়ক পাঠ্য পুথিত এনে অসংখ্য ভুল বিদ্যমান। এইদৰে অসম চৰকাৰৰ পাঠ্য পুথি নিগমৰ সমান্তৰাল ভাৱে পাঠ্যপুথি সমূহ বজাৰত বিক্ৰী হৈ আছে আৰু আমাৰ ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়ত সেই ভুল কিতাপ বিলাক অধ্যয়ন কৰি আছে। আচলতে পাঠ্যপুথি নিগমৰ কিতাপ বিলাক ছপা

হৈ প্রকাশ পোৱাত দেৱী হোৱাৰ কাৰণে এনেবিলাক ব্যক্তিগত প্রতিস্থানে পাঠ্যপুথি লিখি প্রকাশ কৰি বজাৰত উলিয়াই দিবলৈ সুবিধা পাইছে আৰু এই ভুল কিতাপ বিলাকৰ দ্বাৰা ছাত্র-ছাত্রী সকলৰ ক্ষতি হৈছে । এই কিতাপ বিলাক প্রকাশ আৰু বজাৰত উলিয়াই দিয়াৰ ক্ষেত্রত শিক্ষা বিভাগৰ অনুমোদন লাগে অনুমোদিত কিতাপ বিলাকহে প্রকাশ কৰিব পাৰি। এই ক্ষেত্রত দৰং জিলাৰ প্রাথমিক শিক্ষা বিষয়া ভবকান্ত দাসে প্রতিক্রিয়া প্রকাশ কৰি জনায় যে বৰুৱাই তেওঁক নজনোৱাকৈ তেওঁ লিখা পাঠ্যপুথি সমূহত জিলা শিক্ষা বিষয়াৰ দ্বাৰা অনুমোদিত বুলি লিখা বুলি জানিব পাৰি তেওঁ আচৰিত হৈছে। বাতৰিত প্রকাশ কথা মতে উক্ত কিতাপ সমূহ গুৱাহাটীৰ ফ্রেন্স বুক ষ্টল নামৰ এখন পাইকাৰী দোকানৰ পৰা সমগ্র অসমতে যোগান ধৰা হৈছে আৰু কিতাপ সমূহ বিক্রী হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয় ঃ আপুনি দিঘলীয়া আলোচনা কৰিব নালাগে, মাত্র মেটাৰটো ৰেইজ কৰক

*শ্রী বদন বৰুৱা ঃ কথাটো সেইটো নহয়, আমি ভাবো এই কার্য্যত শিক্ষা বিভাগৰ ডি. আই জৰিত কিয়নো এই পাঠ্যপুথি সমূহ প্রকাশ আৰু বিক্রী কৰাৰ বেলিকা শিক্ষা বিভাগৰ অনুমোদন ল'ব লাগে, গতিকে তেওঁলোকে অনুমোদন কেনেকৈ ললে ঃ এতিয়া এই কিতাপ বিলাক বজাৰত অবাধ গতিত বিক্রী হৈ আছে, তেনে ক্ষেত্রত চৰকাৰৰ শিক্ষা বিভাগে আৰু পাঠ্যপুথি নিগমে কি ব্যৱস্থা লৈছে? যদি এনেধৰণেই পাঠ্যপুথি বিলাক পাঠ্যপুথি নিগমৰ সমান্তৰাল ভাৱে প্রকাশ কৰিবলৈ দিয়া হয় তেতিয়াহলে সেই কিতাপ বিলাক এখন বাচনি সমিতি কৰি কিতাপ বিলাক চাই-চিতি দিয়াৰ ব্যৱস্থা কৰক, নহলে এই ভুল কিতাপ বিলাকৰ দ্বাৰা কোমলবয়সীয়া ছাত্র-ছাত্রীৰ ভয়ংকৰ ক্ষতি হ'ব। গতিকে এই ব্যৱস্থাটো বন্ধ কৰাৰ ক্ষেত্রত চৰকাৰৰ শিক্ষা বিভাগে কি ব্যৱস্থা লৈছে সেই বিষয়ে সদনত জনাব লাগে।

*শ্রী গৌতম বৰা (শিক্ষা মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰুৱা দেৱে আজি বাতৰি কাকতত ১৭ মার্চ তাৰিখে প্রকাশ পোৱা বাতৰি বিষয়ে যি দৃষ্টি বর্ষন কৰিছে সেই বিষয়ে আমাৰ দৃষ্টিগোচৰ হৈছে। এই সম্পর্কত জনাব বিচাৰিছে যি খিনি ভুল তথ্য পাতিৰে সন্নিবিষ্ট পাঠ্যপুথি ইতিমধ্যে প্রকাশ পাইছে আৰু বজাৰত বিক্রী হৈছে সেইবিলাক কিতাপ শিক্ষা বিভাগৰ অনুমোদিত নহয় আৰু সেই কিতাপ বিলাক কোনো শিক্ষা বিষয়াই অনুমোদন জনোৱা নাই। তাৰোপৰি এই কিতাপ বিলাক কোনে বিষয়াই অনুমোদন জনাব নোৱাৰে, এই সম্পর্কত শিক্ষা বিভাগৰ এখন বাচ সমিতি আছে, সেইখন কমিটিয়ে কিতাপ বিলাক বিদ্যালয়ৰ ছাত্র-ছাত্রী সকলৰ উপযোগী হয় নে

* Speech not corrected

নহয় সেইটো বিচাৰ কৰে আৰু সেইমতে অনুমোদন জনায়। ইতিমধ্যে জিলা শিক্ষা বিষয়াক নির্দ্দেশ দিয়া হৈছে এই গোষ্ঠীয়ে লিখা আৰু প্ৰকাশ কৰা কিতাপ বিলাক যাতে বিক্ৰী হ'ব নোৱাৰে আৰু বিদ্যালয়ত যাতে চলাব নোৱাৰে তাৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা ল'ব লাগে। তাৰোপৰি এই ভুল ৰাখাৰ কিতাপ বিলাক যাতে প্ৰেচত দিব নোৱাৰে তাৰো ব্যৱস্থা লবলৈ কোৱা হৈছে। অকল সেয়ে নহয় সমগ্ৰ অসমতে এই কিতাপ সমূহ যাতে প্ৰকাশ আৰু কৰিব নোৱাৰে তাৰ ব্যৱস্থা ল'বলৈ নির্দ্দেশ দিয়া হৈছে। যি কেইখন দোকানৰ পৰা এই কিতাপ বিলাক বিক্ৰি হৈছে এই দোকান বিলাকক কিতাপ খিনি বিক্ৰী নকৰিবলৈ জনাই দিয়া হৈছে। তাৰোপৰি এই বিষয়ে উপায়ুক্তকো জনোৱা হৈছে। যাতে কিতাপ বিলাক পুনৰ বিক্ৰি নহয়। ইতিমধ্যে অসমৰ কোনো বিদ্যালয়ত যাতে এই কিতাপ পাঠ্যক্ৰমত লোৱা নহয় তাৰ বাবে বিদ্যালয় পৰ্য্যায়ত ব্যৱস্থা ল'বলৈ সঞ্চালকক জনোৱা হৈছে।

*শ্ৰী বদন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা কিতাপ এই খনেই নহয়। আৰু বহুতো নতুন কিতাপ এই দৰে চলি আছে। এই খন মাত্ৰ ধৰা পৰিছে। চৰকাৰৰ ভুলৰ কাৰণে এনেকুৱা কিতাপ বিলাক চলি আছে। ডি. আই. অব স্কুলচ এলিমেণ্টেৰী এডুকেচন, তেখেতক এই বিষয়ত কিবা শাস্তি দিব নোৱাৰেনে ? নে দিব নোৱাৰে ? আৰু বহুত ভুলে চুকে কিতাপ চলি আছে মাত্ৰ এই খনেই ধৰা পৰিছে। গতিকে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লব বিচাৰিছে জনাব লাগে চৰকাৰে এনে বিলাক কিতাপ চলাবলৈ অনুমতি দিয়াৰ কাৰণ কি ? এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ চৰকাৰে কোনো ধৰণৰ অনুমতি দিয়া নাই।

*শ্ৰী বদন বৰুৱা ঃ দিছে। নহলে স্কুলৰ পাঠ্যক্ৰমত কেনেকৈ এনে ধৰণৰ ভুল পাঠ্যপুথি সুমুৱাই দিয়া হৈছে?

মাননীয় অধ্যক্ষ ঃ শিক্ষা বিভাগে কোনো অনুমতি দিয়া নাই। আপুনি কওঁক যিকোনো এজন ব্যক্তিৰ এখন কিতাপ লিখি চপা কৰা ৰাইট আছে নে নাই ? নিশ্চয় আছে আচলতে এইটো ক্ষেত্ৰত চৰকাৰ জৰিত নহয়। এইটো হৈছে এটা প্ৰাইভেট এছেৱাৰ।

শ্ৰী জয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মঙ্গলদৈ জিলাৰ এই শিক্ষা সম্ভাই বহুতো ভাল কামত অৰিহণা যোগাইছে। তেওঁলোকে কিতাপ এখন লিখি চপাই উলিয়াইছে সেইটো এটা ভাল কাম। কিতাপ খনৰ যদি প্ৰিণ্টিং ভুল হৈছে তেনেহলে পুনৰ শুদ্ধ কৰি চপা কৰিবলৈ দিব পাৰে। চৰকাৰৰ ফালৰ পৰা মঙ্গলদৈ শিক্ষা সম্ভাটোক পুনৰ প্ৰিণ্টিং কৰি কিতাপ খন চলাবলৈ

পৰামৰ্শ দিব লাগে।

মাননীয় অধ্যক্ষ ঃ পাঠ্যপুথি চপোৱাটোত সকলোৰে ৰাইট আছে।

*শ্রী শশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ পর্য্যায়ত পাঠ্যপুথি চিলেকচন কৰোতে বিষয়া সকলে চাবলাগে যাতে সাম্প্রদায়িক চিন্তা চর্চ্চাত যাতে ব্যাঘাত নহয় তাৰ বাবে লক্ষ্য ৰাখিব লাগে। বর্ত্তমান পঞ্চম, অষ্টম, সপ্তম শ্রেণীত চলি থকা পাঠ্যপুথি সমূহৰ বাক্যবিনাশৰ ত্রুটি আছে। এনেদৰে স্কুল সমূহত চলি থকা পাঠ্যপুথি সমূহৰ বহুতো ত্রুটি ৰৈ যায়। সেয়েহে অতিসোনকালে পাঠ্যপুঠি সমূহ তদন্ত কৰি শিক্ষা পর্য্যায়ত ল'ব পাৰি নে নাই চাই চিতি অনুমোদন কৰাৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ত মন্ত্রী মহোদয়ে ব্যৱস্থা ল'ব নে জনাব লাগে।

শ্রী বদন বৰুৱা ঃ মোৰ কবলগীয়া আছে।

মাননীয় অধ্যক্ষ ঃইয়াত কবলগীয়া একো নাই। I non call upon the Hon'ble member Shri ramendra narayan Kalita to ralse his Zero hour motion which was published as "Ajir Batori dated 19-3-95 under the caption"শতাধিক ক্ষুদ্র উদ্যোগ বান্ধৰ আশংকা

শ্রী জয়নাথ শর্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা সত্রৰ ভিতৰত গৈ মানুহ মাৰি অহা কথাটো অতি গুৰুত্বপূর্ণ। গতিকে এই বিষয়ে আলোচনা কৰিবলৈ জিৰো আৱাৰত সময় দিব লাগে।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাঃ মাননীয় অধ্যক্ষ মহোদয়, মই বাতৰি কাকতত প্রকাশিত হোৱা শতাধিক ক্ষুদ্র উদ্যোগ বন্ধৰ আশংকা বিষয়টো লৈ মাননীয় উদ্যোগ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। মই ক'ব বিচাৰিছো যে, ৰাজ্যিক চৰকাৰৰ বিত্ত বিভাগ আৰু উদ্যোগ বিভাগৰ অৰিয়া অৰিৰ ফলত, চৰকাৰৰ ফালৰ পৰা ১৯৯১ চনতে যি উদ্যোগ নীতিৰ ঘোষণা কৰিছিল সেইটো আজিও কার্য্যকৰি কৰিব পৰা হোৱা নাই। অতি আক্ষেপেৰে সৈতে কবলগীয়া হৈছে যে ক্ষুদ্র উদ্যোগ বিলাকৰ ক্ষেত্রত কেচামাল ক্রয় কৰা ক্ষেত্রত যি বিক্রি কৰ ৰেহাই দিয়াৰ কথা আছিল আজি চাৰি বছৰেও নতুন উদ্যোগ নীতি কার্য্যকৰি কৰিব পৰা নাই। নতুন উদ্যোগ নীতি ঘোষণা ক'লে কিন্তু কার্য্যকৰি কৰা ব্যৱস্থা গ্রহণ নকৰিলে । বিত্ত বিভাগে বিক্রী কৰ জাননি জাৰি নকৰা ফলত ক্ষুদ্র উদ্যোগ সমূহে চাফাৰ কৰিব লগীয়া হৈছে । ১৯৯৩ চনত অসম মন্ত্রী সভাৰ এখন উদ্যোগ আলোচনা হৈছিল তেতিয়া বিত্ত বিভাগৰ মন্ত্রী

* Speech not corrected

এমাহৰ ভিতৰত বিক্রী কৰ ৰেহাই জাননি জাৰি কৰাৰ কথা আছিল। কিন্তু তাৰ পাচত সকলো নিমাত হৈ থাকিল। ১৯৯১ চনতে ঘোষণাৰ নতুন উদ্যোগ নীতি আজি ১৯৯৫ চনতো কিয় কার্য্য কৰি কৰা হোৱা নাই এই বিষয়ে মই উদ্যোগ মন্ত্রী মহোদয়ৰ পৰা স্পষ্টিকৰণ বিচাৰিছো। আৰু এই বিষয়ে মই মন্ত্রী মহোদয়ৰ বিশেষ দৃষ্টি আর্কষণ কৰিলো ।

*শ্রী বিজিত শইকীয়া (মন্ত্রী) ঃ মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় উত্থাপন কৰিছে এই বিষয়টোত মই ক'ব খুজিছো যে টেক্স এস্কজামচন দিব পৰা ক্ষেত্রত সমগ্র দিব পৰাকৈ এণ্টায়াৰ ব্যৱস্থা লৈছো। ফাইনেল ষ্টেজত আছে,অলপতে ঘোষণা কৰিম।

*শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩ চনত মিটিঙত এমাহৰ ভিতৰত কার্য্যকৰী কৰাত কথাৰ ভিত্তিত মই ক'ব খুজিছো যে আজি ১৯৯৫ চনতো কার্য্যকৰি কৰা হোৱা নাই। টেক্স বিভাগে উদ্যোগ সমূহৰ ওপৰত ভিত্তি গ্রস্ত কৰি টেক্স আদায় কৰা চেষ্টা চলাইছে। এই ক্ষেত্রত ১৯৯১ চনতে ইণ্টওষ্ট্রিয়েল পলিচি জনাই দিছে অথচ তাৰ অৱডাৰ কাগজ কলমে বিত্ত বিভাগে আজিলৈ জনোৱা নাই। এনে যোগা যোগৰ ত্রুটিৰ কাৰণে বহুতো খেলি মেলিৰ সৃষ্টি হৈছে ।

*শ্রী বিজিত শইকীয়া (মন্ত্রী, উদ্যোগ বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়,মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো পৰামর্শ আগবঢ়াইছে এই সম্পর্কত বিত্ত মন্ত্রী আৰু মই নিজে মই ইতিমধ্যে পৰামর্শ লৈছো ।

*শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ক্ষুদ্র উদ্যোগ আছে সেই বিলাকৰ বিক্রি কৰ ৰেহাইৰ ক্ষেত্রত যিটো সিদ্ধান্ত আছে সেই হিচাবে কৰ বিভাগে যথেষ্ট হাৰাশাস্তি কৰিছে । গতিকে বর্ত্তমান কৰ বি ভাগে যি হাৰাশাস্তি কৰিছে। গতিকে বর্ত্তমান কৰ বিভাগে যি হাৰাশাস্তি কৰি আছে সেই হাৰাশাস্তি মন্ত্রী মহোদয়ে অনতিপলমে বন্ধ কৰাৰ ব্যৱস্থা কৰিবনে? দ্বিতীয়তে, নতুন উদ্যোগ নীতি ঘোষণা কৰা হৈছে । সেইটো এতিয়াও কিয় কার্য্যকৰী হোৱা নাই? কিয় হোৱা নাই মন্ত্রী মহোদয়ে জনাব লাগে।

শ্রী বিজিত শইকীয়া (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, নতুন উদ্যোগ নীতি ঘোষণা কৰা হৈছে কিন্তু টেক্সৰ ক্ষেত্রত যিখিনি অসুবিধা হৈছিল সেই সম্পর্কত ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে। যি উদ্যোগ নীতি ঘোষণা কৰা হৈছে তাৰ কিছু অংশ ইমপ্লিমেণ্ট হৈছে। টেন্স একজেমচনৰ ব্যৱস্থা লোৱা হৈছে। যি সকল লোকক হাৰাশাস্তি কৰা বুলি কৈছে সেই সকলৰ প্রতি ব্যৱস্থা লোৱা হ'ব।

* Speech not corrected

শ্রী চন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, শূণ্যকালৰ সময়ছোৱাত শিক্ষা বিভাগৰ যিটো কথা উত্থাপন কৰা হৈছে এই বিষয়ে মই এটা পৰামর্শ দিব বিছাৰিছো। ভৱিষ্যতে যাতে এই কিতাপ পুথি বিলাক কলিকতাত প্রিণ্ট কৰিবলৈ নিদি অসমতে প্রিণ্ট কৰিবলৈ দিব লাগে।

NOTICE OF ADJOURNMENT MOTION

Mr.Speaker: I have received two notices of Adjourment Motion under Rule 56 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly given notice of by Hon.Members:-

1. Shri Prafulla kumar Mahanta

   Shri Promode Gogoi

   Shri Hitendra nath Goswami

   Shri Bhrigu Kumar Phukan

   Shri Ramendra Narayan Kalita

   Shri Sashakamal Handique

   Shri Derhagra Mochahary

   Shri Holiram Terang

2. Shri Mission Ranjan Das

   Shri Chittendra Nath Mazumdar

   Shri Madhusadan Tewari

---

* Speech not corrected

I now,call upon the Hon'ble Members, ShriPrafulla Kumar Mahanta and others to speak very briefly onlu on the points of its admissibility.

*শ্রী প্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়,বূল ৫৬ মই আমি এটা এদজৰমেণ্ট মোচন উত্থাপন কৰিছিলো। অধ্যক্ষ মহোদয়, ইতিমধ্যে এদমিচিৰিলিটিৰ কাৰণে ৫৭/৫৮ ত যিকেইটা প্রতিজনৰ কথা উল্লেখ কৰা হৈছে সেই আটাইখিনি ফুলফিল কৰা হৈছে। গতিকে অধ্যক্ষ মহোদয়ক অনুৰোধ কৰো যাতে আজিৰ সভা স্থগিত ৰাখি এই বিষয়টো উত্থাপন কৰাৰ বাবে সুবিধা দিব লাগে। এই সম্পর্কত মাননীয় সদস্য ফুকন ডাঙৰীয়াই আৰু ৰমেন কলিতা ডাঙৰীয়াই উত্থাপন কৰিছে।

*Shri Promode Gogoi :Mr Speaker, Sri the adjournement motion that we are intending to move is a very specific and a definite matter of urgent public importance. Sri acccording to Rule 56" a ,motion for an adjournement of the business of the assembly for the purpose of discussing a definite matter of urgent public importance may be made with the consent of the Speaker" Sir, that matter we are intending to move for adjournment is adefinite matter which occurred only on the 18th of March in the Capital itself. According to report the matter was such accordingly to information the incident that took place at 9.30 a.m only at Jalukbari Police Station when Mr. Samsul Hoque along with his colleague came to spot for setting up a commercial market. At that time Mr. Naushad Ali, elder brother of Adil Shah arrived at the place and started abusing and passing slang comments on mr. Samsul Hoque. Immediately after that Mr.Adil Shah came to the spot in a Maruti car and started spraying bullet on the assembling youths. The two PSOs attached to Mr. Shah also started beating the youths with their rifle-butts-local people claims.

Mr. Speaker Sir, this particular person is/a protected person of the State Govt. He is not only President of the District Congress Committee but also he has been provided by the Govt. with two PSOs. He has been provided with a revolver for his self-protection but he used both the weapon and the two PSOs to attach an innocent youth. Mr. Speaker Sir, you will aslo remember the press report which says:" It is learnt that Adil Shah took an amount of Rs.50,000 from Samsul hoque for arranging him a Govt. job. But unfortunately Samsul Hoque neither did get the job nor any moneybut was greeted with sweet bullets. Moreover Sir, the incident took place in the very heart of the city and therefore we take it seriously because this particular gentleman Adil Shah who has been protected by the Govt. is also said to be involved in the kidnapping of Tax Commissioner, Mr. Keot. Speaker Sir, you will not be surprised that the leaders of the ruling party, both the President and Secretary,Mr Adil Shah and the Former Secretary Shri Lachit Kalita, both of them got involved in the kidnapping of the Tax Commissioner and according to our information which came out in the press and not denied bu the Govt. till today this particular gentleman Adil Shah took an amount of Rs. 15 lakh from Mrs Keot....

Mr. Speaker: Please restrict your speech to the point of admissibility only.

Shri Promode Gogoi: I am coming to the point.... but he did not hand over the amount to the particular organisation. Therefore, Sir, this is a serious matter because the House is

* Speech not corrected

in session and this incident took place in the very heart of the city. According to Rule 57: Restrictions on power to make motion-the rule says "The right to move the adjournment of the Assembly for the purpose of discussing a definite matter of urgent public importance shall be subject to the following restrictions, namely:-

(i) Not more than one such motion shall be made at the same sitting.This is the only motion that we have brought up for the adjournment of the House.

(ii) Not more than one matter can be discussed on the same motion and the motion must be restricted to a specific matter of recent occurrence. Sir, we have taken up only this matter which is of recent origin and specific in nature.

(iii) The motion must not revive discussion on a matter which has been discussed in the same session.Sir, as we know this matter was not discussed in the house since its session commencing on the 15th of March,95.

(iv) The motion must not anticipatea matter which has been previously appointed for consideration or with reference to which a notice of motion has been previously given, regard being had to the probability of the matter anticipated being brought before the House within a ressonable time; This clause also does not apply to the motion because axxording to the time schedule and work schedule there was no anticipation in this matter. The motion does not deal with a matter on which a resolution could not be moved. This motion shall not deal with any matter which is not

applicable in any part of India.

Therefore, Sir, these restrictions are not applicable here. Therefore, Speaker Sir, I would request you to allow the discussion on this very matter of public importance relating to the affairs of the present Government particularly, which has taken place during this session of the house.

শ্রী ভৃগু কুমাৰ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, সভা স্থগিত প্রস্তাৱ সদনত আলোচনা কৰিবৰ কাৰণে ৰুলচ এণ্ড প্রচিদিউত যি কেইটা বিষয় উল্লেখ কৰিছে এই বিষয়টোত সেই কেইটা জড়িত হৈ আছে। যোৱা ১৮ তাৰিখে যিটো ঘটনা ঘটি গৈছে সেইটো সাধাৰণ ঘটনা নহয়, দৈনন্দিন নিৰাপত্তাৰ ঘটনা নহয়, এইটো অতি গুৰুত্বপূর্ণ ঘটনা। জিলা কংগ্রেছৰ সভাপতিজন এই ঘটনাৰ লগত জড়িত হৈ আছে। চৰকাৰে কৈছে যে ৰাজ্যখনৰ আইন শৃঙ্খলা পৰিস্থিত সন্তোষজনক হৈছে, উন্নত হৈছে। ইয়াৰ পিচতো জিলা কংগ্রেছ আইৰ সভাপতি জনে নিজে হাতত পিষ্টল লৈ এজন লোকক হত্যা কৰিবলৈ লৈছিল, এইয়াও আইন শৃঙ্খলা পৰিস্থিতি উন্নত হোৱাৰ লক্ষণ নেকি ? জিলা কংগ্রেছৰ সভাপতিজন যিহেতু এই ঘটনাৰ লগত জড়িত হৈ আছে সেয়ে বিষয়টো সভা স্থগিত কৰি আলোচনা কৰিব লাগে সদনে । যি খিনি মাটিক লৈ এই ঘটনা হৈছে সেই মাটি খিনিৰ লগত আৰু বহুতো লোকজড়িত আছে, ইয়াত আলোচনা হলে বহুত কথা ওলাব সেয়ে বিষয়টো অতি গুৰুত্ব পুর্ণ আৰু মাননীয় অধ্যক্ষই এইটো ইয়াত আলোচনা কৰিবলৈ দিব লাগে ।

*শ্রী শশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সভা স্থগিত প্রস্তাৱৰ কাৰণে ৰুলচ এণ্ড প্রচিদিউৰত নং ৫৭আৰু ৫৮ ত যি কেইটা বিষয় পুৰণ কৰিছে। যিহেতু আমাৰ সদন চলি আছে আৰু ইয়াৰ মাজতে এনে এটা গুৰুত্বপুর্ণ ঘটনা সংঘটিত হৈছে, গতিকে বিষয়টো ইয়াত আলোচনা কৰিবলৈ অধ্যক্ষ ডাঙৰীয়াই অনুমতি দিব লাগে। এজন জিলা কংগ্রেছৰ সভাপতিয়ে চৰকাৰে দিয়া বস্ত্র হাতত লৈ, ব্যক্তিগত নিৰাপত্তাৰক্ষীক লগত লৈ, সাধাৰণ নাগৰিকক হত্যা কৰিবলৈ যোৱাটো সাধাৰণ ঘটনা হ'ব নোৱাৰে। ইয়াৰ লগত সাধাৰণ নাগৰিকৰ নিৰাপত্তাও জড়িত হৈ আছে । সেয়ে সদনৰ অন্যান্য কার্য্যসূচী বন্ধ কৰি, সদনে সভাস্থগিত প্রস্তাৱটো গ্রহণ কৰি এই গুৰুত্বপুর্ণ বিষয়টো আলোচনা কৰিব লাগে।

*শ্রী মিশন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়,আসাম বিধান সভাৰ কার্য্যবিবৰণীৰ ৰুল ৫৬ অন্তর্গত

*. Speech not corrected

বিধানসভাৰ আজ যে কার্য্যসূচী ৰয়েছে স্থগিত ৰেখে যে সভাস্থগিত প্রস্তাবের নোটীশ দেওয়া হয়েছে তারসমর্থণ করে আমি বলতে চাই যে- The House should do adjouon today the 20th march,1995 for the incident ocuneed on 1st march,1995 near the Jalukbari Police out post which is alsopublished in the "Samay Prabah" on 19-3-95.------প্রকাশ্যে গুলি চালিয়ে ধৰা পড়েছেন আদিল শ্বাহ। অধ্যক্ষ মহোদয়, এই আদিল য্বাহ নামক লোকটিকে নিয়ে পত্র-পত্রিকায় অনেক লেখালেখি আগেও হয়েছে সেটা নতুন কথা নয়। এমন কি পত্রপত্রিকায় এমনও প্রকাষ পেয়েছে যে এই লোকটি নাকি আলফা এবং সালফা দুই টি উগ্রপন্থী সংগঠনের নেতৃত্ব দিচ্ছে।

মাননীয় অধ্যক্ষ ঃ আপুনি এডমিচিবিলিটিৰ ওপৰত কওঁক।

*শ্রী মিশন রঞ্জন দাস ঃ মহোদয়,সমস্ত গৌহাটী শহরে এর কাজকর্ম নিয়ে একটা পেনিক সৃষ্টি হয়েছে। মিঃ হেমরাম কেওটের অপহরনে প্রমাণ হয়েছে যে আদিল শ্বাহর আলপার সসে এবং বিভিন্ন এক্সটর্শন-এ প্রমাণ হয়েছে সালফার সঙ্গে এবং বিভিন্ন এক্সটর্শন-এ প্রমাণ হয়েছে সালফার সঙ্গে তার যোগসাজস রয়েছে।

মাননীয় অধ্যক্ষ ঃ প্রমাণ হয় নি এইটো ইচ্ছা কৰিলেই ইয়াত ক'ব নোৱাৰি। Please try to restrict your selt to the point of admissibility.

*Shri Mission Ranjan Das: Sir, this incident occured very recently i.e. on the day before yesterday.This is a matter of great importance.It is definitely a matter of great importance. The motion has not been discussed at all in this House. Sir, it is a specific issue. So this is the ingredient for admissibility of this Motion in the House. So there is no bar on this. We hope the Hon'ble Speaker will allow the Members to discuss the matter in the House.

*Shri Holiram Terang: Mr. Speaker Sir, all other Members have

* Speech not corrected

already spoken on the admissibility of the Motion,I do not think it can be fair to disallow the motion. Now Sir, what you have to consider I believe, is the seriousness of the matter.No one will say this is not a serious matter.The only point is that,I would like to point out here, will the House remain a mute spectator to the news? Can we remain? If you do not allow this motion to be discussed in this House then the message will go to the people at large.

Mr. Speaker : You are not concerned to that. What people will think this is different.

* Shri Holiram Terang : Sir, we have to be concerned to the people. We cannot remain unconcerned to the condition of the people, we cannot remain unconcerned to the feelings of the people. If we remain unconcerned then why we are here? Sir, we are here because we are representing the people. That is why Sir, what I am trying to point out (Interruption by the Speaker). So Sir, as per rules this motion cannot be denied.It is a matter of public demand. If we do not discuss this matter in the House then the message will go to the public at large that the Assembly is not interestedin discussing the lives of the people and the security of the people. That is why Sir, I request you to allow the motion to be discussed in this House.

* Shri Dewan Joynal Abedin : Mr. Speaker, Sir, an adjournment motion has been moved and enough has been said on the grounds on which this motion should be admitted. I, on behalf of our party would like to speak before you that thisMotion should be admitted because it fulfils all the necessary conditions required for admission of a Motion. Now, Sir, Honourable....

---

* Speech not corrected

Mr. Speaker : You have not given any notice.

*Shri Dewan Joynal Abedin : Sir, I would like to feel, this is a fit case for adjournment because it fulfils all the conditions as mentioned by Honourable Member, Shri promode Gogoi. Now, Sir, the question is: whether it is a matter of urgent public importance. Under Rule 50 (2), it very much fulfills this condition. Another point is whether it is of recent occurance. Sir, it occured only day before yesterday. Thirdly, it is a matter of public importance because it involves not an ordinary press, but a person who is the Presidentof the District Congress(I) Party. Sir we should not forget this point. Sir,If a man of this status comes out in the street and shoot at a person in broad day- Light with the weapon given to him for his own protection and then one can imagine,what is the state of things going on today. Sir, nobody can say that the President of a District Congress (I) is an ordinary man and that is why, it is an matter of public importance. because this party is involved in corruption, and use of muscle power. So, I request you, Sir, to allow this adjornment motion.

* শ্রী বমেন্দ্র নাবায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ, আজি যিটো সভাস্থগিত প্রস্তাৱ অনা হৈছে। 'ৰোলচ্ অব বিজনেচ্'ৰ ৫৭ আৰু ৫৮ ত এই বিষয়ত কিছুমান চর্ত্ত আছে। দ্বিতীয়তে এইটো পাৱলিক ইম্পর্টেঞ্চৰ কথা আছে। দুদিন আগতে যিটো ঘটনা ঘটাই গ'ল আৰু যিজন মানুহে ঘটনাটো ঘটালে, সেইজন সাধাৱণ মানুহ নহয়। গুৱাহাটী জিলা কংগ্রেছ (ই)ৰ সভাপতি আৰু ৰোলিং পার্টিৰ মানুহ কাৱণে তেওঁক চৰকাৰে সম্পূর্ণ ৰক্ষণা-বেক্ষণা আৰু নিৰাপত্তা দিছে। যিজন ব্যক্তি বয় যোৱা ১৮ মার্চত ঘটনাটো সংঘটিত কৰিলে, তেওঁৰ এইটো প্রথম ঘটনা নহয়। ইয়াৰ আগতে বামজনম ভূমি আৰু বাবৰি মছজিদৰ বিবাদৰ সময়ত পাণ্ডুত তেওঁ এনে এটা ঘটনা সংঘটিত কৰিছিল। হেমৰাম কেওঁটৰ অপহৰণৰ ক্ষেত্রত তেওঁৰ পত্নীয়ে যি চাঞ্চল্যকৰ

* Speech not corrected

তথ্য প্রকাশ কৰিছিল, যে আদিল চাহ এই অপহৰণৰ লগত জৰিত। তাৰোপৰি আদাকাৰী বাচষ্টেণ্ডৰ ওচৰত মাছখোৱাৰ কিছুমান মানুহক আগৰ ৰাজ্যপাল শ্ৰী ডি. ডি ঠাকুৰে মাটিৰ আৰণ্টন দিছিল।এই মানুহ জনৰ নেতৃত্বত সেই মাটি বিলাক এতিয়া কিছুমান গুৰুত্ব দিয়া হৈছে। গতিকে এই ব্যক্তি জনৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে। আমি জনাত এই ব্যক্তি জনক পুলিছে চৰকাৰী পৃষ্ঠপোষকতাত ভি. আই. পি ট্ৰিটমেণ্ট দিছে। এই গোটেই বিষয় বিলাক আলোচনা কৰিবৰ বাবে সভা স্থগিত ৰাখি, এই বিষয়টো আলোচনা কৰিব লাগে। আমাৰ ইয়াত এতিয়া টাডা আইন আছে। আজি কালি সাধাৰণ মানুহৰ ক্ষেত্ৰত সৰু সুৰা এটা ঘটনা ঘটালেওঁ টাডাত গ্ৰেপ্তাৰ কৰে। গতিকে এই ব্যক্তি জনকো কিয় টাডাত গ্ৰেপ্তাৰ কৰিব লাগে।

*শ্ৰী ডেৰ হাগ্ৰা মূচাহাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, দুদিন আগতে গুৱাহাটীত শ্ৰী আদিল চাহৰ জৰিয়তে যিটো ঘটনা সংঘটিত হ'ল সেইটো অতি গুৰুত্বপুৰ্ণ বিষয় আৰু সভা স্থগিত ৰাখি এই বিষয়টো আলোচনাৰ বাবে অনুমতি দিব লাগে। ৰাইজৰ প্ৰতিনিধি হিচাপে চৰকাৰৰ ফালৰ পৰা তেওঁৰ নিৰাপত্তাৰ বাবে ' চিকউৰিটি দিয়া হৈছে তাৰোপৰি তেওঁক ব্যক্তিগত ভাৱে ৰাখিৰ বাবে 'খিভলভাৰৰ' লাইচেঞ্চ দিয়া হৈছে। কিন্তু তেখেতে এই বিলাকৰ অপব্যৱহাৰ কৰিছে। অধ্যক্ষ মহোদয়, এই ঘটনাটোত 'পাবলিক ইম্পৰ্টেঞ্চ যথেষ্ট আছে। গুৱাহাটী চিটিতে, আমাৰ এচেম্বলি চলি থকা সময়তে শাসক দলৰ এজন নেতৃস্থানীয় লোকে যিটো জঘন্য কাৰ্য্য কৰিলে, আজি সভাস্থগিত ৰাখি এই বিষয়টোৰ আলোচনা কৰিব লাগে বুলি মই বি. এল পিৰ তৰফৰ পৰা প্ৰস্তাৱ দাঙি ধৰিলো।

Mr Speaker: Now Hon,ble Minister, Parliamentary Affairs.

*শ্ৰী গোলোক চন্দ্ৰ ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো সভাস্থগিত প্ৰস্তাৱ অনা, সেইটো ইয়াত আলোচনা কৰিবলৈ দিব পাৰি নে নোৱাৰি তাৰ ওপৰত ইতিমধ্যে কেইবাজনেওঁ যুক্তি প্ৰৰ্দশন কৰিছে। অধ্যক্ষ মহোদয়, এই ঘটনাটোত এজন কংগ্ৰেছ (আই) দলৰ মানুহ জৰিত থকা বাবে বেছি গুৰুত্ব পাইছে। আচলতে তেখেতসকলে এই প্ৰস্তাৱটো অনাৰ আগতে আনাৰ প্ৰতি এটা ধন্যবাদসূচক প্ৰস্তাৱহে আনিব লাগিছিল। যিহেতু আমাৰ দলৰ জিলা কমিটিৰ সভাপতি হোৱা স্বতেওঁ তেওঁৰ ওপৰত তৎকালীন ভাৱে আইন সংগত ব্যৱস্থা লোৱা হৈছে। এতিয়া আমি চাব লাগে প্ৰস্তাৱটো 'এডমিচিবুল' হয় নে নহয়। এই বিষয়ত মোৰ হাতত ৰোল আছে। (ভইচঃ আপোনালোকে আমাক হাতেৰেও মাৰিছে এতিয়া মাতেৰেওঁ মাৰিব) 'এডমিচিবুল' হয় নে নহয় শাঙ্কৰদেৱে

*Speech not corrected

কিহুমান চর্ত লিখি থৈ গৈছে, মই পঢ়ি দিছো----।

An adjournment motion to be admissible must possess the following essential elements:

Generally speaking, the subject matter of an adjournment motion must have direct or indirect relation to the conduct or default on the part of the Govt. of India and must be in the nature of criticism of the action of the Govt. of india rither of having done some action or for having ommitted to do some action which was urgently necessary at the moment. An adjournment motion is not admissible unless there was a failure on the part of the Govt. to perform the duties enjoined by the constitution and the law" Where the Govt. of India has no obligation to interfere in a matter, an adjournment motion is out of order. An adjournment motion cannot be moved also on matters where a minister exercises discretionary powers conferred upon him by a statute."

If it refers to any matter of policy continued from day to day. Whereas the public importance I do agree that the action is impotant so far/as public importance is concerned.This can not be the subject matter of adjournment.

Shri Promode Gogoi: Mr. Speaker Sir, Hon,ble Minister for Parliamentary Affairs was kind enough to quote certain Rules.....

Mr. Speaker: I have heard and that will be recorded where there is scope for it.

Shri Promod Gogoi: Sir, only I want to have a clarification from the

Hon'ble Minister.

Mr Speaker : It is for me to convince or not.

Shri Promode Gogoi : One clarification, sir, there is no ommission and commission on the part of the Govt. That is the contention made by the Hon'ble Minister. But I would like to ask him whether the protection provided to him and the weapons supplied to him have been withdrawn or not. I think the weapons for protection have not been withdrawn.

Mr. Speaker : I have heard the Minister Parliamentary Affairs on the admissibility of adjournment motion I deserve my ruling.

Shri Zoiinath Sarma: We want a Statement from Chief Minister as C.M.is involved & Shri Chandra Mohon Patowary

Mr. Speaker : I do not agree with it (Noise)

(AGP Members led by Shri P.K. Mahanta staged walk out.)

CALL ATTENTION NOTICE

Mr Speaker :I now call upon Shri Nizamuddin Khan to call the attention Minister Health to the news item appearing in 'Sandya Batory' dated 2nd December,1994 under the caption"এহেজাৰৰো অধিক নাৰ্ছক প্ৰশিক্ষণৰ অবৈধ নিযুক্তি"।

* শ্ৰী নিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু ক । য] পৰিচালনাৰ নিয়মাবলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৪ চনৰ ২ ডিচেম্বৰ তাৰিখৰ 'সান্ধ্য' বাতৰি কাকতত প্ৰকাশিত "এহেজাৰৰো অধিক নাৰ্ছক প্ৰশিক্ষণৰ অবৈধ নিযুক্তি"শীৰ্ষক বাতৰিটোৰ প্ৰতি স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ মনোযোগ আৰ্কষণ কৰিলো।

* ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী নিজামুদ্দিন খান

* Speech not corrected

ডাঙৰীয়াই উত্থাপন কৰা বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। ডাই�ৰেক্টৰ মেডিকেল হেলথ চাৰ্ভিচৰ ফালৰ পৰা এহেজাৰ নাৰ্ছক প্ৰশিক্ষণৰ বাবে নিযুক্তি দিছিল।

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোত মুখ্যমন্ত্ৰীয়ে এটা ষ্টেটমেণ্ট দিব লাগিছিল। কাৰণ এইটো এটা আৰজেণ্ট মেটাৰ আছিল। এই বিষয়টোৰ ওপৰত বিবৃতি নিদিয়াৰ প্ৰতিবাদত আমি সদন কক্ষ ত্যাগ কৰিলো।

* ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী)ঃ নাৰ্ছ বিলাকক নিযুক্তি দিয়াৰ ক্ষেত্ৰত যেতিয়া আপত্তি উঠিছিল। তেতিয়া সেই নিযুক্তি কেঞ্চল কৰা হৈছিল। কিন্তু হাইকোৰ্টে নিযুক্তি দিবলৈ ৰায় দিয়া বাবে আকৌ নিযুক্তি দিয়া হৈছে।

(The matter under Rule 301 is the name of Shri Dhruba Kumar Sen was not raised as the Hon'ble member was not present is the house when called for)

DEBATE ON GOVERNOR'S ADDRESS.

Mr. Speaker: Now item No 4 Debate on Governors address. Shri Abdul Zalil Ragibi will speak.

* শ্ৰী আব্দুল জলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনত আমাৰ দলৰ ফালৰ পৰা মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন বা হৈছিল আৰু সেইটো সমৰ্থন কৰি মই মোৰ বক্তব্য দাঙি ধৰিছিলো। মোৰ বক্তব্যখিনি সদনত আধৰুৱা আছিল। আজি সেই সম্পৰ্কে মই আৰু কিছু কথা সদনত ডাঙি ধৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় ৰাজ্যপাল মহোদয়ে এই সদনত যি ভাষণ দিছিল তাৰ ওপৰত বিৰোধী পক্ষৰ কেইজনমান সদস্যই কিছু ক্ষেত্ৰত অভিযোগ কৰিছে সেই অভিযোগবোৰ সপক্ষে কিছু কথা কৈছে। মই আজি মোৰ বক্তব্য ডাঙি ধৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্যসকলে ঘাইকৈ ২ টা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সেই দুটা বিষয় হল তেখেত সকলৰ

* Speech not corrected

মতে অসমৰ বৰ্ত্তমান আইন শৃঙ্খলাৰ পৰিস্থিতি অত্যন্ত শোচনীয় ভাৱে অৱনতি ঘটিছে আৰু ২য় টো বৰ্ত্তমান চৰকাৰৰ আমলত কোনো ধৰণৰ উন্নযনমূলক কাম হোৱা নাই। মই প্রথমতে এই চৰকাৰৰ দিনত উন্নয়নমূলক কাম হৈছে নে নাই সেই সম্পর্কে অলপ থুলমুলকৈ সদনত এটা সমিক্ষা মোৰ বক্তব্য ডাঙি ধৰিব বিচাৰিছো লগতে চৰকাৰে কৰিবলৈ বিচৰা উন্নয়নমূলক কামৰ এটি খতিয়ান মই পৰিসংখ্যা ভিত্তিত ডাঙি ধৰিম। বিৰোধী পক্ষৰ সদস্য সকলে এইবাৰ 'নোট' কৰিব যে তেখেত সকলে নিজৰ বক্তব্য ডাঙি ধৰাৰ সময়ত 'স্পেচিক' ভাৱে মই উত্থাপন কৰা বিষয় বিলাকৰ এটাও তেখেতলকলে ভুলবুলি প্রমাণ কৰিব পাৰে নেকি চেষ্ট কৰি চাব। মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত আমাৰ চৰকাৰে যোৱা তিনিটা বচৰ সময়চোৱাত সম্পূর্ণ কৰি যি উন্নয়নমূলক কাম কৰিলে সেই উন্নয়নমূলক কামৰ খতিয়ান পৰিসংখ্যা ভিত্তিত মই দাঙি ধৰিম। অসমৰ জনসাধাৰণে এইবিলাক সত্য নে অসত্য জানে

মাননীয় অধ্যক্ষ মহোদয়,এটা কথা সকলোৱে জানে আমাৰ ভাৰতবর্ষখন বহুদিন পৰাধীন হৈ আছিল। বিদেশী শক্তিয়ে এই বৃহত্তৰ দেশ ভাৰতক সকলো দিশতে মৰুভূমিত পৰিণত কৰি গৈছিল। কিন্তু স্বাধীনতাৰ পিচত ভাৰতবর্ষখনক আমাৰ চৰকাৰে আর্থ সামাজিক দিশত দ্রুত উন্নতিত মনোযোগ দিব লগা হ'ল। সেই কালছোৱাৰ পিচত ভাৰতবর্ষত উন্নযনৰ কাৰণে পঞ্চবার্ষিক পৰিকল্পনা কৰিব লগা হ'ল। সেই পৰিকল্পনা মতে অন্যান্য ৰাজ্যসমূহৰ লগতে অসমেও প্রতি বছৰে পৰিকল্পনাৰ ধন পাই আহিছো। এই ধন, যিখিনি এইৰাজ্য পাইছে তাৰ এটা হিচাব সদনত দাঙি ধৰিম। কেন্দ্রীয় চৰকাৰৰ পৰিকল্পনা আয়োগৰ যোগেদি বিভিন্ন ৰাজ্যক দিয়াৰ দৰে ধন অসমকো দিয়ে। সেই ধনৰ শতকৰা ৭০ ভাগ ধন ঋণ হিচাবে দিয়ে আৰু শতকৰা ৩০ ভাগ ধন অনুদান হিচাবে দিয়ে। স্বাধীনতাৰ পিচত প্রথম চৰকাৰ গঠন হোৱাৰ পৰা আজিলৈকে যিমান ঋণ লোৱা গৈছিল, আচৰিত কথা, সেই ঋণ আজিলৈকে কোনো চৰকাৰে এটা পইচাও পৰিশোধ কৰা নাছিল। কেন্দ্রীয় চৰকাৰৰ পৰা সেই ঋণ পৰিশোধ কৰিবলৈ হেচাও পৰা নাছিল। আমি এটা কথা জানো, ভাৰত চৰকাৰক বিশ্ব বেংকে সহায় কৰে। ভাৰতে সহায় পোৱাৰ তিনিটা উপায় আছে- বিশ্ব বেংকে, আন্তৰাষ্ট্রীয় বিত্তিয় নিধি (আই এম এফ) আৰু এচিয়ান ডেভেলপমেণ্ট বেংক। এই বিলাকে বিভিন্ন প্রকাৰে সহায় কৰি থাকে। মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনত যেতিয়া কেন্দ্রত প্রধানমন্ত্রী শ্রী নৰসিংহ ৰাওঁ হৈছিল তেতিয়া বিশ্ব বেংকে ভাৰতবর্ষৰ ঋণ হিচাব কৰি আগৰ ঋণ পৰিশোধ নকৰিলে আৰু ঋণ দিয়া নহ'ব বুলি জনালে।

---

* Speech not corrected

অধ্যক্ষ মহোদয়, আমি এটা কথা জানো যে বিশ্ব বেংক বা অন্যান্য ৰাষ্ট্ৰীয় বেংক সমূহে যদি আমাক সহায় নকৰে তেনেহলে ভাৰত এদিনো চলিব নোৱাৰে। কিন্তু এই চৰকাৰ শাসনলৈ অহাৰ পিচত কেন্দ্ৰীয় চৰকাৰে আমাক সকিয়নি দিলে যে আপোনালোকে ইমান দিনে কেন্দ্ৰীয় চৰকাৰক যিমানখিনি টকা দিবলগীয়া আছে সেই খিনি সোনকালে ঘুৰাই দিয়াৰ ব্যৱস্থা কৰক। কাৰণ বিশ্ব বেংকৰ ঋণ পৰিশোধ কৰিব লাগে। নহলে ভাৰতে বিশ্ব বেংকে আমাক ঋণ নিদিয়ে।

মাননীয় অধ্যক্ষ ঃ আপুনি অলপ চৰ্ট কৰক।

* শ্ৰী আব্দুল জলিল ৰাগিবী ঃ অধ্যক্ষ মহোদয়, মোক অলপ সময় দিলে ভাল হয়। এই চৰকাৰৰ দিনত উন্নযনমূলক কাম হৈছে নে নাই সেই বিষয়ে মোৰ অলপ ক'ব লগীয়া আছে। আমি এটা কথা চাব লাগিব যে ১৯৫১ চনৰ পৰা ১৯৮৯ চনলৈ আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ হিচাবে কিমান টকা পাইচো আৰু কিমান টকা পৰিশোধ কৰিছো। ইয়াৰ পৰা এটা কথা দেখা যায় যে ১৯৫১ চনৰ পৰা ১৯৮৯ চনলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৪৩০৯'৮৪ কোটি টকা ঋণ হিচাবে পাইছিল আৰু সেই ঋণ কেন্দ্ৰীয় চৰকাৰক দিবলৈ বাকী আছিল। এই চৰকাৰে শাসন ভাৰ লোৱাৰ পিচতে কেন্দ্ৰীয় চৰকাৰৰ পৰা হেচাঁ আহিল যে সেই টকা খিনি সোনকালে পৰিশোধ কৰিব লাগে আৰু সেই মতে এই চৰকাৰে এই ঋণ পৰিশোধ কৰিবলৈ বাধ্য হল। এই চৰকাৰে এই টকাখিনি কেনেকৈ পৰিশোধ কৰিলে সেইটো আপোনালোকে অলপ চাওক। এই চৰকাৰে দায়িত্বভাৰ লোৱাৰ প্ৰথম বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পাইছিল ৯৬৯'৭২ কোটি টকা। সেই টকাৰ পৰা কেন্দ্ৰীয় চৰকাৰে আগৰ ঋণৰ বাবদ টকা কাটি ৰখাত আমি পালো মাত্ৰ ৭৫৮'৫৬ কোটি টকা। তাৰ পিচৰ বছৰত আমাক টকা দিছিল ৯৬১'৭২ কোটি টকা। কিন্তু আগৰ টকা কাটি ৰখাত অসম চৰকাৰে পায় মাত্ৰ ২০৯'১৬ কোটি টকা। তৃতীয় বছৰত আমাক টকা দিছিল ১০২৭৭ কোটি টকা। কিন্তু ঋণৰ কিস্তি কাটি ৰখাত আমি পাও ৭৩৬'৩০ কোটি টকা। গতিকে দেখা যায় যে এই চৰকাৰে দায়িত্বভাৰ লোৱাৰ পিচত ২২০১'৬২ কোটি টকা এই চৰকাৰে কেন্দ্ৰীয় চৰকাৰক আগৰ ঋণৰ বাবদ পৰিশোধ কৰে। তাৰ বাহিৰেও এ.জি.পি. চৰকাৰৰ দিনত তেওঁলোকে নিজস্ব ঋণ কিছুমান কৰি থৈ গৈছিল আৰু সেই ধনবোৰ এই চৰকাৰে পৰিশোধ কৰিব লগা হয়। তেওঁলোকে এই চৰকাৰৰ ওপৰত জাপি থৈ যোৱা ঋণৰ বোজা এনে ধৰণৰ ঃ

* Speech not corrected

১) এ. জি.পি. চৰকাৰৰ দিনত কৰ্ম্মচাৰী সকলৰ কাৰণে দৰমহা আয়োগ গঠন কৰি দিয়া হৈছিল আৰু সেই দৰমহা আয়োগে কৰ্ম্মচাৰী সকলৰ দৰমহা আদি বৃদ্ধি কৰি দিছিল। এই বৰ্দ্ধিত হাৰৰ দৰমহা এ.জি.পি. চৰকাৰে কৰ্মচাৰীসকলক দিয়া নাছিল। গতিকে সেই দৰমহা আয়োগে দিয়া নতুন হাৰৰ দৰমহাৰ বাবদ এই চৰকাৰে ২২৭ কোটি টকা এৰিয়াৰ হিচাবে দিব লগা হয়।

২) সেই সময়ত অন্যান্য বিভাগবোৰ দিব লগীয়া টকাৰ পৰিমাণ আছিল ২৮৪ কোটি টকা।

৩) কৰ্ম্মচাৰী সকলক ভ্ৰমণ ভাট্টাৰ বাবদ দিব লগীয়া ১৩১ কোটি টকা।

৪) ষ্টেটফেডক দিব লগীয়া টকাৰ পৰিমাণ আছিল ১০৯ কোটি। গতিকে এই চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ পিচৰ পৰাই ২২০১ কোটি টকা কেন্দ্ৰ ঋণ পৰিশোধ কৰিব লগীয়া হ'ল। সেই কাৰণে আমি এটা কথা চাব লাগে যে এই চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই কেইটা বছৰত কিমান টকা পাইছে আৰু কিমান টকা ঋণ পৰিশোধ কৰিছে। লগতে অ.গ.প.১ ঋণ ১১৫১ কোটি টকাও পৰিশোধ কৰিছে।

মাননীয় অধ্যক্ষ ঃ আপুনি অলপ চৰ্ট কৰক। সময় বৰ কম। আৰু কেইবাজনো মাননীয় সদস্যই ক'ব লগীয়া আছে।

* শ্ৰী আব্দুল জলিল ৰাগিবী ঃ অধ্যক্ষ মহোদয়, মোৰ অলপ সময় দিলে ভাল হয়। মই এই চৰকাৰৰ দিনত কিমান কাম হৈছে আৰু কিমান টকা কেন্দ্ৰীয় চৰকাৰক পৰিশোধ কৰিছে তাৰ এটা খতিয়ান বিধান সভাৰ মজিয়াত ডাঙি ধৰিব খুজিছো।

অধ্যক্ষ মহোদয়, আপুনি এটা কথা ভালদৰে চাওঁক যে এই চৰকাৰে ইমানবোৰ ঋণ পৰিশোধ কৰাৰ পিচত উন্নয়ন মূলক কামৰ কাৰণে কিমান টকা থাকে। কিন্তু তাৰ মাজতো এই চৰকাৰে উন্নয়নমূলক কামৰ বাবে অকনো ত্ৰুটি কৰা নাই। আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বিভিন্ন কৌশল অবলম্বন কৰি উন্নয়নমূলক কামত যথেষ্ট গুৰুত্ব দিছে। এই খিনিতে আমাৰ চৰকাৰে যি খিনি উন্নয়নমূলক কাম হাতত লৈছে আৰু ইতিমধ্যে কৰি গৈছে তাৰ এটা চমু বিৱৰণ মই দাঙি ধৰিব খুজিছো। আপুনি বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক এটা কথা সুধিব লাগে যে স্বাধীনতাৰ পিচত কোনো চৰকাৰে ইমান খিনি কাম কৰিব পাৰিছে নে নাই আৰু মই যিটো হিচাব ইতিমধ্যে দাঙি ধৰিছো সেইটো শুদ্ধ হয় নে নহয়।

* Speech not corrected

শিক্ষা বিভাগত বর্ত্তমান চৰকাৰে কৰা উন্নযনমূলক কামবোৰ হ'ল ঃ

(১) যোৱা তিনিটা বছৰত ২ হেজাৰ ৬০ খন অমঞ্জুৰী প্রাথমিক বিদ্যালয়ক প্রাদেশিকৰণ কৰা হৈছে।

(২) ১ হেজাৰ ২৭৫ খন মঞ্জুৰী নোপোৱা মধ্য ইংৰাজী বিদ্যালয়ক প্রাদেশিকৰণ কৰা হৈছে।

(৩) ৫৩৬ খন মঞ্জুৰী নোপোৱা হাই স্কুলক প্রাদেশিকৰণ কৰা হৈছে।

(৪) ১২৫ খন হাইস্কুলক উচ্চতৰ মাধ্যমিক পর্য্যায়লৈ উন্নীত কৰা হৈছে।

(৫) ৭ হাজাৰ ৫৫৯ খন এজনীয়া প্রাথমিক বিদ্যালয়ক দুজনীয়া কৰা হৈছে।

(৬) ১ হাজাৰ ৪৩১ জন এম.এ. এম. এচ. চি. উত্তীণ ল'ৰা ছোৱালীক নিযুক্তি দিয়া হৈছে।

(৭) ৭ হাজাৰ ১ শ বি. এচ. ছি. ল'ৰা ছোৱালীক শিক্ষক পদত নিযুক্তি দিয়া হৈছে।

(৮) সংগীত শিক্ষক পদত ২ জনক নিযুক্তি দিয়া হৈছে।

(৯) ১ হাজাৰ ৫ জনক হিন্দী শিক্ষক পদত নিযুক্তি দিয়া হৈছে।

(১০) ১ হাজাৰ ৭ বি. কম. ল'ৰা ছোৱালীয়ে নিযুক্তি পাইছে।

(১১) ৭ শ খন কলেজত অতিৰিক্ত শিক্ষক নিয়োগ কৰা হৈছে।

অধ্যক্ষ মহোদয়, এইখিনি তেখেত সকলেও জানে, সেই বিলাক অস্বীকাৰ কৰাৰ কোনো উপায় নাই। স্বাধীনতাৰ পিচত যিমান চৰকাৰ হল আজিলৈকে ইমানখিনি কোনোও কৰিব পৰা নাই। (গণ্ডোগোল)

মাননীয় অধ্যক্ষ ঃ আপোনালোকে মাননীয় সদস্যক ক'বলৈ দিয়ক।

* শ্রী আব্দুল জলিল ৰাগিবী ঃ অধ্যক্ষ মহোদয়, এই চৰকাৰে দায়িত্বভাৰ গ্রহণ কৰাৰ পিচত চৰকাৰে

* Speech not corrected

বিভিন্ন বিভাগত ৬৫ হেজাৰ ৫ শ ৯ জনক চৰকাৰী চাকৰি দিয়ে। স্বনিয়োজন আঁচনিৰ অধীনত ৩ লাখ ৬৮ হাজাৰ ৮০৯ জনক কৰ্ম্ম সংস্থাপন দিয়া হৈছে। ১ লাখ ৮৫ হাজাৰ ৩ শ ৭১ জন হ'ল কৰ্ম্মদিনৰ ভিত্তিত নিয়োগ কৰা শ্ৰমিকৰ সংখ্যা। বৰ্ত্তমান বছৰত জৰহাৰ ৰোজগাৰ আঁচনিৰ অধীনত ১ লাখ ৫৩ হেজাৰ কৃষকে ১ শ দিনৰ কাম পাইছে। তাৰ লগতে নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত সকলোবোৰ খণ্ড উন্নয়নকে নিজ নিজ এলেকাত নিবনুৱা শ্ৰমিক সকলক নিয়োগ কৰাৰ সুবিধা দিয়া হৈছে। ৬ হাজাৰ ৬ শ নিবনুৱা যুৱকক ১ লাখ টকাকৈ ঋণ দিয়া আঁচনিৰ কাম চলি আছে। সংহত গ্ৰাম্য যোগান আঁচনিৰ জৰিয়তে যোৱা তিনিটা বছৰত দৰিদ্ৰসীমা ৰেখাৰ তলত থকা ১ লাখ ৪৭ হজাৰ ২৮০ টা পৰিয়ালক ৬০ কৌটি ১০ লাখ ১৮ হাজাৰ টকা অনুদান দিয়া হৈছে। বৰ্ত্তমান বছৰত ৫৪ হাজাৰ ৯ শ ৩৮ টা পৰিয়ালক অনুদান হিচাবে ২৭ কৌটি ৪৬ লাখ টকা সাহায্য দিয়া হৈছে। জৱাহাৰ ৰোজগাৰ যোজনাৰ জৰিয়তে ৪ কৌটি ৬৭, ৪২ ,৪২, হাজাৰ শ্ৰমদিন সৃষ্টি কৰি শ্ৰমিক সকলক দিয়া হৈছে ১শ ৭৮ কৌটি ৭৮, ৮৮ হাজাৰ টকা।

অধ্যক্ষ মহোদয়, যোৱা তিনিটা বছৰত বহুতো নিবনুৱাক শিক্ষক পদত চাকৰি দিয়া হ'ল বহুতো স্কুল প্ৰাদেশিকৰণ কৰা হ'ল, ডি.আৰ.দি.এ. যোগেদি বহুতো কাম কৰা হ'ল, ইন্দিৰা আবাস যোজনাৰ অধীনত জনজাতি লোক সকলৰ বাবে বিনামূলীয়াকৈ চয় হেজাৰ সাতশ ৪৩ ঘৰ সাজি দিয়া হৈছে আৰু টকা খৰচ হৈছে ১০ কৌটি ১১ লাখ।

অধ্যক্ষ মহোদয়, কৃষিৰ উন্নতিৰ কাৰণে বহুতো সুবিধা দিয়া হৈছে। কো-অপাৰেটিভ বেছিচত ৭ নৰ মাজত একোখনকৈ পাৱাৰ টিলাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

মাননীয় অধ্যক্ষ ঃ আমাৰ বহুতো মাননীয় সদস্যই ক'বলৈ আছে, আপুনি শেষ কৰক।

* শ্ৰী আব্দুল জলিল ৰাগিবী ঃ অধ্যক্ষ মহোদয়, মই সকলোখিনি দাতা লৈ আহিছিলো। কিন্তু সময়ৰ অভাৱত সকলোখিনি দিব নোৱাৰিলো। যিহেতু সময়ৰ অভাৱ, সেয়েহে আজিও মোৰ,আধৰুৱা অৱস্থাতে,বক্তব্য সামৰিলো।

Mr. Speaker: Now Hon'ble leader of the opposition Shri Prafulla Kumar Mahanta.

* Speech not corrected

* শ্রী প্রফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া,সন্মানিত ৰাজ্যপাল ডাঙৰীয়াই যোৱা ১৫ মার্চত সাংবিধানিত বিধি বিধান মতে তেখেতে ভাষণ আগবঢ়াইছিল। তেখেতৰ ভাষণত ৰাজ্যখনৰ আইনশৃঙ্খলাৰ পৰিস্থিতিৰ কথা উল্লেখ কৰিছে। আইনশৃঙ্খলাৰ পৰিস্থিতিৰ আৰম্ভনিতে কৈছিল যে বিগত বছৰটো কেইটামান মুহূর্ত্ত তিক্ততা আৰু উদ্বিপন্থাৰ মাজেৰে পাৰ হৈ যোৱা সত্বেও সর্বাঙ্গীণ শান্তিপূর্ণ প্রগতিৰ দিশত আৰু দশকটোৰ প্রাৰম্ভিত বছৰ কেইটাৰ সফলতাখিনি সুদৃঢ়কৰণৰ ক্ষেত্রত এই বছৰটো আছিল এক উল্লেখযোগ্য পদক্ষেপ।

অধ্যক্ষ ডাঙৰীয়া, অসমৰ বর্ত্তমান ঘটনাৰাজিয়ে প্রমাণ কৰিছে যে কেইটামান মুহূর্ত্তই নহয় প্রতিটো মূহূর্ত্তই অসমৰ জনসাধাৰণে উৎকণ্ঠাত কটাবলগীয়া হৈছে। ১৯৯২-৯৩ চনত গৃহমন্ত্রালয়ৰ ৰিপোর্টত কৈছিল- ১৯৯৩-৯৪ চনৰ পিচত অসমত অর্ধ-সামৰিক বাহিনী ১৩০ টা আছে। সামৰিক বাহিনী বাদ দি পুলিচ বাহিনীও আছে। এই সকলোবোৰ থকাৰ পিচতো ঘটনা ঘতি আছে। লক্ষীপুৰৰ ঘটা য'ত কংগ্রেছ আই সমর্থক জড়িত আছে। তাত ইনভিষ্টিগেচন অফিচাৰক আতৰোৱাৰ কাৰণে এচ. পিয়ে. চুতী বাদ দি গৈছে। ছিপাঝাৰৰ ঘটনাত য'ত আলফাৰ সদস্য বুলি গুলীওৱা হৈছে বুলি কৈছে। সাধাৰণ মানুহে আলফাৰ সদস্য হলে আলফা বুলি কয়। কিন্তু তেওঁ আলফাৰ সদস্য নহয় বুলি স্বীকাৰ কৰিছে। কি পৰিস্থিতিত গুলী কৰিছে। বাতৰি কাকতত প্রকাশ পাইছে। ৰাইজে জানে যে হেমৰাম কেওঁত. এ. বার্মা. বি.কে.দাস পাৰাৰ গ্রীদৰ বিষয়া আজিও অপহৃত হৈ আছে। এই অপহৃত ব্যক্তিসকলক এতিয়াও উদ্ধাৰ কৰিব পৰা নাই। হেমৰাম কেওঁটৰ ঘটনা সংক্রান্তত বিভিন্ন আলোচনা হৈছে। এই ঘটনাৰ লগত গুৱাহাটীৰ কংগ্রেছ (আই)ৰ সভাপতি জড়িত হৈ আছে। অপহৃত সকলক চৰকাৰে উদ্ধাৰ কৰাৰ ব্যৱস্থা কিয় লোৱা নাই। চৰকাৰী হিচাব মতে ১৯৯১-৯৪ চনৰ চেপ্তেম্বৰ মাহলৈকে প্রায় ৯০ হাজাৰ লোক বি.এ.চি.এৰিয়াত খতিগ্রস্ত হৈছে। বি.এ.চি.এৰিয়াত খতিগ্রস্ত হৈছে ১৬৪ জন লোক। বি.এ.চি.এৰিয়াত ১৭০ জনৰ মৃত্যু হৈছে। চৰকাৰী হিচাব মতে ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ৩১ আগষ্ট তাৰিখলৈ টাডাবন্দী হৈছে ৭০৩৫ জন। ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ ৩১ আগষ্টলৈ আৰক্ষীৰ জিম্মাত ৩৩ জন আৰু সেনাৰ জিম্মাত ১১ জনৰ মৃত্যু হৈছে। এই সম্পর্কত ইতিমধ্যে বহুতো ৰিপোর্ট প্রকাশ পাইছে। উক্ত সম্পর্কত নেচনেল হিউমেন ৰাইট্চ কমিচনৰ ৰিপোর্টতো প্রকাশ পাইছে। ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ আগষ্ট মাহলৈ আলফা আৰু আৰক্ষীৰ সংঘর্ষত ৭৩ জন আলফা ৭ জন আৰক্ষী আৰু ১ জন লেনা নিহত হৈছে বুলি কৈছে।১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ আগষ্ট লৈকে ৪৫৯ টা অপহৰণ,

* Speech not corrected

৩৪০ টা হত্যা আৰু ১৪৬৯ টা ধৰ্ষণ হৈছে। ৰাজ্যখনৰ আইন শৃঙ্খলাৰ নামত ১৯৫ বাৰ গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰে অৰ্থ সামৰিক বাহিনীয়ে ৪৫ বাৰ মুঠতে ২৪০ বাৰ গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰ বাহিৰেও চি. বি.আইয়ে কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা তথ্য অনুসৰি উগ্ৰপন্থীৰ হাতত নিহতৰ সংখ্যা হল ১৯৯১ চনত ১৮৭ , ১৯৯২ চনত ১১৪, ১৯৯৩ চনত ১৩৯ আৰু ১৯৯৪ চনত ১১৪। উগ্ৰপন্থীৰ হাতত আহতৰ সংখ্যা হৈছে ১৯৯১ চনত ১৪৬, ১৯৯২ চনত ১১৯, ১৯৯৩ চনত ৫৮ আৰু ১৯৯৪ চনত ৭৫ জন। এইটোৱে প্ৰমাণ কৰে যে ৰাজ্যখনৰ আইন শৃঙ্খলা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাৰ দৰে নহয়, শান্তি হৈ আছেনে? ইয়াৰ উপৰিও যোৱা ২৫ ফেব্ৰুৱাৰী তাৰিখে লামডিংৰ ওচৰত ৰেলত বোমা বিস্ফোৰণত বহুতো নিৰাপত্তা বাহিনীৰ মানুহ নিহত হ'ল। এন.এচ.চি.এন.এএন. চি হিলচত ঘাঁটী স্থাপন কৰাৰ কথা চৰকাৰে কৈছে। হোজাই আহি পাইছে। বৰঝাৰ এয়াৰপোৰ্টৰ ওচৰত কিছুদিন আগতে কংলেইপাক উগ্ৰপন্থীয়ে এয়াৰফৰ্চ কৰপোৱেচক গুলীয়াই হত্যা কৰিছে। তাৰমানে অসমত এচ.এচ.চি.এন. কংলেইপাকআদি উগ্ৰপন্থীও সোমাবলৈ লৈছে বাধা দিব পৰা নাই। বিভিন্ন উগ্ৰপন্থীৰ মাজত সংঘৰ্ষ আৰম্ভ হৈ গৈছে। ১৩৪ টা অৰ্থ সামৰিক বাহিনী আছে। পেৰা মিলিটাৰী ফোৰ্চৰ ১১ কৌটি ৮৮ লাখ ১৪ হাজাৰ টকা যায়। ৩ টা সামৰিক বাহিনী বাদ যোৱা আগষ্ট মাহলৈ যি গৈ আছে এইখিনি চৰকাৰী হিচাব। আইন শৃঙ্খলাৰ পৰিস্থিতিত ভাল হৈছে বুলি কৈছে যদিও আজি আইন শৃঙ্খলাৰ পৰিস্থিতি অতি শোচনীয়। বৰ্ত্তমানৰ চৰকাৰখনে শান্তি প্ৰতিস্থাৰ প্ৰতিশ্ৰুতি দিছিল। এইখন চৰকাৰে অনা শান্তিত গোষ্ঠী সংৰ্ঘষত নিহত হ'ল অগনন লোকৰ, সা-সম্পত্তিৰ সীমাহীন ক্ষতি হ'ল। তেজপুৰ চক বজাৰৰ তিনিজন ব্যৱসায়ী, হেমৰাম কেওঁট, শেহতীয়া ভাৱে এগৰাকী উচ্চ পদস্থ বিষয়াৰ সন্থাকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত ভালে সংখ্যক লোক অপহৰণ কৰা হ'ল। এই সকলৰ শুংসুত্ৰ চৰকাৰে উলিয়াব পৰা নাই। যোৱা বছৰ কেইটাত অসংখ্য লোকক নিৰ্মম ভাৱে হত্যা কৰা হ'ল। ৰাজ্যখনৰ এনে হত্যাকাণ্ডত জড়িত বিষয়া কৰ্মচাৰীক চৰকাৰে পুৰস্কৃত কৰি প্ৰশংসা কৰিছে। শাসকদলৰ লোক এনেবোৰ খনক বিশ্বাসযোগ্যতা নোহোৱা কৰিলে। লক্ষীপুৰৰ ঘটনাত মন্ত্ৰী জড়িত হৈ আছে বুলি কৈছে। এইবিলাক কথা বাতৰি কাকতত প্ৰকাশ পাইছে। মন্ত্ৰীয়ে উত্তৰ দিছে। কেনেকৈ দিলে। হাউচৰ লিডাৰে ক'বলগীয়া হৈছে, তেওঁলোকে সীমা পাৰ হৈ গৈছে। অসম উত্তৰাঞ্চলত এতিয়াও এচাম লোকৰ ভাবুকিত অসংখ্যলোকে অনিশ্চয়তাত জীৱন নিৰ্ব্বাহ কৰিছে। শোনিতপুৰ জিলাৰ বগীজুলি অঞ্চলত বিভিন্ন সম্প্ৰদায়ৰ

* Speech not corrected

সা-সম্পত্তি লুণ্ঠন কৰা হৈছে। তাৰে ভালেসংখ্যক লোক আতৰি আহিব লগা হৈছে। ইয়াৰে দাতিকাষৰীয়া অঞ্চলৰ দহজন প্ৰাক্তন চাহ বনুৱাৰ আজি এবছৰ আগতে অপহৰণ কৰা হৈছিল। চৰকাৰে আজিও শুংসুত্ৰ উলিয়াব পৰা নাই। বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যলয়ত নাৰী নিৰ্য্যাতনকে ধৰি সমাজত অপৰাধ প্ৰৱনতা বৃদ্ধি পাইছে। এনে পৰিস্থিতিয়ে চৰকাৰৰ অস্তিত্বকে নোহোৱা কৰিছে। চৰকাৰে জনসাধাৰণৰ প্ৰতি থকা দায়িত্ব এৰাই চলিছে।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰৰ নৈতিক দায়িত্বৰ সম্পৰ্কে অন্যান্য বাতৰি কাকতত সমালোচনা আদি প্ৰকাশ পাইছে। তাৰে ভিতৰত পযেকীয়া মহিলা আলোচনী "শ্ৰী ময়ী"ত প্ৰকাশিত সম্প্ৰদায়ৰ টোকা পঢ়ি দিছোঁ।

" বিভিন্ন সমস্যাৰ হেচাঁত ৰাজ্যখনৰ জনসাধাৰণৰ অৱস্থা আজি অজগৰে লাহে লাহে গ্ৰহণ কৰা জন্তুৰ দৰে হৈছে। কোন ফালে চকু দিব- অবাধ দুৰ্নীতি, ভ্ৰষ্টাৰ, গুন্দামী আদিৰ প্ৰতিবাদ কিদৰে প্ৰতিবোধ কৰিব? মুষ্টিমেয় এচাম লোক, চৰকাৰৰ শাসন যন্ত্ৰ, দুনীৰ্তি গ্ৰষ্ট বিষয়া, ভ্ৰষ্ট পলিটিচিয়ান, নিষ্ঠুৰ নিৰ্লজ দালাল, বাহুবলী মস্তান, ক্ষীতোদৰ বশিক সকলো একগোট হৈ আজি জনসাধাৰণৰ তেজ শুহি শুহি খাইছে। তেজ পি ডিস্তাকৰ হোৱা জোকৰ দৰে এই সকল প্ৰাণীৰ অক্টোপাছৰ পৰা সমাজ আৰু ৰাইজক মুক্ত কৰাৰ শক্তিশালী পথ এতিয়াও ৰাইজৰ সন্মুখত স্পষ্ট নহয়। যি সময়ত জনসাধাৰণৰ দৃষ্টিত দৈনিক ঘটি থকা হত্যাকাণ্ড, লুটপাত, অপহৰণৰ ঘটনাই প্ৰাধান্য পাইছে, সেই সময়তে জনসাধাৰণৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ দৰ হো-হোৱাই বাঢ়িছে। কেৰাচিন টোপা, ৰন্ধন গেছৰ হৈ দুষ্প্ৰাপ্য। চৰকাৰ খোৱা-কামোৱা দুৰ্নীতিত মত্ত প্ৰশাসন নিমাত।

অধ্যক্ষ মহোদয়, বিৰোধী দলকো সমলোচনা কৰিছে। "বিৰোধী ৰাজনৈতিক দল শক্তি সামৰ্থহীন। চৰকাৰে বিভিন্ন ভেলকিবাজীৰে জনসাধাৰণৰ মুখৰ মাত বন্ধ- হৰণ কৰাৰ চেষ্টা কৰিছে। বহু বুদ্ধিজীৱি সাহিত্যিক সস্তাতে পকেটস্থ কৰিছে। সাধাৰণৰ নাগৰিকৰ প্ৰতি এই সকলৰ লোকৰ কোনো দায়িত্ব নাই। বিক্ৰীয়ে যাৰ আত্মগ্লানি নহয়, তেওঁৰ পৰা আকৌ সমাজৰ কি উপকাৰ হ'ব? সৰ্বসাধাৰণৰ ৰাইজৰ হাতত আজি ধন নাই। মূষ্টিমেয় এচামে তাক গ্ৰাস কৰিছে। বজাৰত মাছ, গাখীৰ, দাইল, চাউল, চেনি দৰৰ, শাক-পাচলী আদিৰ জুই চাই দাম। কিন্তু দিশপুৰৰ গড়ৰ ছালৰ গৰাকী চৰকাৰৰ কোনো চেতনা নাই। দায়িত্ব নাই সেই

* Speech not corrected

সকলৰে, যি সকলৰ ভোটৰে জিকি আহি তেওঁলোকে সোৱেঁ ৰাৱেঁ ধনৰ মোনা গোটাইছে। আনহাতে অৰাজনৈতিক উপভোক্তা সংগঠনো ৰাজ্যখনত শক্তিশালী নহয়। কেৰাচিন বা বন্ধন গেছৰ কৃটিম অনাটন আৰু নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ কু-মুল্যই জনসাধাৰণক ইমানেই জু ৰুলা কৰিছে আৰু ব্যস্ত কৰিছে যে তেওঁলোকৰ প্ৰতিবাদ কৰাৰ সময়ো নেহোৱা যেন হৈছে। অসমৰ সৰ্বসাধাৰণ ৰাইজৰ জীৱন ৰক্ষা কৰিব নোৱাৰো। তথা অধিকাৰ সুৰক্ষিত কৰিব নেৱাৰো। চৰকাৰ কোনটো নাকেৰে অহা নিৰ্বাচনত জনসাধাৰণৰ ওচৰত ভোট ভিক্ষা কৰিব তাক এবাৰলৈকে ভাবি চাইছে নে? জনসাধাৰণক দিনে দিনে মৃত্যু মুখলৈ ঠেলি দি তেওঁলোকে কোন ধৰণৰ নৈতিক দায়িত্ব পালন কৰিছে?——"

ইয়াৰ বাহিৰেও মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী ডাঙৰীয়াৰে এখন কাকত "নাগৰিক" ১৬ মাৰ্চত প্ৰকাশিত গড়কাপ্তনী বিভাগৰ ভিতৰ ঃ অভিযোগঃ " দুৰ্নীতিত নিমজ্জিত উৰ্দ্ধতন কৰ্তৃপক্ষ" —শীৰ্ষক বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো। ইয়াত কোৱা হৈছে— " দেশত জন কল্যাণৰ বাবে থকা চৰকাৰী বিভাগ সমূহ ইতিমধ্যে ব্যাপক দুৰ্নীতি ভ্ৰষ্টাচাৰ আৰু ৰাজহুৱা ধন অপচয়ৰ ভড়াল হিচাবে পৰিগণিত হৈছে আৰু এই ক্ষেত্ৰত অসম চৰকাৰ গড়কাপ্তানী বিভাগো ব্যতিক্ৰম নহয় বুলি উঠিছে। দুৰ্নীতি, স্বজনপ্ৰীতি, ভুৱা বিলৰ টকা আত্মসাৎ কৰিছে, এল.অ' চি. আদি কৰি এশ এবুৰি সমস্যাৰে বিভাগটোক কোঙা কৰি তুলিছে। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহুত লোকে 'জনক্ৰান্তি' বাতৰি কাকতখন মুখ্যমন্ত্ৰীৰ বাতৰি কাকত বুলি জানে। তাত লিখিছে শেষ ঠাইত "বেয়া দিন আহিছে, বোপাই মই কৈ ৰাখিছো। মুঠতে দেশখন গ'ল, কোনো ফালে, কোনেও ক'তো চাবলৈ উপায় নাইকিয়া হ'ল। ৰজাঘৰীয়া মানুহে কিনো ঘোৰা ঘাহঁ কাটে, মই কব নোৱাৰো, বোপাই।" আৰু ৰাইজৰ অৱস্থা কি? চা-চোন পেটত গামোচাবান্ধি লাগিব। এইখিনি কথা তেখেতৰ পেপাৰত লিখিছে। এই কাকতখন প্ৰকাশ পাইছে। চৰকাৰেও স্বীকাৰ কৰিছে।" উত্তৰ কাছাৰত অৰাজকতা এইখিনি কথা প্ৰকাশ পাইছে। সন্ত্ৰাসবাদীৰ সৈতে মন্ত্ৰী জড়িত। বিচাৰ কোনে কৰিছে। এই খন কাকত হৈছে- সন্ত্ৰাসবাদীৰ লগত মন্ত্ৰী জড়িত থকাৰ কথা। বি-এচ-ও আৰু এন.এচ. চি এনৰ সমস্যাটো আলোচনাৰ মাজেৰে সমাধান কৰিব লাগে। বুলেটেৰে কোনো সমস্যা সমাধান নহয়। কিছুমান সংগঠনক বা পলিটিকেল ৰাজনৈতিক পাৰ্টিক, সাহিত্য সভাৰ নিচিনা কিছুমান সংগঠনৰ লগত আলোচনা কৰিব লাগিছিল, কেনে ধৰণে এই সমস্যাটো সমাধান কৰিব পাৰি। সেইটো আজিলৈকে হৈ নুঠিল। ভৰতৰ আমী বিষয়া চৌধুৰীয়েও আলোচনাৰ মাধ্যমেৰে সমস্যাটো

* Speech not corrected

সমাধান কৰাৰ কথা কৈছে। বন্দুকেৰে সমস্যা সমাধান কৰিব নোৱাৰি, দাইলত দ্বাৰাহে সমস্যা সমাধান কৰিব পাৰি। ১য় চৌধুৰীৰ কথাখিনি অসমৰ বিভিন্ন বাতৰি কাকতৰ ফ্ৰণ্ট পেজত ৯ ফেব্ৰুৱাৰীত প্ৰকাশ পাইছিল। নৰ্থ ইষ্টত উগ্ৰপন্থীৰ লগত আলোচনাৰ প্ৰস্তাৱ দিছিল-পাইলটে। ১১ এপ্ৰিলৰ বাতৰি কাকতত প্ৰকাশ পাইছিল। চিলিং টাইমত কেন্দ্ৰীয় মন্ত্ৰীয়ে স্পষ্টভাৱে কৈছে আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰিব লাগে। কোনো কোনো মেম্বাৰে ক'ব খোজে যে এ-জি-পি দিনতে উগ্ৰপন্থী জন্ম হৈছে। এল.টি.টি. ভিণ্ডোলা কোনে জন্ম দিলে। আমাৰ এ.জি.পি. যদি জড়িত থকা কথা আমি বিফোজ কৰিছো। নহ'লে আমাৰ লগত আলোচনা কৰ্ব্বি পাৰিলেহেঁতেন। কিন্তু আজি প্ৰমাণিত হৈছে যে, আৰু আজি বিধান সভাৰ এই প্ৰশ্নৰ উত্তৰটো বিভিন্ন সময়ত কৈছে যে আজি অসমত আই. এচ আই আছে, কিন্তু বিভিন্ন কাৰণত কৰিব পৰা নাই। কিন্তু আজি গভৰ্নৰ এদ্ৰেচথ কৈছে যে অসমত আই. এচ. আই. বাঢ়ি গৈছে, নৰ্থ ইষ্টট আই. এচ. আই আছে, এক্টিভিটিজ বাঢ়ি গৈছে। কিন্তু কি ব্যৱস্থা হাতত লৈছে? ইয়াতটো একো উল্লেখ নাই। ৰাজ্য চৰকাৰে কি ব্যৱস্থা হাতত লৈছে, নে এইটো এটা পলিটিকেল শ্লো-গান? নে অসমৰ মানুহৰ মন মূল বিষয়ৰ পৰা আতৰাই লৈ যাৰৰ বাবে এইটো ৰাজনৈতিক চাতুৰি নেকি অধ্যক্ষ ডাঙৰীয়া? এইটো এটায় সকলো মানুহৰ মনত প্ৰশ্ন হৈ পৰিছে। যদি অসমত তেওঁলোকে সন্ত্ৰাসবাদৰ সৃষ্টি কৰিছে, বিৰোধিতা কৰিছে, গতিকে কিয় গ্ৰেপ্তাৰ কৰিব পৰা নাই? অধ্যক্ষ ডাঙৰীয়া, যে হোম মিনিষ্টাৰ এলার্ট এচ.আই.বি। এই বাতৰিটো বিভিন্ন বাতৰি কাকতত ওলাই গৈছে। গুৱাহাঁটীটো ১৮ ফেব্ৰুৱাৰীত ওলাইছে। তাত দিছে, মই 'কোট' কৰিছো-

I also quote from the paper "The Sentinel" dated 18th February 1995 that "Sleuths of the Unoin Ho Ministry have,in a recent, secret communication to the Zonal Office of the Subsidiary Intelligence Bureau(SIB) here alerted the latter about a large number of Muslim United Liberation Tigers of Assam (MU LTA) volunteers" crossing over to Bangladesh with the active assistance of the Jamaar-e-Islami of Bangladesh and Mr.Afzalur Rahman a sitting(I) MLA and former Minister.

-* Speech not corrected

তাত এজন ৰুলিং পার্টিৰ বিধায়কৰ নাম দিছে। ৰুলিং পার্টিয়ে নোহোৱা বুলি কোৱা নাই, আজিলৈকে অধ্যক্ষ ডাঙৰীয়া। এনেয়েইটো অপজিচনে কিবা এটা কলেই পিচদিনা প্রেছ ৰিলিজ পাতি গোটেই বাতৰিটো দূৰদর্শন, বাতৰি কাকতলৈ যায় যে এই কথাটো মিছা, এই কথাটো অসত্য, অপজিচনে কবই - এই বাতৰিটো যায়। কিন্তু আজিলৈকে চৰকাৰে তেওঁলোকৰ বিধায়কে জড়িত নহয় বুলি কোৱা নাই। যদি হয়, আপোনালোকে কি একশ্যন লৈছে আই.এচ.আইৰ এক্টিভিটিজ বাঢ়িবৰ কাৰণে আপোনালোকে উৎসা যোগাইছে নেকি? আজি চৰৰেই মনত এইটো প্রশ্ন উঠিব। কাৰণ আপোনালোকে জানে, আপোনালোকৰ চর্ট আছে তথাপি আপোনালোকে কিয় একশ্যন লোৱা নাই? আজিলৈকেটো আপোনালোকে কণ্ট্রাদিত কৰা নাই।.তেতিয়া হলে আপোনালাকৰ উদ্দেশ্য কি?

মাননীয় অধ্যক্ষ মহোদয়, কেৱল এইটোৱেনহয়, Attempts by suspected Bangladeshie to get their names included in the voter list. ভাৰত চৰকাৰৰ তালিকা সংখ্যালঘূৰ বিষয়ে স্পষ্টকৈ আছে এতিয়া সংখ্যালঘূ সকলে ভয় কৰাৰ কোনো প্রয়োজ নাই। অসম চুক্তিক আজি গালি পাবিছে। অসমৰ হৈ আমি অকলে চুক্তি কৰা নাছিলো তেতিয়া ৰাজীৰ গান্ধীও আছিল।গতিকে কংগ্রেছ (ই) অসম চুক্তিৰ পৰা আঁতৰি যাব নোৱাৰে মাননীয় অধ্যক্ষ ডাঙৰীয়া, আৰু এটা কথা ওলাইছে Passport have been procure through forged papers.২৬ জুলাই বাতৰি কাকত এখনত ওলাইছে– Allthoug election commission has given the assurance that it will tal all measures toensure that no name of foreign national isentere into the voters list some Agents in the state are active in enteri the names of illegal names. গতিকে এনেকুৱা ঘটনা ঘটিয়ে আছে। মই অ কৰো এই ক্ষেত্রত চৰকাৰে বিহিত ব্যৱস্থা হাতত লোৱা উচিত। ইয়াৰউপৰি মাননীয় অধ ডাঙৰীয়া, আজি. আই. এচ.আইৰ, একটিভিটিজ সম্পর্কত –Govt.is aware of t design of I.S.I in instigations subrersion and sabatase in Ind and is taking all neeessary steps to contain all su activities.কেন্দ্রীয় চৰকাৰে ইনটেহিজেনচ্ মেচিনাৰী পঠিওৱাৰ পিচতো আজি অস কি হৈছে? কেৱল অসমতে নহয় জম্মু-কাশ্মীৰ আৰু বিহাৰৰ কথাও কোৱা হৈছে। কে

* Speech not corrected

চৰকাৰ ফৌজৰ সহায়ত অসম চৰকাৰে কেইজন আই.এচ.আই.গ্ৰেপ্তাৰ কৰিছে? যিহেতু ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা চোৰচও পাইছে। এইবিলাক ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিব পাৰিলেহেঁতেন। পুলিচৰ জিম্মাত থকা কিমানজন লোকৰ মৃত্যু ঘটিছে সেইবিলাক বাতৰিত প্ৰকাশ পাইছে।

গুৱাহাটী উচ্চ ন্যালয়ত প্ৰদান কৰা এক অভূতপূৰ্ব ৰায়ত ৰাজ্যখনত পুলিচ হাজোতত ৩ জন লোকৰ মৃত্যু হোৱা সন্দৰ্ভত অহা ৩ সপ্তাহত জড়িত সংশ্লিষ্ট আৰক্ষী অধ্যক্ষকৰ অচিৰেই শপত নামা দাখিল কৰিবলৈ নিৰ্দ্দেশ দিছে। পুলিচ হাজোতত মৃত্যু হোৱা এই লোক ৩ জন হল বদৰপুৰৰ ছফিৰ ৰহমান,মৰিগাওঁৰ প্ৰদীপ শৰ্ম্মা আৰু দুলীয়াজানৰ ফল সিং। এই লোক কেইজন পুলিচৰ জিম্মাত আছিল। গতিকে কেচবিলাক কেনেকৈ চলিছে। পেজ ফ্ৰণ্ট ৯ ফেব্ৰুৱাৰীত আছে-"সাক্ষী দিবলৈ আদালতৰ পুজিঁ নাই"। প্ৰচলিত আইন অনুসাৰে কোনো গোচৰত সাক্ষী দিবলৈ অহা ব্যক্তিক আদালতে অহা-যোৱা আৰু থকা খোৱাৰ বাবদ নিম্নতম খৰচ দিব লাগে যদিও ১৯৯১ চনৰ পৰা ডেজিগনেটেত আদালতে এই খৰচ দিব পৰা নাই। এই খৰচৰ বাবে এটা বিশেষ পৰিমাণৰ টকা ডেজিগনেটেত আদালতলৈ হস্তান্তৰ কৰিবলৈ কেইবাৰো আদালতৰ তৰফৰ পৰা লিখা হৈছে কিন্তু উৰ্দ্ধতম কৰ্ত্তৃপক্ষই একো সহাৰি জনো নাই। আইন শৃঙ্খলাৰ ক্ষেত্ৰত চৰকাৰে কেনেকৈ আগভাগ লৈছে? বাতৰি কাকতত ওলাইছে যে কংগ্ৰেছী শাসন কালত সাম্প্ৰদায়িক শক্তি সক্ৰিয় হৈ উঠিছে। আপোলোকৰ কংগ্ৰেছী নেতা এজনে এই কথাষাৰ স্বীকাৰ কৰিছে। উক্ত কথাটো আজিলৈকে কোনেও নহয় বুলি কোৱা নাই। হক চাহাবেও কোৱা নাই আৰু শ শইকীয়াদেৱেও কোৱা নাই।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাম মন্দিৰ আৰু বাবৰি মজজিদলৈ আহিছো- অসমত ক'ত ঘটনা ঘটি গ'ল। এই সংক্ৰান্তত কেন্দ্ৰীয় মন্ত্ৰী ৰাজেশ পাইলট গলহি। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত লগতে অসমতো হিন্দু-মুছলমানৰ মাজত ক'ত ঘটনা ঘটি গ'ল। এইবিলাক দৃষ্টিভঙ্গী আজিও স্পষ্ট হৈ আছে। চৰকাৰে নিজেও এই বিষয়ত বুৰ গৈ আছে। কাকো বাধা দিব পৰা নাই। দিলীপ চক্ৰৱৰ্ত্তীৰ পৰা আৰম্ভ কৰি নানা ধৰণৰ অশুভনীয় ঘটনা ঘটি গৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কংগ্ৰেছক দোষ দিব খুজিছো। ৰাজ্যখনৰ শিক্ষানুষ্ঠানত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বহু সময়ত শাসক দলৰ প্ৰতি অনুগত্য লোকক

* Speech not corrected

প্রাধান্য দি অহা বুলি উঠা অভিযোগ শেহতীয়াকৈ প্রতিপন্ন হৈছে। যোৱা ৭ মার্চত গুৱাহাটীত অনুষ্ঠিত ৰাজ্যখনৰ কংগ্রেছ (ই) কমিটিৰ সভাপতি সকলৰ সভাত উত্থাপিত হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ বাহিৰেও অসমৰ বিভিন্ন অঞ্চলত টাডা আইন প্রয়োগ কৰা হৈছে। কেন্দ্রীয় চৰকাৰৰ অধিক হেচাঁত আমাৰ চৰকাৰৰ দিনত টাডা আইন প্রয়োগ কৰা হৈছিল যদিও টাডাক মিচ ইউজ কৰা হোৱা নাছিল। কিন্তু এতিয়া মিচইউচ কৰা হৈছে।

.....As against 44,387 number of cases registered in the anticipation, till 31.3.93 3470 have been registered...

.....A large number of caseshave been withdrawn by the Police. This is after review. Similarly application of provision of TADA has been withdrawn in a number of cases to be decided according to provision of normal laws.... National Human Rights Commission- Home Secretary of 9 major states have personally explained to the Commission the position regarding TADA cases in their respective states. Regular review have undertaken as a result of which detention under TADA have come down.এনে ধৰণৰ ৰিপোর্ট বাতৰি কাকতত বহুত আছে। মই দিটেইলচ কব বিচৰা নাই। Person in dustry- 706 as on 30.6.94 No. of persons convicted- Nil J&K.

মাননীয় অধ্যক্ষ মহোদয়, এইটো আছিল ৯ ডিচেম্বৰ তাৰিখে হোম মিনিস্টাৰে দিয়া স্টেটমেন্টৰ পৰা পোৱা। অধ্যক্ষ মহোদয় এই দৰে যদি টাডা আইন প্রয়োগ কৰা হয় তেতিয়াহলে আমি কোন ফালে গতি কৰিছো সেইটো চিন্তাৰ বিষয়। আকৌ চাওক প্রদীপ শর্ম্মাৰ ক্ষেত্রত উচ্চান্যায়ালয়ে তদন্তৰ যি নির্দ্দেশ দিছে তাৰে, সেইটো বিষয়ৰ ওপৰত বিশেষ গুৰুত্ব নিদিছিল হাজৰিকাক মিছা সজাই-পৰাই মাৰদাৰ বুলি গ্রেপ্তাৰ কৰি নিয়ে আৰু জেল হাজোতত মানৰীয় অত্যাচাৰ চলাই, এনেদৰে এই টাডা আইনৰ অপ্রয়োগ হৈ আছে। মই আৰু এখন চিঠি পঢ়ি দিব বিচাৰিছো। তাত বাৰ বাৰ অনুৰোধ কৰা হৈছে যে বিষয়টো অনুসন্ধান কৰিব লাগে। আনকি অভিযোগ

* Speech not corrected

আহিছে যে ইমান টকা নিদিলে তেওঁক টাডাত দিয়া নহব আৰু যদি বিচৰা পৰিমাণ টকা দিব নোৱাৰে তেতিয়াহলে তেওঁক টাডাত দিয়া হ'ব। ইয়াত মেডিকেল ৰিপোৰ্টটোও আছে, কিন্তু আজিলৈকে তাৰ কোনো অনুসন্ধান নহ'ল। আসমীয়া ভাষাত এটি ফকৰা আছে, সেইটো হ'ল - ভূত খেদিবলৈ সৰিয়হ লাগে কিন্তু সৰিয়হৰ ডুলিতেই যদি ভূত থাকে তেতিয়া হ'লে ভূত কোনে খেদিব? আকৌ চাওঁক বৰহমপুৰ বেটেলিয়ানত যি বিলাকত নিযুক্তি হৈছে সেই বিলাকৰ ক্ষেত্রত কি হৈছে? যি সকলে পৰীক্ষা দিলে তেওঁলোকৰ নিযুক্তি নহ'ল। মূখ্যমন্ত্রীয়ে এখন চিঠি ডি.জি. পিলৈ লিখিছে তাত দিয়া মতে .....

CMRO. 1/95/186. dated Dispur the 22nd Jan 95.

D.G.P. Assam.

Please find herewith the following petitions, in original and direct the SP/Commdt. concernent to considered their case for Appointment as constables if they have been found fit in the Test conducted at their respective headquarters.

i) Sri Bhuban Dh. Das,

s/c Late bjoj khowa Das, Nagaon.

ii) Sri Dharma Hazarika,

s/c Sri Ramani Kanta Hazarika, Nagaon.

iii) Sri Sarat Saikia,

s/c Late Tileswar Saikia, Nagaon.

iv) Sri Indra babu Singh,

---

* Speech not corrected

s/c Late Mukta Singh, Nagaon.

(D.G.P.'S approval No. FB/1/144/92/147 dated 6.2.95 address to C.O., 8th A.PBn, Barhampur, Nagaon)

মর্ম্মে পঠাই দিলে। সেই মতে পুলিশ বিভাগৰ চাকৰিয়াল সকলৰ লৰাই বেচিভাগ চাকৰি পাইছে। চিঠিৰ কপি এটা মইয়ো পাইছো। তেওঁলোকে স্পষ্ট ভাৱে জনাইছে যে সেই চাকৰি বিলাকৰ দৰ ৩৫ হাজাৰ টকালৈকে উঠিছে। মইনুল হোক বোলা এজনে অভিযোগ কৰিছে যে ৩০ হাজাৰ টকা দিব লগীয়া হৈছে। এই দৰে কোন প্ৰাৰ্থীয়ে নিযুক্তি পাইছে আৰু প্ৰত্যেকেই নিৰ্দ্দিষ্ট পৰিমাণৰ ধন দিব লগীয়া হৈ অভিযোগ কৰা সত্তেও সেই বিলাক কোনো অনুসন্ধান নহ'ল। সেইকাৰণে কেনে আছে এতিয়া মই পঢ়ি দিব বিচৰা নাই। আকৌ সিদিনা মাঠো ৩১ জানুৱাৰীৰ দিনা সুকুমাৰ বোলা এজন লোকে টিনপাত কিনিবলৈ আহিছে তেওঁৰ পৰা তিনিজন মানুহে টকা লৈ উধাও হয়, পিছত এখন মাৰুতী গাড়ীততে আহি দিশপুৰ পুলিচ থানাত নটিচ কৰিবলৈ আহোতে ওলোটাই তেওঁলোকক গালিশপনি মাৰ-ধৰ কৰি গাড়ীখনৰ নম্বৰটো ৰাখি পঠিয়াই দিলে, পিচত তেওঁহে দেবব্ৰত শৰ্ম্মাৰ চিকিৎসা লবলগীয়া হয়। যোৱা ২০ ফেব্ৰুয়াৰী তাৰিখে অসম বন্ধ কাৰ্য্যসূচী আছিল, তেতিয়া মুখ্যমন্ত্ৰীয়ে কৈছিল যে এইটো ৰাজনৈতিক বন্ধ, গতিকে দোকান পোহাৰ বিলাকৰ তলা ভাঙিৰ নালাগে, এই সম্পৰ্কত এটা ইণ্ট ও হৈছিল ৰাইজে সেইটো দেখিছে, কিন্তু কাৰ্য্যক্ষেত্ৰত কি দেখিলো পুলিচে হাতুৰী - বটালী লৈ আহি দোকান - পোহাৰ বিলাকৰ তলা ভাঙি দোকান খুলিবলৈ বাধ্য কৰালে। কিয় এনেদৰে পুলিচ ফোৰ্চটো মিচইউজ কৰিছে। আকৌ সিদিনা যোৰহাটত পৌৰনিগমৰ এজন লোকক গাৰ কাপোৰ-কানি ফালি চিৰি লক-আপত ভৰাই দিয়া হ'ল। দিহা আৰু এখন চাহ বাগানৰ দুজন লোকক পুলিছে গুলিয়াই হত্যা কৰিলে তাৰোপৰি ৮,০০০ মজদুৰৰ গেষ্টো এণ্টাৰটাইচত হ'ল, কি ব্যৱস্থা ললে। নগাৱতো গুলিয়াই হত্যা কৰিলে, তাত হেনো লেবাৰ মিনিষ্টাৰেও ভিজিট কৰিছে কিন্তু কোনো ব্যৱস্থা নললে। কেইদিনমানৰ আগৰ কথা এজন উপায়ুক্তই নগাওঁৰ পৰা লক্ষীমপুৰলৈ বুলি যাত্ৰা কৰি বাটতে গাড়ী ৰাখি চিকিউৰিটি আৰু এচকোৰ্টক ভাত খাবলৈ পঠালে আৰু উপায়ুক্তৰ টিফিনত ভাত আনিবলৈ দিলে, টিফিন লৈ আহোতে হঠাতে কেইজনমান লোকে খুন্দিয়াই টিফিনটোওঁলৈ গ'ল আৰু মাৰপিট কৰিলে। গতিকে এজন চাৰান্দাৰ কৰক বা নকৰক আমাৰ কথা হ'ল তেওঁলোক মূল সুতিলৈ ঘুৰি

* Speech not corrected

আহক। চালফাক সংস্থাপন দিয়াৰ নামত আজি অসমৰ প্ৰয় ২৭৫ কোটি টকাৰ বনজ সম্পদ নষ্ট হ'ল। এতিয়া আকৌ এ.পি.এচ. চিৰ বিকুইটমেন্টৰ কি ব্যৱস্থা কৰা হ'ব সেইটো ভাৱিবলগীয়া কথা কেইজনমান এম. পিয়ে স্পষ্ট ভাৱে কৈছে, অসম ৰাজ্যখনত ল এন্দ অৰডাৰৰ কথা কৈছে, হিন্দুষ্টান টাইমচত এই বিষয়ে প্ৰকাশ পাইছে। আনকি প্ৰধানমন্ত্ৰী লৈ স্মাৰক - পত্ৰয়ো দিছে।

* শ্ৰী গিয়াচউদ্দীন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অব অৰডাৰ, অলপ আগতে বিৰোধী দলৰ দলপতিয়ে এ.পি.এচ. চিৰ এটা কথা উনুকিয়াইছিল, আচলতে এ.পি.এচ. চিৰ প্ৰতিবেদন সদনত দাখিল কৰা নিয়ম, আগতে এই ব্যৱস্থা আছিল কিন্তু এতিয়া এ.পি.এচ. চিয়ে প্ৰতিবেদন দাখি ল কৰিলে নে নাই ক'ব নোৱাৰো। গতিকে সদনত এ.পি.এচ. চিৰ প্ৰতিবেদন দাখিল কৰিব লাগে, তেতিয়া আমি আলোচনা কৰিবলৈ সুযোগ পাম।

আইন শৃঙ্খলাৰ ক্ষেত্ৰত মই ক'ব খুজিছো যে আইন শৃঙ্খলা ৰক্ষাৰ কাৰণে যি ব্যৱস্থা তেওঁলোক চনৰ ৩০ আগষ্ট তাৰিখে তাৰত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীয়ে যি বিবৃতি দিছে। ইয়াত বৰপেটা কোকৰাজাৰ ইত্যাদি আন্দোলনৰ, সাম্প্ৰদায়িক সংঘৰ্ষৰ চৰ্চা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আজিৰ চৰকাৰটোৱে দাবী কৰাৰ কোনো যুক্তি নাই যে তেওঁলোকে আইন শৃঙ্খলা ৰক্ষা কৰিব পাৰিছে। তেওঁলোকে আইন শৃঙ্কলা ৰক্ষা কৰিব পাৰিছে। তেওঁলোকে আইন শৃঙ্খলা ৰক্ষা কৰিব পৰা নাই। বহুতো আন্দোলনৰ কথা কোৱা হৈছে। ১৯৯৩/৯৪ চনত কেন্দ্ৰীয় চৰকাৰে ৩৪১৫৭৪ শ লাখ টকা ভাৰত বাংলা দেশ সীমান্ত উন্নয়নৰ কাৰণে দিছিল কিন্তু সেই টকাটো খৰচ কৰিব পৰা নাই। সেয়ে কেন্দ্ৰীয় চৰকাৰে পিচৰ ইনষ্টলমেন্টটো তেওঁলোকে পোৱা নাই। মাননীয় আধ্যক্ষ মহোদয়, ইয়াৰ উপৰিও বোৰডাৰৰ ইন্টাৰেষ্টত ৰাজ্যৰ ভিতৰত থকা বোৰডাৰৰ ক্ষেত্ৰত এ.বি.চি. কৈ কোটেগুৰি কৰি দিয়া হৈছে। এ চেক্টৰত ১৮ হাজাৰ টকা দিয়া হৈছে, বি. চেক্টৰত ২৭.৪ টকা দিয় হৈছে আৰু চি চেক্টৰত ১৩৪ টকা দিয়া হৈছে। সৰ্ব্বমুঠ ৩৯.৯৪ হেক্তৰ মাটি। গাওঁ - ২৭০। জনসংখ্যা হৈছে ৭৪৮৪৫ আৰু বিদ্যালয় আছে ১২২ খন। এ.বি.চি আটাইখিনিৰ জনসংখ্যা হৈছে ৭৪ হাজাৰ ৮৪৫। এইয়া হৈছে অনগা গাওঁ। ইয়াৰ উপৰিত ৭৪৯৮ খন নগা গাওঁ আছে। সীমান্ত অৰ্থ লব উন্নতিৰ কাৰণে এই চৰকাৰে কোনো ব্যৱস্থা হাতত লোৱা নাই। চুপ্ৰিমকোৰ্টৰ কেচ সমূহতো আগবাঢ়িব পৰা নাই। এই কেচ বিলাকত কিছু আগ বাঢ়িলেও কিছু সমস্যাৰ সমাধান হলহেঁতেন। কিন্তু

* Speech not corrected

এই ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত নহল। মাননীয় সদস্য এগৰাকীয়ে কৈছে যে ভাৰত বাংলা দেশ সীমান্ত ৰাষ্ট্ৰৰ বিভিন্ন ফেনচিংৰ কাম সম্পুৰ্ণ কৰিব পৰা নাই। ইয়াৰ বাহিৰে- The second instalment is releaned only after reciving the utilising certificate of the fund released as first instalment. ১৯৯৩/৯৪ অসমৰ কাৰণে ৯৫.৪৩ লাখ আৰু প্ৰথম ইনষ্টলমেন্ট হৈছে ৪৭.২ লাখ। ইয়াত দেখুৱাইছে নীল। তেওঁলোকে ইউটিলাইজেচন চার্টিফিকেট নিদিয়াৰ কাৰণে অথবা দিব পৰা নাই কাৰণে দ্বিতীয় ইনষ্টলমেন্টটো পোৱা নাই। কিন্তু অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, হিমাচল প্ৰদেশ ইত্যাদি ৰাজ্য সমূহে দিছে। পুলিচ বিভাগটোৱে দাবী কৰিছে যে তেওঁলোকক মডাৰৱাইজ কৰিব লাগে। কিন্তু তেওঁলোকে দিয়া নাই। অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত -- ইংৰাজী In order to prevent infilitration gledeshi National into India, the Government over the following proposals in August, 1993 :- phisical barrier on the Indo-Bangladesh Border of barbed wire fence. of a network of roads along the Indo order. এপ্ৰোভ হোৱাৰ পাছতো কাম হোৱা নাই । আৰু এটা কথা ইণ্ডোপাক বোৰডাৰত ফেনচিঙৰ কাৰণে ৩০৩৪ কিলোমিটাৰ, এইটো হৈছে ৰাজস্থানত। লাভ লাইটিং ৪৫৩ কিলোমিটাৰ কৰিছে। অথচ অসম বাংলাদেশ বোৰডাৰত কোনো আচনিয়েই হাতত লোৱা নাই। তেওঁলোকে কথাখিনি কৈ আছে। কিন্তু কাম সম্পাদনত উৎসাহিত নহয়। মাননীয় সদস্য এগৰাকীয়ে কৈ গৈছে যে বিগত চৰকাৰে বহুত ধাৰ লগাই থৈ গৈছে। কিন্তু মই স্পষ্টভাৱে কথাটো কব বিছাৰিছো যে কথাষাৰ মুঠেও সচা নহয়। ১৯৮৫ চনত চাৰি হাজাৰ কোটি টকাৰ ধাৰ এই চৰকাৰে কৰি গৈছিল। তেতিয়া ৭০ ভাগ ধাৰ আৰু ৩০ ভাগ গ্ৰেন্ট হিচাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা হোৱা ব্যৱস্থা আছিল। কিন্তু আমাৰ চৰকাৰৰ দিনত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৯০ ভাগ গ্ৰান্ট আৰু ১০ ভাগ ঋণ হিচাবে প্লেচ কৰি অনুমোদন কৰিলো। কিন্তু আজি অসমৰ পৰা ইমান কেইজন মন্ত্ৰী কেন্দ্ৰীয় চৰকাৰৰ ওচৰত থকা স্বত্তেও কিয় একো ব্যৱস্থা কৰিব পৰা নাই? কিয় অসমৰ ফাইনেনচিয়েল ব্যৱস্থা কৰিব পৰা নাই? আমাৰ মাননীয় সদস্য ৰাগিণী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সত্য নহয়। আমি ধাৰ মৰা নাই। কিন্তু প্ৰাইভেট কোম্পানীৰ পৰা ধাৰ লোৱা নাই। পিয়াৰলেচৰ পৰা, ফ্ৰান্সৰ পৰা ধাৰ লোৱা নাই। আপোনালোকে লৈছে। মই জনাত ষ্টেট বেঙ্কৰ ইণ্টাৰেষ্ট হৈছে ৮১ পৰা ১১

* Speech not corrected

টকা শতকৰা। কিন্তু এই কংগ্রেছ চৰকাৰে শতকৰা ২০ ভাগকৈ এ.আই.ডি.চিৰ জৰিয়তে ফ্রান্স কোম্পানিৰ পৰা সাত হাজাৰ কোটি ঋণ লৈছে। এই সকলো ঠিক কৰি দিয়া মানুহ জন হৈছে পেটেল। তেওঁক আকৌ ১২ টকা শতকৰা চার্ভিচ চার্জ দিব লগা হৈছে। এই মানুহ জন নো কোন? কি কাৰণে এনে কৰিব লগা হ'ল আমিও জানিব লাগে। আগতে অসমৰ প্রত্যেক জন মানুহৰ গাইপতি ধাৰ আছিল ৩ হাজাৰ টকা আৰু এতিয়া প্রত্যেকৰে ধাৰহ'লগৈ ৬ হাজাৰ টকা ধাৰ নোলোৱাকৈ আমি ধৰুৱা হলো। এই চৰকাৰে সকলোকে ধৰুৱা কৰিলে ইয়াৰ ওপৰি এচ. চি ডেভেলাপমেন্ট কোৰপোৰেচনৰ কাৰণে এন.এফ.ডি. চিৰ জৰিয়তে তিনি কোটি আশী লাখ টকা লোৱাৰ কথা আছিল। কিন্তু চৰকাৰে চিকিউৰিটিৰ দায়িত্ব নোলোৱাৰ কাৰণে এন.এফ.ডি. চিৰ টকাটো ঘূৰাই দিব লগা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ২ টকা কেজিত চাউল দিয়াৰ কথা কৈছিল কিন্তু পাবলিক মিটিং বিলাকত তেওঁলোকক সুধিলে কয় যে ৩/৪ মাহৰ ভিতৰত এবাৰ হে চাউল পায়। ১৯৯০ চনত আমাৰ চৰকাৰৰ দিনত ৩ টকা কেজিত চাউল ৰেচনৰ দোকান বিলাকত দিয়া হৈছিল। এতিয়া চাউলৰ দাম ৰেচনত ৭.৩০ পইচা হৈছে। অকল চাউলৰে নহয় কেৰাচিন তেল, দাইল আদিৰো দাম বৃদ্ধি হৈছে। আমি দাম কমাব পৰা নাছিলো বাবে আমাক গালি পাৰিছিল। আমি ২/১ টা বেয়া কাম যদি কৰিছিলো আপোনালোকে কি কাম কৰিছে? এতিয়া এ.জি.পি.য়ে ভাল কাম কৰিছে বুলি প্রমাণিত হৈছে। ৰাজীৱ গান্ধীৰ সন্ত্রাসৰ বিৰুদ্ধে হোৱা মিটিঙত কেন্দ্রীয় মন্ত্রী সন্তোষ মোহন দেৱে কৈছিল যে আগৰ চৰকাৰৰ দিনৰ একো কাম হোৱা নাই এতিয়া আমি কাম কৰিবলৈ টকা দিম। দূৰদর্শনৰ ইন্টাৰভিউটো আমাৰ শইকীয়া ডাঙৰীয়াই কৈছিল এ.জি.পি.য়ে ধাৰ লগাই থৈ যোৱাৰ কাৰণে আমি কাম কৰিব পৰা নাই। কিন্তু আপোনালোকে বাজেট বক্তৃতাত কৈছে আমি কাম কৰিছো অধ্যক্ষ মহোদয় আনৰ ওপৰত বদনাম জাপি দিয়াটো সহজ। অসমত গণ পৰিষদ চৰকাৰ থাকোতে কেন্দ্রৰ পৰা ধাৰ হৈছিল এইটো ধাৰ থাকিব। শতকৰা ৭০ ভাগ ঋণ আৰু ৩০ ভাগ দান। ১৯৮৫ চনত আমাৰ গঠন হওতে আমাৰ ওপৰত ৮ হাজাৰ কোটিৰ টকাৰ ঋণ জাপি দিয়া হৈছিল। আমি হস্পিতাল বিলাকত বেন্দেজ নাই, ইনজেকচন দিয়াৰ বাবে স্পীৰিট নাই, চেলাইন নাই।

শ্রী ভূমিধৰ বর্মন (স্বাস্থ্য মন্ত্রী):- এতিয়া দিয়া হৈছে।

* শ্রী প্রফুল্ল কুমাৰ মহন্ত :- মেডিকেল কলেজলৈ গলে চিনা এম.এল. এ হলে কয় যে, আপোনালোকে

* Speech not corrected

ইনজেকচন দিয়াৰ বাবে স্পীৰিট কিনি আনক আৰু সাধাৰণ লোকক গৰম পানীৰে তুলা লগাই ইনজেকচন দিয়ে। গতিকে এই কথাবিলাক চাব লাগে। অকল স্বাস্থ্য বিভাগতে নহয় আজি সকলো বিভাগতে এনে হৈছে। গড়কাপ্তানী বিভাগত আজি কি হৈছে? আন আন বিভাগতো কোনো উন্নয়নমূলক কাম হোৱা নাই। এই সম্পৰ্কত ২৯ অক্টোবৰ তাৰিখৰ 'আজিৰ অসম' বাতৰি কাকতত ওলাইছে যে, স্বাস্থ্য মন্ত্রীয়ে কিবা এটা কৰক। আজি বনজ সম্পদৰ অবাধ লুণ্ঠন চলিছে। অকল ২৩৫ কোটি টকাৰ কাঠ নষ্ট কৰিছে এনে নহয়, গড়, হৰিণ আৰু বাঘ মাৰি শেষ কৰিছে। ৰিজাৰ্ভ ফৰেষ্ট বিলাকৰ কাঠ কাটি পুখুৰীৰ পানীত জমা কৰি ৰাখিছে আৰু পিচত বিক্রি কৰিছে। চৰকাৰে একো একচন লোৱা নাই। এখন কাঠৰ ট্রাক পুলিচে জব্দ কৰাৰ পিচত এজন মন্ত্রীয়ে টেলিফোন কৰি কলে যে, ট্রাকখন এৰি দিব লাগে। আজি কাজিৰঙাৰ ৬০ টা গড় মৰি শেষ হল। মাটি এনক্রচ হৈছে। ইয়াৰ এটা ব্যৱস্থা সোনকালে কৰিব লাগে। আৰু বহুতো কথা আছে মই ক'বলৈ বিচৰা নাই। আজি ঠিকাদাৰ সকলে ঠিকা কৰাৰ টকা পোৱা নাই। মুখ্যমন্ত্রীয়ে কৈছে এ.জি.পি ৰ দিনত কাম কৰা ঠিকাদাৰ সকলক পইচা দিয়া নহয়। তেনেহলে এ.জি.পি আহিলে কবনেকি যে, কংগ্রেছৰ দিনত ঠিকা কৰা সকলক আমি পইচা নিদিও। ঠিকাদাৰ সকলকৰ যিটো দাবী আছে সেইবিলাক পুৰণ কৰিব লাগে। আমাৰ যিসকল পি. এচ. অ আছে তেওঁলোকেও কয় যে, তেখেতৰ সংগত থাকিলে পইচা পায় আনৰ লগত থাকিলে পইচা নাপায়। তেওঁলোকক টি. এ. আৰু দি. এ দিব লাগে। নহলে তেওঁলোকে কাম কেনেকৈ কৰিব? এই সকলোবিলাক বিষয়ে চকু দিব লাগে। মাননীয় সদস্য এজনে কৈছে এ.জি.পি নাথাকোতে আচুয়ে আন্দোলন কৰিছিল। ৰমা দত্তই স্বাৱলম্বীৰ নিদর্শন নামৰ এখন কিতাপ লিখিছে সেই কিতাপখন পঢ়ি চাব। নিগনি মৰা ঔষধ বিক্রী কৰি এজন মানুহ গুৱাহাটীত প্রতিস্থিত হৈছে। ১৯৮৫ চনতে বহুতো লোকে চাহৰ দোকান আৰু অনান্য সৰু সুৰা দোকান দি প্রতিস্থিত হৈছে। আগতে আমাৰ মানুহে দোকান দিবলৈ টান পাইছিল। আজি অসমৰ বাহিৰলৈ অসমৰ মুগা এৰি আদিৰ সূতা যোৱাৰ ব্যৱস্থা হৈছে। এইটো অসম আন্দোলনৰে এটা পজিটিভ চাইদ। সৰু সৰু বিজনেচ কৰি মানুহ প্রতিস্থিত হোৱাতো স্বীকৃতি দিব লাগিব। আজি বিভিন্ন লেন্দ হৈছে। আজি বড়ো লেন্দ অটনমাচ কাউন্সিল দিয়া হৈছে। কিন্তু এমেন্দমেনট নকৰাকৈ বিল পাচ কৰা হ'ল। অর্থাৎ ৰজা নোহোৱাকৈ ৰাজ্য হ'ল। আজি ৰাভা সকলৰ ক্ষেত্রত চৰকাৰৰ দৃষ্টি ভঙ্গি কি? মিচিং, টিৱা আদিযে আজি ৰাজ্য বিচাৰিছে তেওঁলোকৰ প্রতি চৰকাৰৰ দৃষ্টিভঙ্গি কি এইটো স্পষ্ট হোৱা নাই। আজি ৰাজ্যপালৰ

* Speech not corrected

ভাষণত ৰাজ্যখনৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পৰিবেশৰ কথা প্ৰস্ফুটিত হোৱা নাই। চৰকাৰে কৰিবলগীয়া কামবিলাক সঠিকভাৱে কৰিব পৰা নাই। আজি আইন শৃঙ্খলাৰ ক্ষেত্ৰতে হওঁক, বা বনাঞ্চল সম্পৰ্কতে হওঁক বা অন্যান্য ক্ষেত্ৰতে হওঁক কোনো কাম হোৱা নাই। আমাক নিৰ্ব্বাচনী প্ৰতিশ্ৰুতি দিয়া হৈছিল যে দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত থকা প্ৰতিজন প্ৰাপ্ত বয়স্কৰ লোকক জনমুৰি ৯৫ কেজি কৰি ২ টকা কেজিৰ চাউল দিয়া হ'ব। ৰাজ্যপালৰ ভাষণতো কৈছে যে, সম্প্ৰতি দি থকা ৪ লাখ দুখীয়া পৰিয়ালৰ বিপৰীতে আগন্তুক ১৯৯৫-৯৬ চনৰ বছৰটোত ৯৫ লাখ ৩৩ হাজাৰ টা দুখীয়া পৰিয়ালক সামৰি ৰেহাই মূল্যত চাউলৰ যোগান ধৰা হ'ব। এতিয়া জনমুৰি ক'ত গ'ল? পৰিয়াল কেনেকৈ হ'ল? চৰকাৰে ৰাইজৰ কাম কৰা নাই। কিন্তু কাম কৰা বুলি প্ৰচাৰ কৰা হৈছে। হিটলাৰেও ক্ৰিটিচিজিম এলাও কৰিছিল আৰু কৈছিল ক্ৰিটিচিজিম কৰিলে মানুহ শুদ্ধ হ'ব। ভাৰতবৰ্ষ গণতান্ত্ৰিক দেশ ইয়াত কন্সট্ৰাকটিভ ক্ৰিটিচিজিম হ'ব লাগে। এইটো কৰিলে মানুহ শুদ্ধ হ'ব গতিকে ইয়াক আমি আদৰণি জনাইছো। আপোনালোকেও ৪ টা বছৰ শেষ কৰিলে আমাক গালি পাৰিলে। এইবছৰো গালি পাৰিবনেকি? এইটো আপোনালোকৰ অন্তিম বছৰ।

মাননীয় অধ্যক্ষ মহোদয়, এল.অ.চি সম্পৰ্কে চৰকাৰে চি.বি.আইক. অনুসন্ধান কৰিবলৈ দিছে ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈ বাকী গোটেইখিনি বছৰৰ কাৰণে দিয়া নাই কিয়? চি.এ.জি. ৰিপোৰ্টত পশুপালনৰ বাদেও অন্যান্য কেইবাটাও বিভাগত অনিয়ম হোৱা বুলি উল্লেখ কৰিছে - যেনে পি.এইচ.ই. গড়কাপ্তানি আদি। এই কেইটা বিভাগৰ ক্ষেত্ৰটো চি.বি.আইক অনুসন্ধান কৰিবলৈ দিয়া নহয় কিয়? অধ্যক্ষ মহোদয়, আমি এটা কথা শুনিবলৈ পাইছো যে চি.বি.আইয়ে. তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰাৰ আগতে সেইটোবোলে মুখ্যমন্ত্ৰীয়ে তেখেতক দেখুৱাবলৈ কৈছে? যদি এইটোৱেই হয় তেন্তে চি.বি.আইৰ. অনুসন্ধান কি হ'ব জনা গৈছে। সেই কাৰণে আমি দাবি কৰি আহিছো যে এই এল.অ.চি. কেলেংকাৰিটো অনুসন্ধান কৰিবৰ কাৰণে এখন সদন কমিটি গঠন কৰিব লাগে-দৰকাৰ হলে সদন কমিটিত এ.জি.পিৰ সদস্য নেথাকে। আজি ৰাজ্যখনৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান বে-চৰকাৰী লোকৰ হাতলৈ হস্তান্তৰিত হ'বলৈ ধৰিছে এটাৰ পিচত এটাকৈ - এই হস্তান্তৰ ভিতৰুৱাকৈ যথেষ্ট টকাৰ লেনদেন হয় বুলি অভিযোগ কাকতত প্ৰকাশ কৰিছে। আজি বিভিন্ন বিভাগে এল.অ.চি পাবলৈ হলেও তাৰ কাৰণে কমিচন দিব লাগে বুলিও বাতৰিত প্ৰকাশ পাইচে। অধ্যক্ষ মহোদয়, আজি আমাৰ জনসাধাৰণৰ ক্ৰয়

ক্ষমতা হ্রাস পাইছে - এই ক্রয় ক্ষমতা ঘুৰাই অনাৰ কাৰণে চৰকাৰে আজি কি ব্যৱস্থা হাতত লৈছে? আজি কেন্দ্রীয় চৰকাৰে কৈছে যে অমুক বস্তুৰ দাম কমিছে কিন্তু বাকীবোৰ গাড়ীৰ টায়াৰৰ দাম বাঢ়িছে। ফলত অন্যান্য সামগ্রীৰ দাম বাঢ়িব। আজি যদি বাহিৰৰ পৰা ৭,৮ হাজাৰ কোটি টকা লবলগীয়া হয় তেন্তে বয় বস্তুৰ দাম বাঢ়িবই। আজি কেন্দ্রৰ বিত্তমন্ত্রীজন অসমৰ পৰা নিৰ্ব্বাচিত লোক তেখেতক অনুৰোধ কৰি কিয় ৰাজ্যখনৰ বিত্তীয় অবস্থা টনকিয়াল কৰিব নোৱাৰে? অধ্যক্ষ মহোদয় আজি অসমলৈ বাহিৰৰ পৰা যিবোৰ বস্তু আহিছে তাৰ ওপৰত এচামলোকে অকৃতজ্ঞশীল ভাৱে জোৰ জুলুম কৰি 'টেক্স' বহুয়াইছে। (ভয়চ-গুড্ডা টেক্স)। আনকি গুৱাহাটীৰ শুক্লেশ্বৰ ঘাটৰ ওচৰত থকা পূজা-গম্বৰ্নৰ কাৰণে ৰখা ফুলৰ ব্যৱসায়ী সকল ওপৰতো এনে টেক্স লগোৱা হৈছে। আজি দেশখন এনেকৈ চলিবলৈ দিয়া হৈছে কিয়? এইটো সাংবিধানিক ব্যৱস্থানে। আজিৰ চৰকাৰে যোৱা 'ঈদৰ' সময়ত কর্মচাৰীক দৰমহা দিব পৰা নাছিল - ২৮ ফেব্রুৱাৰীত এখন চাৰ্কুলাৰ যোগে বিভিন্ন তথ্য বিচৰা হৈছিল।

অধ্যক্ষ মহোদয়, বর্তমান চৰকাৰৰ দিনত শিক্ষা ব্যৱস্থাৰ বিষয়ে মই ক'ৰলৈ নেযাও-ইয়াত চৰম অবক্ষয় হৈছে। শিক্ষা ব্যৱস্থাৰ সংশোধনীৰ কাৰণে এখন কমিটিৰ কিছু পৰামর্শ আগবঢ়াইছিল যদিও চৰকাৰে সেই পৰামর্শৰলী মনা নাই। আজি আমাৰ বিভিন্ন ঠাইত পথাৰ পৰিচালনা সমিতিবোৰ আছে কিন্তু তাৰ কাম-কাজবোৰ ঠিক মতে চলা নাই। আজি ৰাজ্যখনৰ ৰাস্তা-পদুলিৰ কথা কবলৈ বেয়া লাগে। আনহে নেলাগে ধেমাজী অঞ্চলত আজি নেচনেল হাইৱেৰ অৱস্থা কি আছে সকলোয়ে দেখিছে। নামনি অসমতো নেচনেল হাইৱেৰ অৱস্থা অতি শোচনীয়। বৈঠানলাংচুত হাইৱেৰ কাৰণে টকা থকা সত্বেও কাম কৰা হোৱা নাই-সেই টকা অন্যলৈ ডাইভার্ট কৰা হৈছে। এতিয়া চৰকাৰে ৩১ মার্চ্চৰ ভিতৰত টকাবোৰ ড্র কৰি ৰেভিনিউ ডিপজিটত ৰখাৰ কাৰণে নির্দ্দেশ দিছে। এইটো কিয় হবলৈ দিছে? যোৱা ৪ টা বছৰত চৰকাৰখন সম্পূর্ণ নিস্কর্মা হৈ থকা দেখিছো-বিশেষকৈ জনসাধাৰণৰ প্রতি থকা চৰকাৰৰ দায়িত্ব পালনৰ ক্ষেত্রত কিন্তু চৰকাৰে কিছু বিৰোধী দলৰ লোকক সাধাৰণ একোটা অজুহাততে মাহৰ পিচত মাহ ধৰি জেলত আটক কৰি ৰাখিছে। এচাম লোকক চৰকাৰে সহজতে ধন লভাৰ পথ দিছে এজন লোকে মানুহ মাৰি চৰকাৰৰ ওচৰত চাৰেন্দাৰ কৰিলে চৰকাৰে তেওঁক ২ লাখ টকা দিয়ে। চৰকাৰে আজি ভাবোল গুটিৰ, লটাৰী, জুৱা, মদ আদিৰে অসমৰ

* Speech not corrected

নতুন প্রজন্মক ধ্বংস কৰিবলৈ বিচাৰিছে।

আজি অসমত কেইজন আই. এ. এচ. আই পি, এচ বিষয়া ওলাইছে? কেইজনে সর্বভাৰতীয় প্রতিযোগীতামূলক পৰীক্ষাৰত উত্তীর্ণ হ'ব পাৰিছে? এ. জি. পি চৰকাৰৰ দিনত সন্ধিয়া মানুহ ৰাস্তাত ওলাবলৈ ভয় কৰিছিল বুলি চৰকাৰী পক্ষই সমালোচনা কৰিছিল - কিন্তু এতিয়া হৈছে কি - চলিছে কি? চেণ্টিনেল কাকতৰ ওচৰত ৰাস্তাৰ ওপৰতে দিন দুপৰতে মানুহক গুলীয়াই মাৰিছে। সিদিনা মহানগৰীত কংগ্রেছ আহি সভাপতিয়ে মানুহ গুলিয়ালে কিন্তু তেওঁক ৰাজকীয় সম্মানেৰেহে আদালত লৈ অনা হ'ল। প্রথমতে চৰকাৰে উচ্চ লোক জনক গ্রেপ্তাৰ কৰা নাছিল, কিন্তু পিচত জনসাধাৰণে হেচা দিয়াৰ ফলতেহে তেওঁক গ্রেপ্তাৰ কৰা হৈছে। শ্রীশশী হাজৰীকা কোনো পদেই হত্যাকাণ্ডৰ লগত জড়িত নাই বুলি তেওঁৰ পৰিয়ালৰ লোকে কৈছে - মৰিগাঁৱঁৰ প্রদীপ শর্ম্মাৰি কেচত। কিন্তু তেখেতক আজি জেলত ৰাখি থৈছে। আমি এই ঘটণাটো চি.বি.আইক. অনুসন্ধান কৰিবলৈ দিব লাগে বুলি দাবী জনাইছো - কিন্তু চৰকাৰে এইটো কৰিবলৈ সাহস কৰিব পৰা নাই। আজি গোটেই ৰাজ্য খনতে সকলো দিশতে দূৰ্নীতিয়ে মোৰ ধৰিছে - কিছুমান শিক্ষিত যৱকক আজি নষ্ট কৰা হৈছে, নতুন প্রজন্মক চৰকাৰে ধ্বংসৰমুখলৈ ঠেলি নিছে। আজি বিভিন্ন বিদ্যালয়ত পৰীক্ষা আৰম্ভ হৈছে কিন্তু কি পৰীক্ষা হৈছে, কি পৰীক্ষা দিছে সেই বিষয়ে আমি বাজেটত শিক্ষা বিভাগৰ ওপৰত আলোচনা কৰোতে বক্তব্য ৰাখিম। সদন কমিটিয়ে শিক্ষা বিভাগৰ সম্পর্কত ১৯৯৪ চনৰ চেপ্তেম্বৰৰ ১৬ তাৰিখে দিয়া কিছু পৰামর্শ আজিও শিক্ষা বিভাগে মনা নাই এই বিষয়ে আমি পিচত আলোচনা কৰিম। মুঠতে এটা কথা ঠিক যে ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ এখন প্রকৃত ছবি পৰিস্ফুট কৰি তুলিব পৰা নাই।

গতিকে অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ প্রকৃত প্রতিছবি পৰিস্ফুট কৰিব পৰা নাই। ১৯৯১ চনৰ চেনচাচ ৰিপোর্ট প্রকাশ কৰিবলৈ চেণ্ট্রেল গভর্ণমেণ্টক কিয় বাধ্য কৰাব পৰা নাই। অসমত কোন সম্প্রদায়ৰ, কোন জাতিৰ, কোনধর্ম্মৰ কিমান মানুহ আছে এইটো সাধাৰণ ৰাইজে জনাত ক্ষতি কি? এইটো কিয় গোপনীয় হৈ আছে। অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত, আইন শৃঙ্খলাৰ ক্ষেত্রত এটা কথা স্পষ্ট ভাৱে ডিমাছা জাতীয় নিৰাপত্তা বাহিনীৰ সভাপতি আৰু সেনাধ্যক্ষই আত্মসমর্পণ কৰিছে আৰু তেওঁলোকৰ সংগঠন ভাঙি দিছে। কিন্তু সন্ত্রাস বাদী কার্য্য ক'ত বন্ধ হৈছে। এনে কার্য্যৰ লগত জৰিত এজন মন্ত্রীৰ ওপৰত কি ব্যৱস্থা কৰিছে অধ্যক্ষ মহোদয়, বিগত বছৰত কিছুমান সন্ত্রাসবাদীয়ে আত্মসমর্পণ কৰিছিলে। কিন্তু আপোনলোকৰ চৰকাৰে সন্ত্রাসবাদীৰ যিটো হিচাব দিছিলে এতিয়া আত্মসমর্পণৰ সংখ্যা তাতকৈ বহুত বেছি হৈ গ'ল। এইটো কেনেকৈ হ'ল। সিদিনা এজন ডিচিয়ে কৈছেলে যে তেওঁলোকে বিৰোধী

দলৰ মানুহক লগ পালে তেওঁলোকক ট্ৰেনচফাৰ কৰি দিয়ে। তেওঁ মোক কৈছিল যে এজন মন্ত্ৰীয়ে তেওঁক কেইজন মান মানুহৰ নাম দিছিলে যে সেই নাম কেইটা চাৰে ডাঙৰ লিষ্টত ভৰাই দিব লাগে। তেওঁলোক তেনে কাম কৰিবলৈ বাধ্য, নহলে তেওঁলোকৰ ট্ৰেনচফাৰ হৈ যাব। এজন অফিচাৰে মোক কৈছিল যে আপোনালোকে মোলৈ ৰবকৈ টেলিফোন কৰি নাথাকিব, মোৰ জিলাত সাত জন মন্ত্ৰী আছে, কেনেবাকৈ গম পালে মোৰ ট্ৰেনচফাৰ হৈ যাব। অধ্যক্ষ মহোদয়, এই বিলাক কিয় হৈছে। আমি শাসনত থাকোতে তেখেতসকল বিৰোধী দলত থাকোতেটো আমি তেনে কৰা নাছিলোঁ। আমাৰ শাসনৰ দিনত মাননীয় মন্ত্ৰী শ্ৰী ৰাছদুল হক ডাঙৰীয়াৰ সমষ্টিত কিমান কাম হৈছে তেখেতক সোধকচা গৌতম ৰয়ৰ সমষ্টিত কিমান কাম হৈছিল গৌতম ৰয় ডাঙৰীয়াই তেতিয়া আমাক মুকলি মিটিঙত প্ৰশংসা কৰিছিলে। বাতৰি কাকতত বিবৃতি দিছিল। তাৰপাছে আজি গতিকে অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত ৰাজ্যখনৰ প্ৰকৃত ছবি প্ৰতিফলিত কৰা বিফল হৈছে। এই বছৰ তেখেতসকলৰ অন্তিম বছৰ গতিকে কিছু ভাল কাম হ'ব বুলি আমি আশা কৰিছিলো কিন্তু ভাল কাম কৰাৰ বাবে তেখেতসকলে কোনো ইচ্ছা প্ৰকাশ কৰা নাই। অধ্যক্ষ মহোদয় মই আৰু বেছি নকওঁ, আমাৰ ফালৰ পৰা যিকেইটা সংশোধনী আনা হৈছে, সেই সংশোধনী কেইটা গ্ৰহণ কৰিবলে দাবী জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

শ্ৰী মুজিবুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ মাৰ্চ তাৰিখে ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ আনা হৈছে তাৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। বিভিন্ন জনে ৰাজ্যপালৰ ভাষণৰ ওপৰত বিভিন্ন মন্তব্য ৰাখিছে। এই ক্ষেত্ৰত মই কব খুজিছো যে আমাৰ নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতি দিছিল যে আমি অসমত শান্তিৰ পৰিবেশ ঘুৰাই আনিম বা শান্তিৰ বাতাবৰণ প্ৰতিস্থা কৰিম, আইন শৃঙ্খলাৰ উন্নতি ঘটাম। অলপ আগতে আমাৰ বিৰোধী দলৰ দলপতি মহোদয়ে বিভিন্ন তথ্যসহকাৰে কিছুমান অভিযোগ আনিছে, বা তথ্যপাতি দাঙি ধৰিছে, তেনে ক্ষেত্ৰত সকলোয়ে আনন্দ সহকাৰে সমৰ্থন কৰিছে। বিশেষকৈ বিৰোধী দলৰ দলপতি মহোদয়ে আইন শৃঙ্খলাৰ ওপৰত দীঘলীয়া বক্তৃতা ৰাখিছে আৰু আমাৰ চৰকাৰৰ ওপৰত কিছুমান বদনাম জাপি দিছে। এই ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে বিৰোধী দলৰ দলপতিয়ে যেতিয়া বক্তৃতা ৰাখে তেতিয়া বিৰোধী সদস্যসকলে আনন্দ কৰে আৰু যেতিয়া আমাৰ দলপতিৰ তাৰ প্ৰত্যুত্তৰ দিয়ে তেতিয়া তেওঁলোকে তাপ মাৰে। তেখেতে কৈছে যে এই বছৰ আমাৰ অন্তিম বছৰ আৰু এই বছৰ আইন শৃঙ্খলাৰ বেছি অৱনতি ঘটিছে। যদি সঁচাকৈয়ে অৱনতি ঘটিছে, সেইটো আপোনালোকে বিচাৰ কৰক বা নকৰক ৰাইজে বিচাৰ কৰিব। আপোনালোকে অহাবাৰ আমাৰ ফালে বহিম বুলি ভাবিছে। কিন্তু

(*) Speech not corrected

সপোনত সকলোৱে পেট পুৰাই ঘিউ খায়। এই খিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে সেই সময়ত এ. জি. পিৰ শাসন কালত আইন শৃঙ্খলাৰ পৰিস্থিতি সম্পৰ্কে শ্ৰী শৰৎ চন্দ্ৰ সিংহই এনে দৰে লিখিছিল ——— ।

Shri Sarat Ch. Sinha. Law and order. To assess the depth into which Assam's law and order situation has deteriorated, one is to recall that sometime back the Chief Minister of Assam himself had to admit the failure of law and order in the State and accused his own home minister. His home minister in turn accused the Chief Minister. In the nutshell this is how the State Cabinet functions. Indifferently to the sufferings of the people, this is how the Government of Assam goes on. Recently the union home minister observed that at present in Assam a free and fair election could not be held. That is precisely the present political situation. To be very frank, Government has no law and order policy to secure the life and property of the people.

There is ditressing sign of incapacity of the Government for tacking the problem. Because of people's safety have become vulnerable to be kidnapped and killed. The policemen deploued to maintain the public peace are actually being kidnapped and killed. In this respect it is the attitude of the Government that makes matters worse. The state Government seems to be absolutely indifferent, allowing things to be drifted.

* Speech not corrected

Very recently, the Assam Police Association has adopted a significant resolution in the meeting held following the killing of Mr. Daulat Singh Negi, IPS, Superintendent of Police at Dibrugarh. On one hand the Police to restole law and order, on the other it expressed a great resentment against the Government for not giving them the scope to do so. It is only a tip of the ice-berg of their great resentment.

The crime of extortion of money, corcive acts, forcible occupation of properties and forcible taking away of vehicles are being comitted within the knowledge of the authority and with impunity. The authority will not give the victim any remedy. Consequently, the Victim are scare and being the terrior of life they cannot complain about the wrong done to them. A complain may risk their life. Some sections of the people are so terrorized a that they are deserting their bodies. In the matter of law and order the Government seens virtually to be non-functioning. A very simple example may be cited. The licensed guns have been taken away from the individuals by the terrorists. The Government has not made any effort to recover the guns. It is obvious that Government cannot demonstrate even a sign of functioning. The Assam Police Association has rightly pointed out in the resolution that the terrorists are free to strike at any time and at any place as they want, while the Police are restrined from performing even the mandotory duty. Thus Assam's future looks black.

মাননীয় অধ্যক্ষ মহোদয়, গতিকে মই আকৌ পুৰনা কেছেট এটাকে বজাব খুজিছো। যদি আইন শৃঙ্খলা পৰিস্থিতি ৰক্ষা কৰাত আমাৰ চৰকাৰ বিফল হৈছে আৰু ৰাইজে যদি সঁচাকৈ

* Speech not corrected

তাকে উপলব্ধি কৰিছে তেতিয়া হলে নিশ্চয় তেওঁলোকে তেওঁলোকৰ মনোবাঞ্ছা পূৰণ কৰিব পাৰিব । এই কথাত ভয় কৰিব লগা একো নাই। গতিকে সেই সময়ত ৰাইজে মাননীয় শৰৎ সিংহ ডাঙৰীয়া আৰু অন্যান্য সকলক ৰাইজৰ মনোভাব নিৰ্বাচনৰ যোগেদি প্ৰতিয়মান কৰি দেখুৱাইছে। তেওঁলোকৰ পতন ঘটিল। যদি আজি সচাকৈ ৰাইজে ভাৱে যে অসমত আইন শৃঙ্খলা পৰিস্থিতৰ অৱনতি ঘটিছে। আমাৰ দলপতিৰ হওঁক বা চৰকাৰেই হওঁক নিশ্চয় তথ্য সহকাৰে জনাব। মই সেই পইণ্টলে যাবলৈ বিচাৰ নাই। যদি ৰাইজে সচাকৈয়ে ভাৱে তেতিয়াহলে আমাৰো নিশ্চয় সেই একে দশাই হ'ব। তাৰ কাৰণে আমি প্ৰস্তুত। মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছে যে আইন শৃঙ্খলা পৰিস্থিতি উন্নতি হৈছে, আজি অসমত শান্তিৰ বাতাবৰণ ঘুৰি আহিছে। অসমত বৰ্ত্তমান আইন শৃঙ্খলা পৰিস্থিতি উন্নতি হোৱা নাই এইটো আমি কেতিয়াও বিশ্বাস কৰিব নোৱাৰো। আমাৰ কংগ্ৰেছ চৰকাৰে ইমান দিনে কৰি অহা কাৰ্য্যৰ পৰাই আমাৰ চৰকাৰৰ দায়বদ্ধতাৰ কথা কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰিব। মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে জানে যে যি সময়ত আমাৰ চৰকাৰ গাদী লৈ আহিছিল অসমত সেই সময়ত আইন শৃঙ্খলা পৰিস্থিতিৰ সামান্যতমো চিন-চাব নাছিল। আইন শৃঙ্খলা পৰিস্থিতি ঘুৰাই আনিবৰ বাবে আমাৰ চৰকাৰে যথেষ্ট বতিব্যস্ত থাকিবলগীয়া হৈছিল। এই কথা অস্বীকাৰ নকৰো। আজি মাননীয় মহন্ত ডাঙৰীয়াই কৈছে যে পেৰা মিলিটাৰী আৰু অৰ্ধ সামৰিক বাহিনীৰ দ্বাৰা আইন শৃঙ্খলা পৰিস্থিতি জীয়াই ৰখা হৈছে। কিন্তু সেইটো সঁচা কথা নহয়। বৰ্ত্তমান আমাৰ ৰাজ্যত মাত্ৰ অৰ্ধসামৰিক বাহিনী ৩০ টা কোম্পানীহে আছে। কিন্তু এ.জি. পি চৰকাৰৰ দিনত অসমত অৰ্ধ সামৰিক বাহিনীৰ ২৪০ টা কোম্পানী আছিল। সেইখিনি সময়ৰ আইন শৃঙ্খলাৰ এটা মাত্ৰ উদাহৰণ উল্লেখ কৰা হৈছে। আজি আদিল শ্বাহে গুলি মৰাৰ কাৰণে আইন শৃঙ্খলা পৰিস্থিতিৰ উদ্ভৱ হৈছে। এইটো আমাৰ বাবে বৰ দুৰ্ভাগ্যৰ কথা। কাৰণ তেওঁ আমাৰ কংগ্ৰেছৰ এজন সভাপতি। তেওঁ ব্যক্তিগত আখেজৰ কাজিয়াৰ কাৰণে গুলি মাৰিছে। আৰু তাৰ বাবে পুলিচ বিভাগে তেওঁৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যবস্থা লৈছে। কিন্তু আগৰ চৰকাৰৰ দিনত যেতিয়া নগাঁওত ছৈয়দ মুফটিৰ সভা হৈছিল সেইদিনা শ শ যুৱকে মটৰ চাইকেলত হাতত তলী ভঙা বটল লৈ গৈছিল যাতে কোনো মানুহ সভালৈ আহিব নোৱাৰে। যুৱক বিলাকে মানুহক বাধা

* Speech not corrected

দিছিল পুলিচ বাহিনীৰ সম্মুখতে। তেতিয়া কিন্তু পুলিচ নিস্ক্রিয় হৈ আছিল। সেই সময়ত আইন শৃঙ্খলা পৰিস্থিতিৰ অৱনতি ঘটা নাছিল নে? নগাঁওৰ মুছলমান অধ্যুষিত অঞ্চল যমুনা মুখৰ এনে যুৱকক শ শ মানুহৰ আগতে ধৰি লৈ গৈছিল আৰু মাৰ-পিট কৰিছিল। যেতিয়া তেওঁ মটৰ চাইকেলৰ পৰা পলাই যাবলৈ বিচাৰিছিল তেতিয়া তেওঁক মানুহৰ আগতে গুলিয়াই মাৰিছিল। সেই সময়ত পুলিচ নিস্ক্রিয় হৈ আছিল। পুলিচৰ ওচৰলৈ যাবলৈও ভয় কৰিছিল। সকলো ভীতিগ্রস্ত হৈ আছিল। পুলিচক এজেহাৰ দিবলৈ ভয় কৰিছিল। কিন্তু আজি মানুহে পুলিচৰ ওচৰলৈ যাবলৈ ডাঙৰীয়াই আলফাৰ কথা উল্লেখ কৰিছে। আজি জনসাধাৰণে আলফাক ভয় নকৰে। ..... সেইদিনা ডুমডুমীয়াত ১ জন আলফা সদস্যক ৰাইজে ধৰি পুলিচক গটাই দিছে। মই আকৌ পুৰণা কেছেট এটাকে বজাবলৈ নিবিচাৰো। আজি আইন শৃঙ্খলা পৰিস্থিতিৰ কথা বাতৰি কাকতত দিয়া তথ্য সহকাৰে উল্লেখ কৰিছে। এইবিলাক বাতৰি কাকতত দিয়া বিবৃতি। বাতৰি কাকতত দিয়া সকলো কথাই সত্য হ'ব নোৱাৰে। কুকুৰে মানুহ কামুৰিলে সেইটোহে খবৰ। বাতৰি কাকতত এনে কিছুমান কথা দিয়ে যিবিলাক বাতৰি কাকতৰ উদ্দেশ্য প্রণোদিত। বাতৰি কাকতত দিয়া কিছু কিছু ঘটনাই আছে যিবিলাক কেতিয়াও নিৰ্ণায়ক ৰূপে ল'ব নোৱাৰি। আজি মানুহৰ চৰকাৰৰ প্রতি আস্থা আছে। পুলিচ বাহিনীৰ প্রতি আস্থা আছে। আজি আইন শৃঙ্খলা পৰিস্থিতিৰ ওপৰত মানুহৰ আস্থা আছে। আমাৰ চৰকাৰে কংগ্রেছৰ সভাপতিৰ ওপৰতো আজি ব্যৱস্থা লবলৈ কুণ্ঠাবোধ কৰা নাই। গতিকে এইটো আইন শৃঙ্খলা পৰিস্থিতি বুলি গ্রহণ নকৰো। আজি ৰাইজৰ কংগ্রেছৰ ওপৰত আস্থা আছে আইন শৃঙ্খলা পৰিস্থিতি উন্নত হৈছে। আমাৰ চৰকাৰৰ এইটোৱেই অন্তিম বছৰ নহয়। এইটো অহা বছৰটোৰ আৰম্ভনিহে। এটা সময়ত এ.জি.পি. ভাঙি দুটা দল হৈছেল আজি আকৌ এ.জি.পি. আৰু এন.এ.জি.পি সম্মিলিত হৈছে। এই মিলনৰ এটা ৰাজনৈতিক উদ্দেশ্য আছে। আৰু সেই উদ্দেশ্য পূৰণৰ বাবেহে এই ধৰণৰ ব্যৱস্থা গ্রহণ কৰিছে। আজি মহন্ত ডাঙৰীয়া এটা ভাল কথা উল্লেখ কৰিছে। সেইটো হৈছে ভোটাৰ তালিকাৰ কথাটো। অসমত আজি লাখ লাখ বিদেশী আছে বুলি কৈছে। আজি যদি আমি আছুক ধন্যবাদ জ্ঞাপন কৰো তেতিয়া তেওঁলোকে ক'ব আমাৰ ইয়াত ৰাজনৈতিক উদ্দেশ্য আছে। ১৯৭১ চনৰ পিছৰ পৰা অহা সকলো বিদেশীকে বহিস্কাৰ কৰাৰ বাবে দাবী কৰি আছে। এই ২৪ বছৰে আহি থকা বিদেশীখিনিক বহিস্কাৰ কৰিব লাগে বুলি আমি মনে-প্রাণে বিশ্বাস কৰো। তেখেতসকলক

*Speech not corrected

এই ক্ষেত্রত আহ্বান জনাম। ভোটাৰ তালিকাৰ ক্ষেত্রত এটা কথা বিভিন্ন দল আৰু বিভিন্ন বাতৰি কাকতত উল্লেখ কৰি থকা হয় যে অসমলৈ লাখ লাখ বিদেশী আহি আছে। ধুবুৰীৰ সীমান্তইদি বিদেশী নাগৰীক আহি আছে। তাত BSF আৰু কাইটীয়া তাৰৰ বেৰ থকাৰ পিছতো কেনেকৈ আহি থাকিব পাৰে। বিৰোধী দলৰ দলপতি শ্রী মহন্ত ডাঙৰীয়াই বিদেশী নাগৰীকৰ কথা উল্লেখ কৰিছে নগাঁও জিলাত ৮ টা বিধান সভা সমষ্টি আছে। মই তাৰ আটাইতকৈ বেছি মুছলমান লোক থকা সমষ্টি ধিংৰ পৰা নিৰ্বাচিত হৈ আহিছো। এই সমষ্টিৰ ৯০ ভাগেই মুছলমান সম্প্রদায়ৰ লোক। যোৱা ১৯৯০-৯১ চনত তাত ভোটাৰৰ সংখ্যা আছিল ৯০ হাজাৰ। এই তালিকা ১৯৮৫-৮৬ চনতে তৈয়াৰ কৰা ভোটাৰ তালিকা মই আজি প্রত্যাহ্বান জনাম যিকোনো দলেই হওঁক বা আন কোনোবাই হওঁক ১৯৯১ চনৰ ভোটাৰ তালিকাত থকা ৯০ হাজাৰ ভোটাৰৰ ভিতৰত এজনো বিদেশী আছে বুলি প্রমাণ কৰিব পাৰে তেন্তে মই ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ লম। যদি ৯০ হাজাৰ ভোটাৰ ভিতৰত এজনো বাংলাদেশী নাই তেন্তে লাখ লাখ বিদেশী কৰ পৰা আহিল? অধ্যক্ষ মহোদয়; মোৰ সমষ্টিটোৱে আটাইতকৈ বেছি মুছলমান লোক থকা সমষ্টি। গতিকে মোৰ সমষ্টিতে যদি এজনো বিদেশী নাই তেতিয়াহলে এই লাখ লাখ বিদেশী সকল কোনবিলাক সমষ্টিত আছে। মোৰ সমষ্টিত এইবাৰ ভোটাৰৰ সংখ্যা বাঢ়ি ৯৮ হাজাৰ হৈছে। অসমত যিটো বিদেশী সমস্যাৰ কথা কৈ থকা হৈছে এইটো ৰাজনৈতিকভাৱে জীয়াই বিচৰা এটা সমস্যাহে।

মাননীয় অধ্যক্ষ মহোদয়, আজি এই ভাৰতবর্ষৰ ভিতৰতে আচুৰ আন্দোলনৰ পিচৰ পৰা যি পৰিস্থিতিৰ সৃষ্টি হ'ল তাৰ জৰিয়ত সংখ্যালঘু মানুহখিনিক বিদেশী বুলি সদায় জোৰ জুলুম ৯০ কৰিছে। মানবতাৰ দিশৰ ফালৰ পৰা আজি যিটো সত্য কথা সেইটো উপলদ্ধি কৰিব লাগে। আমাৰ চৰ অঞ্চলত বসবাস কৰি থকা মুছলমান মানুহখিনিক সন্দেহ কৰা হয়। মোৰ সমষ্টিৰ ৯০ হেজাৰ জনসংখ্যা ভিতৰত ৪০ হেজাৰ চৰ অঞ্চলত থাকে। ডিব্রুগড়ৰ চৰ অঞ্চলত কিছুমান মানুহ বহিছে। সেই চৰ অঞ্চলত বহিছে বুলিয়ে তেওঁলোক বাংলাদেশী হ'ব পাৰে নেকি? তেওঁলোক বাংলা দেশী নহবও পাৰে। চৰ অঞ্চলত কোন বিলাক মানুহ থাকে। যত নেকি যাতায়তৰ ব্য ৱস্থা নাই, ইলেক্ট্রীচিতিৰ

* Speech not corrected

ব্যৱস্থা নাই য'ত নেকি জীৱন নিৰ্ব্বাহৰ কোন সুবিধা নাই। ব্ৰহ্মপুত্ৰ গঢ়াখহনীয়াত যি সকল মানুহ মাটি-বাৰী ঘৰ নাইকীয়া হৈছে তেওঁলোক গৈ তেনে ঠাইত আছে। মোৰ সমষ্টিৰপৰা ব্ৰহ্মপুত্ৰ গঢ়াখহনীয়াত সৰ্ব্বহাৰা হোৱা মানুহে গৈ ডিমাপুৰত দিন মজুৰী কৰিব লগা হৈছে। তাত ডিমাপুৰৰ মানুহে সেইসকলক বাংলাদেশী বুলি কৈছেল। মই মাননীয় মুখ্যমন্ত্রীক অনুৰোধ কৰিছিলো যে তেখেতে নাগালেও মুখ্যমন্ত্রীক কৈ যে সেই মানুহ বিলাক খেদি পঠাব নেলাগে সেই মানুহ বিলাক আমাৰে মানুহ ডিব্রুগড়ৰ ওচৰত বহি থকা মানুহ বিলাকক চাব লাগে যাতে তাত থকা মানুহ খিনিৰ ভাৰতীয় হয়নে নহয়। যদি ভাৰতীয় নাগৰীক নহয় তাক খেদি পঠিও ৰাৰ নিশ্চয় অধিকাৰ আছে। এইটো কথা নহয় যে তাত বসবাস কৰিবলৈ অন্য ঠাইৰ পৰা মানুহ গলে সেই বিলাক বিদেশী মানুহ। আজি আমাৰ শিক্ষাগত অৰ্হতাৰ পার্থক্য থাকিব পাৰে কিন্তু অসমত অসমীয়া ভৱন প্ৰক্ৰিয়া অভিজ্ঞতাৰ গুৰুত্ব একেবাৰে কম বুলি ক'ব নোৱাৰি। কাম কৰি খাতিখোৱা মানুহ বা চৰ অঞ্চলত থকা মানুহ হলেই বাংলাদেশী মানুহ হ'ব নোৱাৰে। বিদেশী চিনাক্তকৰণ পকয়া যদি এইটোৰে হয় তেতিয়া হলে বাধাগ্ৰস্ত হ'ব। আৰু এটা কথা উল্লেখ কৰিছো- বাতৰি কাকতত প্ৰকাশ পাইছে বি.জে.পিৰ ৰাজ্যিক সভাপতি শ্ৰী প্ৰবীন বৰুৱাৰ শইকীয়া মন্ত্ৰী সভাত বাংলাদেশী মন্ত্ৰী আছে বুলি কৈছে। আৰু তেওঁলোকে শাসনভাৰ পালে ৭ দিনৰ ভিতৰতে বিদেশী খেদী পঠাম বুলি কৈছে। এইটো পি চি চ ৰকাৰৰ মেজিক নেকি আচুয়ে যি ৬ টা বছৰে বিদেশী খেদাৰ আন্দোলনকৰি ৫ বছৰে শাসন ভাৰ চলাই বিদেশী খেদীব নোৱাৰিলে তেওঁলোকে ৭ দিনতে বিদেশী খেদিব। এইটো পি চি চৰকাৰৰ মেজিক নহয়নে? এনেবোৰ সমস্যা সমাধান কৰিবলৈ তেওঁলোকৰ এটা টেলিৰোপিক মেচিন আছে নেকি? চৰ অঞ্চলৰ সমস্যাৰ কথা উত্থাপন কৰিবলৈ গৈ এই সমস্যা যি বিলাকৰ কথা উত্থাপন কৰা হৈছে সেই বিলাক আমি আওকাণ কৰিছো। বিদেশী সমস্যাৰ লগতে বানপানীৰ সমস্যাও আছে। যি বিলাক ঠাইত বানপানী হয়, বি অঞ্চল বিলাকত বানপানীয়ে ক্ষতি সাধন কৰে সেই অঞ্চলৰ মানুহ বা তাৰ ভুক্তভূগীয়েহে সেই কথা উপলদ্ধি কৰিব পাৰে। বানপানীৰ ক্ষেত্ৰত প্ৰথম বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা ২৫ কোটি টকা বিচৰ হৈছিল তাৰ ভিতৰত ৯৭ লাখ টকাহে দিলে তাৰ পিচত ৪ কোটি দিলে। ১ কোটি টকা এই আৰ পোৱা হৈছে। আমি ভাল কাম কৰিলে ধন্যবাদ দিব লাগিব - এ.জি.পি. চৰকাৰৰ দিনত এই ক্ষেত্ৰত ৯০

ভাগ অনুদান হিচাবে লৈছিলে আৰু ১০ ভাগ ধনহে ঋণ হিচাবে লৈছিল। আমাৰ দলে ডি আৰ ডি এ ৰ জৰিয়তে কাম কৰি আছে। সেই কথাটো স্বীকাৰ কৰিবলৈ টান পাইছে। বানপানীৰ ক্ষেত্ৰত কোন চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ধন ঋণ হিচাবে নলৈ অনুদান হিচাবে ল'ব লাগে। তেতিয়া সমস্যা সমাধান কৰাত সুবিধা হয়। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যি ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা হয় সেই ধন যাতে শতকৰা একশ ভাগেই অনুদান হিচাবে দিয়ে তাৰ বাবে মই চৰকাৰৰ অনুৰোধ কৰিছো।

অধ্যক্ষ মহোদয়, এই চৰকাৰৰ দিনত উন্নয়ন মূলক কাম কৰিবৰ কাৰণে যথেষ্ট গুৰুত্ব দিয়া হৈছে। জে.আৰ. ওৱাই. আদি আঁচনিৰ জৰিয়তে দুখিয়া ৰাইজক সকাহ দিয়াৰ কাৰণে বিভিন্ন আঁচনিৰ কাম হাতত লৈছে। কিন্তু এইবোৰ কথা আমাৰ বিৰোধী পক্ষৰ সদস্য সকলে হয়তো মানি নললেও গাঁওৰ ৰাইজে মানি লৈছে। আজি কেইবা বছৰ ধৰি গড়কাপ্তানি বিভাগৰ কাম কৰিব পৰা হোৱা নাছিল। ইয়াৰ একমাত্ৰ কাৰণ আছিল আগৰ চৰকাৰে লগাই যোৱা ধাৰবোৰ এই চৰকাৰে মাৰিব লগা হোৱাৰ কাৰণে। কিন্তু এতিয়া আমাৰ চৰকাৰে এই বিভাগত যথেষ্ট টকা পইচা দিছে আৰু সেই মতে গাঁওৰ ৰাস্তা ঘাট দলং আদি যথেষ্ট নিৰ্মাণ আৰু মেৰামতিৰ কাম কৰা হৈছে আৰু এই ক্ষেত্ৰত অহা জুন মাহৰ ভিতৰত উপায়কৃত সকলৰ জৰিয়তে যথেষ্ট টকা দিয়াৰ ব্যবস্থা কৰা হৈছে। বিজুলি যোগানৰ ক্ষেত্ৰতো বিৰোধী সদস্য সকলে কিছুমান কথা উল্লেখ কৰিছে যদিও মই সেই কথাত একমত হ'ব নোৱাৰো। বিজুলি যোগান ব্যৱস্থা এতিয়া যথেষ্ট উন্নত হৈছে। আৰু আজি কিছুদিনৰ ল'ড চেডিং নোহোৱা হৈছে। এই খিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে এ.জি.পি চৰকাৰ শাসনলৈ অহাৰ সময়ত ধাৰৰ বোজা আছিল প্ৰায় ৪০০০ কোটি টকা আৰু আমি যেতিয়া শাসনলৈ আহো তেতিয়া ধাৰৰ বোজা আছিল ৪৩০৯ কোটি টকা। এই ধাৰৰ ২১০১ কোটি টকা এই চৰকাৰে পৰিশোধ কৰে আৰু এইটো আমাৰ কাৰণে গৌৰৱৰ কথা। এই ধাৰ খিনি মৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কৃতিত্ব ল'ব পাৰে আৰু আমি আশা ৰাখিছো বাকী থকা দিন কেইটাত আৰু যিখিনি ধাৰ বাকী আছে সেইখিনিও আমি পৰিশোধ কৰিব পাৰিম। আজি বিৰোধী পক্ষৰ সদস্য সকলে সপোনত ভাহি আছে। তওঁলোকৰ মনোভাব আকৌ ক্ষমতালৈ আহিব কিন্তু তেওঁলোকে আগতে যিবোৰ কাণ্ড কাৰখানা দখুৰাই গ'ল তাৰ দুবাৰ অসমত ৰাইজে তেওঁলোকক গ্ৰহণ কৰে নে নকৰে সেইটো অসমৰ

* Speech not corrected

ৰাইজেহে ক'ব। আজি আমাৰ দলপতি এজন। আমাৰ দলপতি আমাক যি নিৰ্দ্দেশ দিয়ে আমি সেইমতে চলি আছো। আমাৰ দলপতি জনৰ ওপৰত ভৰষা থকাৰ কাৰণে আমি নিশ্চিত মনে কাম কৰি যাব পাৰিছো। কিন্তু তেওঁলোকৰ দলপতি বহুত। কোনেও কাৰো কথা নুশুনে। গতিকে তেওঁলোকে যি সপোনত ভাহি আছে সেই সপোন ফলিয়াব নে নফলিয়াই সেইটো সময়েহে ক'ব।

অধ্যক্ষ, মহোদয়, আমাৰ চৰকাৰৰ দিনতো ক'ৰবাত দুই এটা ত্ৰুটি বিচ্যুতি হ'ব পাৰে, সেইটো আমি অস্বীকাৰ নকৰো। এই চৰকাৰৰ দিনতে ৰৰপেটাত যিটো দুঃখ জনক ঘটনা ঘটিল তাৰ কাৰণে আমাৰ চৰকাৰ দায়ী হ'ব নোৱাৰে। কিন্তু অসমত বড়ো সমস্যা, বিদেশী সমস্যা আদিৰ লেখীয়া সমস্যাবোৰ কোনে সৃষ্টি কৰিছিল আৰু এনেবোৰ সমস্যাৰ আৰু গইনা লৈ কুঠাৰঘাট মুলক কামবোৰ কৰিবলৈ কোনে শিকাইছিল ? আজি যি সকল বিৰোধী পক্ষৰ সদস্যই এইবোৰক লৈ হুলুস্থুল কৰি আছে তেওঁলোকেই এটা সময়ত বড়ো সকলক উচতাই দিছিল - সংখ্যালঘু লোক সকলক মাৰপিত কৰি খেদি পঠিওৱাৰ কাৰণে। তাৰ ফল স্বৰূপেই অসমত এনে ধৰণৰ ঘটনাবোৰ সংঘটিত হৈছিল। কিন্তু আমি এটা কথা চাব লাগিব যে ৰৰপেটাত হৈ যোৱা ঘটনাৰ পিচদিনাৰ পৰাই আমাৰ মুখ্য মন্ত্রীয়ে তাত ৫ দিন কটাইছিল আৰু পৰিস্থিতি নিয়ন্ত্রণ কৰিবলৈ সক্ষম হৈছিল। আজি বিৰোধী পক্ষৰ সদস্য সকলে এই চৰকাৰক যিবোৰ বদনাম দিছে আমি সেই বদনামৰ ভাগী কেতিয়াও নহও। আন এটা কথা হ'ল এই চৰকাৰে ১৫ লাখ ৩৩ হাজাৰ মানুহক দুটকীয়া চাউলৰ যোগান ধৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছে আৰু এই ক্ষেত্রত আমি সফল হ'ব পাৰিম বুলি দৃঢ় প্রতিজ্ঞাবদ্ধ। তাৰ লগে লগে মই আৰু এটা কথা উল্লেখ কৰিব লাগিব যে আমাৰ চৰকাৰে শাসনভাৰ লোৱাৰ পিচতে গভীৰ অর্থনৈতিক সংকটত চলিব লগা হৈছিল। ইয়াৰ একমাত্র কাৰণ হ'ল ইয়াৰ আগৰ চৰকাৰে লগাই যোৱা ধাৰৰ বোজা এই চৰকাৰে মাৰিব লগা হৈছে। এই হিচাবটো ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্রী ৰাগিবী ডাঙৰীয়াই উল্লেখ কৰি গৈছে। কিন্তু আমি এটা কথা স্বীকাৰ কৰিব লাগিব যে আমাৰ চৰকাৰে ইমানবোৰ ধাৰৰ বোজা মৰাৰ পিচতো উন্নয়ন মূলক কাম অব্যাহত ৰাখিছে। অর্থনৈতিক দিশত আজি আমাৰ ৰাইজৰ মাজত এটা জাগৰণ আহিছে। আমি ৰাইজৰ নিম্নতম চাহিদা পূৰণ কৰাৰ কাৰণে যৎপৰোনাস্তি চেষ্টা চলাই আহিছো আৰু তাৰ কাৰণে বিৰোধী পক্ষৰ সদস্য সকলে

